www.asombarta.in

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

নিজৰ পাৰদৰ্শিতা বৃদ্ধি কৰিবলৈ অসম্ভৱ বুলি জনা কামো কৰিবলৈ আগুৱাই যাবলৈ কুণ্ঠাবোধ নকৰিবা। - আব্ৰাহাম লিংকন

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

❐ সপ্তম বছৰ ❐ সংখ্যা - ৪ ❐ মঙ্গলবাৰ ❐ ৬ জানুৱাৰী, ২০২৬ চন ❐ ২১ পুহ, ১৯৪৭ শক ❐ VOL - 7 ❐ NO.- 4 ❐ Tuesday ❐ 6th January, 2026 ❐ মূল্য ঃ ১০.০০ টকা ❐ মুঠ পৃষ্ঠা ঃ ৮

■ ভোটাৰ তালিকাৰ বিসংগতিত নিৰ্বাচন আয়োগক সতৰ্ক হোৱাৰ আহ্বান ■

# মাঘ বিহুৰ আগে-পিছে মিত্ৰতাৰ ৰূপৰেখা চূড়ান্ত হ'ব বিৰোধীৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৫ জানুৱাৰী ঃ** আগন্তুক বিধানসভা নিৰ্বাচনৰ প্ৰেক্ষাপটত ৰাজ্যৰ বিৰোধী শিবিৰত এতিয়াও মিত্ৰতাৰ চূড়ান্ত ৰূপৰেখা নিৰ্ধাৰণ হোৱা নাই যদিও জল্পনা-কল্পনাৰ মাজতে ইতিবাচক খবৰ আহিছে। অসম জাতীয় পৰিষদৰ (অজপ) সভাপতি লুৰীণজ্যোতি গগৈয়ে ঘোষণা কৰিছে যে, মাঘ বিহুৰ আগে-পিছেই বিৰোধী ৰাজনৈতিক দলসমূহৰ মিত্ৰতাৰ চূড়ান্ত ৰূপৰেখা নিৰ্ধাৰিত হ'ব। যোৰহাটত সাংবাদিকৰ সৈতে মত বিনিময় কৰি লুৰীণজ্যোতি গগৈয়ে কয়, "বিৰোধী শক্তিসমূহ নিশ্চিতভাৱে ঐক্যবদ্ধ হ'ব আৰু আমি সেই দিশে অগ্ৰসৰ হৈছোঁ। ইতিমধ্যে আনুষ্ঠানিক সভাৰ লগতে অনানুষ্ঠানিক আলোচনা চলি আছে। মাঘ বিহুৰ আগে-পিছে মিত্ৰতাৰ চূড়ান্ত ▸▸ ৬ পৃষ্ঠাত

## আজিৰ কলম

### ঐক্য, শান্তি, সম্প্ৰীতিয়েই হওক নৱবৰ্ষৰ সংহতিৰ সংকল্প



শৰৎ চন্দ্ৰ চিৰিংফুকন

প্ৰস্তাৱনাতেই আমি সমগ্ৰ অসমবাসী, সংবাদসেৱী, সংবাদকৰ্মী আদি সবাউতিলৈকে ইংৰাজী নতুন বছৰটিৰ সৰ্বমঙ্গলৰ বাবে অন্তৰ ওপচা শুভেচ্ছা, সদিচ্ছা, সদ্ভাৱনা আৰু আন্তৰিকতা প্ৰেৰণ কৰিছোঁ। ▸▸ ৬ পৃষ্ঠাত

### টি-২০ বিশ্বকাপৰ খেলসমূহো ভাৰতৰ পৰা স্থানান্তৰৰ দাবী

## বাংলাদেশত আই পি এল সম্প্ৰচাৰত নিষেধাজ্ঞা

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৫ জানুৱাৰী ঃ** ক্ৰিকেট বিশ্বৰ সৰ্বাধিক জনপ্ৰিয় আৰু ধনাঢ্য লীগ ইণ্ডিয়ান প্ৰিমিয়াৰ লীগ (আই পি এল)ৰ ২০২৬ ছিজনৰ সম্প্ৰচাৰৰ ওপৰত বাংলাদেশ চৰকাৰে সম্পূৰ্ণ নিষেধাজ্ঞা আৰোপ কৰিছে। এই সিদ্ধান্তৰ মূল ▸▸ ৬ পৃষ্ঠাত

### ভেনিজুৱেলাৰ পৰা মাদুৰোক গ্ৰেপ্তাৰৰ পাছত ট্ৰাম্পৰ নতুন হুংকাৰ

## ভাৰতৰ ওপৰত শুল্ক বৃদ্ধিৰ ভাবুকি আমেৰিকাৰ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৫ জানুৱাৰী ঃ** ভেনিজুৱেলাৰ ৰাষ্ট্ৰপতি নিকোলাছ মাদুৰো আৰু তেওঁৰ পত্নী চিলিয়া ফ্ল'ৰেছক আমেৰিকান সামৰিক বাহিনীয়ে অতৰ্কিত আক্ৰমণৰ ▸▸ ৬ পৃষ্ঠাত

❐ বৰষুণ, ঘন কুৱঁলীৰ সতৰ্কবাণী জাৰি ❐

## মাঘ বিহুলৈ অব্যাহত থাকিব শীতৰ প্ৰকোপ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৫ জানুৱাৰী ঃ** আগন্তুক পাঁচ দিনত আৰু অধিক শীতৰ প্ৰকোপত পৰিব ৰাজ্য। উত্তৰ-পূৰ্বাঞ্চলত সাগৰপৃষ্ঠৰ বায়ুমণ্ডল নিম্নগামী হোৱাৰ ফলত বাঢ়িছে শীতৰ ▸▸ ৬ পৃষ্ঠাত

### অসমৰ চাহৰ ২০০ বছৰীয়া ঐতিহ্যক সন্মান জনোৱাৰ প্ৰতিশ্ৰুতি

## চাহ শ্ৰমিকসকলৰ বাবে ৫,০০০ টকাৰ এককালীন সাহায্য ঘোষণা মুখ্যমন্ত্ৰীৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৫ জানুৱাৰী ঃ** অসম চাহ উদ্যোগৰ ২০০ বছৰীয়া গৌৰৱময় ঐতিহ্যৰ প্ৰতি গভীৰ সন্মান প্ৰকাশ কৰি ৰাজ্য চৰকাৰে চাহ বাগিচাৰ শ্ৰমিক আৰু কৰ্মচাৰীসকলৰ বাবে এক নতুন আঁচনিৰ ▸▸ ৬ পৃষ্ঠাত

### বিজেপিত টিকট প্ৰত্যাশীৰ ভিৰ নাই, আধাতকৈ অধিক সমষ্টিত এজনহে প্ৰাৰ্থী আছে ঃ মুখ্যমন্ত্ৰী

## বিয়া পাতিবলৈও টিকট দিয়াৰ নামত টকা লৈছে কংগ্ৰেছ নেতাই !

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৫ জানুৱাৰী ঃ** আগন্তুক বিধানসভা নিৰ্বাচনৰ প্ৰাক্‌মুহূৰ্তত ৰাজ্যত তীব্ৰ হৈ উঠিছে ৰাজনৈতিক বাৰ্তা। সোমবাৰে ৰাজ্যজুৰি বিজেপিৰ দেৱাল লিখন কাৰ্যসূচীৰ শুভাৰম্ভ কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কংগ্ৰেছৰ ▸▸ ৬ পৃষ্ঠাত

### উৰিয়ামঘাট উচ্ছেদৰ প্ৰভাৱত ১২ হাজাৰ লোকৰ নাম ভোটাৰ তালিকাৰ পৰা কৰ্তন

**ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ৫ জানুৱাৰী ঃ** অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সোমবাৰে সৰুপথাৰ বিধানসভা সমষ্টিত এক ৰাজহুৱা সভাত অংশগ্ৰহণ কৰি স্পষ্টভাৱে ঘোষণা কৰিছে ▸▸ ৬ পৃষ্ঠাত



হাতে হাতে দা-লাঠি লৈ আৰক্ষী আৰু সাংবাদিক আক্ৰমণৰ চেষ্টা বেদখলকাৰীৰ

### বুঢ়াচাপৰিৰ ৬ হেজাৰ ২০০ বিঘা ভূমিত বৃহৎ উচ্ছেদ অভিযান

**অসম বাৰ্তা, ৰূপহীহাট, ৫ জানুৱাৰী ঃ** আজি পুৱাৰে পৰা শোণিতপুৰ জিলাৰ বুঢ়াচাপৰি অভয়াৰণ্যৰ ঠেলামাৰা ৰাজহ চক্ৰ আৰু তেজপুৰ ৰাজহ চক্ৰৰ ৮৩০ হেক্টৰ চৰকাৰী জৰীপ বিহীন সংৰক্ষিত বনানীকৰণ ▸▸ ৭ পৃষ্ঠাত

পিযুষ হাজৰিকাক ঢোলৰ লগত তেমেকা বুলি উপহাস ৰিপুন বৰাৰ

## মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক নাকত তেল দি শুই থাকাৰ আহ্বান ৰিপুন বৰাৰ

❐ নগাঁৱত কংগ্ৰেছৰ সংবাদমেল ❐

অসম বাৰ্তা, নগাঁও, ৫ জানুৱাৰীঃ আগন্তুক ২০২৬ৰ নিৰ্বাচনৰ পূৰ্বে ৰাইজৰ মাজত সোমাই পৰিবলৈ অহোপুৰুষাৰ্থ চেষ্টা ▸▸ ৬ পৃষ্ঠাত

## উচ্চতম ন্যায়ালয়ে ওমৰ খালিদ আৰু শ্বাৰ্জিল ইমামৰ জামিন আবেদন নাকচ

### স্বাগতম জনালে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৫ জানুৱাৰী ঃ** ২০২০ চনত নতুন দিল্লীৰ শ্বাহীনবাগত নাগৰিকত্ব সংশোধনী আইন (চিএএ) বিৰোধী প্ৰতিবাদৰ সময়ত উচটনিমূলক কাৰ্যকলাপত জড়িত থকাৰ অভিযোগত গ্ৰেপ্তাৰ হোৱা ওমৰ খালিদ আৰু শ্বাৰ্জিল ইমামৰ জামিন আবেদন উচ্চতম ন্যায়ালয়ে নাকচ কৰাৰ সিদ্ধান্তক আদৰণি ▸▸ ৬ পৃষ্ঠাত

## মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক অসমৰ গণশত্ৰু আখ্যা অখিল গগৈৰ

মাৰ্ঘেৰিটাত ৰাইজৰ দলৰ কৰ্মী সভা আৰু যোগদান কাৰ্যসূচী

অসম বাৰ্তা, মাৰ্ঘেৰিটা, ৫ জানুৱাৰীঃ বিধানসভা নিৰ্বাচনলৈ মাজত মাত্ৰ কেইটামান মাহ। নিৰ্বাচনৰ দিন চমু ▸▸ ৬ পৃষ্ঠাত



■ হাতে-হাতে বাল্টি, বটল লৈ তেল সংগ্ৰহ গঞাৰ ■

## হাজোত তেল পৰিবাহী পাইপৰ পৰা অহৰহ খাৰুৱা তেল নিৰ্গমন



**অসম বাৰ্তা, হাজো, ৫ জানুৱাৰী ঃ** কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত অভয়পুৰৰ পথাৰত পুৱাই শ শ ৰাইজৰ ভিৰ। হাতে হাতে বটল, বাল্টি, চৰিয়া লৈ পথাৰত তেল সংগ্ৰহত নামিল পুৰুষ মহিলাকে ধৰি বয়োজ্যেষ্ঠ লোক। জানিব পৰা মতে পুৱাই অভয়পুৰৰ আলিকাষৰ পথাৰলৈ যোৱা লোকে পথাৰত তেল গোন্ধ পোৱাত তেল পৰিবাহী পাইপ ফুটি খাৰুৱা তেল ওলাই থকা ▸▸ ৬ পৃষ্ঠাত

### নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ মুখপাত্ৰ সুপ্ৰিয়া শ্ৰীনেতৰ নেতৃত্বত উত্তাল মাজুলীৰ ৰাজপথ

## খিলঞ্জীয়াৰ মাটি সুৰক্ষাৰ দাবীত মাজুলীত যুৱ কংগ্ৰেছৰ বৃহৎ পদযাত্ৰা

**অসম বাৰ্তা, উজনী মাজুলী, ৫ জানুৱাৰী ঃ** অসম প্ৰদেশ যুৱ কংগ্ৰেছ কমিটিয়ে ৰাজ্যজুৰি অব্যাহত ৰখা "জাতি বচাওক, মাটি বচাওক" শীৰ্ষক পদযাত্ৰা কাৰ্য্যসূচীৰ সমান্তৰাল- ▸▸ ৭ পৃষ্ঠাত



বিজেপি শাসনৰ দহ বছৰৰ হিচাপ বিচাৰি অসমলৈ আহিছোঁ

### তিনিশৰো অধিক দেশী-বিদেশী প্ৰজাতিৰ পক্ষীৰ বিচৰণস্থলী এই বিল

❐ নৱবৰ্ষৰ প্ৰথমটো দেওবাৰত বনভোজ দলৰ ভিৰ ❐

## সংকটৰ গৰাহত আন্তঃৰাষ্ট্ৰীয় স্বীকৃতিপ্ৰাপ্ত মাগুৰি মতাপুং বিলৰ জৈৱ বৈচিত্ৰ্য



**ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ৫ জানুৱাৰী ঃ** ইংৰাজী নৱবৰ্ষৰ ২০২৬ৰ প্ৰথম দেওবাৰৰ দিনটোত তিনিচুকীয়া চহৰৰ পৰা প্ৰায় ১০-১২ কিঃ মিঃ নিলগত অৱস্থিত প্ৰায় তিনিশ বিধৰো অধিক প্ৰজাতিৰ দেশী-বিদেশী পক্ষীৰ বিচৰণস্থলী, জৈৱ বৈচিত্ৰ্যৰে ভৰা জলসম্পদ, আন্তঃৰাষ্ট্ৰীয় স্বীকৃতিপ্ৰাপ্ত মাগুৰি মতাপুং বিলত ▸▸ ৬ পৃষ্ঠাত



সম্পাদকীয়

# বিশ্ব ৰাজনীতিত আমেৰিকাৰ একপক্ষীয় নীতি ঃ চিন্তাৰ বিষয়

বৰ্তমানৰ বিশ্বৰাজনীতি উত্তেজনা আৰু অনিশ্চয়তাই আৱৰি ৰাখিছে। ভেনিজুৱেলাৰ ৰাষ্ট্ৰপতি নিকোলাছ মাদুৰো আৰু তেওঁৰ পত্নী চিলিয়া ফ্ল'ৰেছক আমেৰিকান সামৰিক বাহিনীয়ে এক অতৰ্কিত আক্ৰমণৰ জৰিয়তে গ্ৰেপ্তাৰ কৰি আমেৰিকালৈ লৈ যোৱাৰ ঘটনাই বিশ্বজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। আন্তৰ্জাতিক সমুদায়ৰ বহু দেশৰ পৰা আমেৰিকান ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ ওপৰত কঠোৰ সমালোচনাৰ ধাৰা বৈ গৈছে। কিন্তু এই সমালোচনাক সম্পূৰ্ণৰূপে উপেক্ষা কৰি ট্ৰাম্পে এইবাৰ ভাৰতৰ দিশত বাণিজ্যিক শুল্ক বৃদ্ধিৰ নতুন ভাবুকি দাঙি ধৰিছে। এই পৰিস্থিতিয়ে আমেৰিকাৰ বিশ্ববাসীৰ প্ৰতি দায়বদ্ধতা আৰু আন্তৰ্জাতিক নীতি সম্পৰ্কে গুৰুত্বৰ প্ৰশ্ন উত্থাপন কৰিছে।

ট্ৰাম্পৰ এই ভাবুকিৰ মূল কাৰণ হৈছে ৰাছিয়াৰ পৰা ভাৰতে কৰা খাৰুৱা তেলৰ আমদানি বৃদ্ধি। শেহতীয়া এক বক্তব্যত ট্ৰাম্পে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ব্যক্তিগতভাৱে প্ৰশংসা কৰিলেও ভাৰতৰ বাণিজ্যিক নীতিৰ প্ৰতি অসন্তোষ প্ৰকাশ কৰিছে। তেওঁ স্পষ্টকৈ উল্লেখ কৰিছে যে ভাৰতে ৰাছিয়াৰ পৰা তেল ক্ৰয় কৰাত তেওঁ সন্তুষ্ট নহয়, আৰু আমেৰিকাই ইচ্ছা কৰিলে ভাৰতীয় সামগ্ৰীৰ ওপৰত শুল্ক বৃদ্ধি কৰি চাপ সৃষ্টি কৰিব পাৰে। ২০২৫ চনৰ নৱেম্বৰত ভাৰতে ৰাছিয়াৰ পৰা প্ৰায় ৭.৭ নিযুত টন তেল আমদানি কৰা তথ্যই এই উদ্বেগৰ পৰিমাণ স্পষ্ট কৰে।

আমেৰিকাৰ এনে চাপমূলক নীতি সত্ত্বেও ভাৰতে এক সন্তুলিত আৰু দূৰদৰ্শী কূটনৈতিক অভিমুখ বাছি লৈছে। গুৰুত্বপূৰ্ণ তথ্য হ'ল যে ভাৰতে কেৱল ৰাছিয়াৰ পৰাই নহয়, আমেৰিকাৰ পৰাও তেল আমদানি বৃদ্ধি কৰিছে। নৱেম্বৰ মাহত আমেৰিকাৰ পৰা তেল আমদানি বৃদ্ধি হৈ ২.৮ নিযুত টনলৈ উপনীত হৈছে, যাৰ ফলত ভাৰতৰ তেল বজাৰত আমেৰিকাৰ অংশীদাৰিত্ব ১২.৬ শতাংশলৈ বৃদ্ধি পাইছে। ই ভাৰতৰ জাতীয় স্বাৰ্থৰ প্ৰতি সচেতন নীতিৰ ইংগিত দিয়ে।

এই পৰিপ্ৰেক্ষিতত সাধাৰণ জনতাৰ মনত নানান প্ৰশ্নই উদ্ভৱ হয়- আন্তৰ্জাতিক আইন আৰু ৰাষ্ট্ৰীয় অভিপ্ৰায়ৰ সন্মানৰ ভেটিত বিশ্বৰাজনীতি আগবাঢ়িব নে ক্ষমতাৰ জোৰ-জবৰদস্তিৰে? আমেৰিকাৰ দৰে ৰাষ্ট্ৰই নিজৰ মিত্ৰ দেশসমূহৰ সৈতে ব্যৱহাৰৰ ক্ষেত্ৰত কিমান দূৰ সূক্ষ্মতা ৰক্ষা কৰিব? ভাৰতৰ দৰে উন্নয়নশীল ৰাষ্ট্ৰই নিজৰ অৰ্থনৈতিক আৰু শক্তিৰ প্ৰয়োজন মেটাবলৈ কেনেধৰণৰ স্বাধীন নীতি গ্ৰহণ কৰিব পাৰে? ট্ৰাম্পৰ বাণিজ্যিক ভাবুকিয়ে ভাৰত-আমেৰিকাৰ দীৰ্ঘম্যাদী কৌশলী মিত্ৰত্বক কিদৰে প্ৰভাৱিত কৰিব? আৰু বিশ্ব শান্তি আৰু স্থিৰতাৰ বাবে আমেৰিকাৰ এনে একপক্ষীয় কাৰ্য্যকলাপ কিমান ভাবুকি কঢ়িয়াই আনিব?

সামগ্ৰিকভাৱে, এই ঘটনাই আন্তৰ্জাতিক সম্পৰ্কৰ সূক্ষ্ম সমতা আৰু পৰস্পৰ সন্মানৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। ট্ৰাম্পৰ শেহতীয়া হুংকাৰে ভৱিষ্যতৰ ভাৰত-আমেৰিকা সম্পৰ্কৰ ভৱিষ্যত নিৰ্ধাৰণ কৰিব বুলি আশা কৰা নাযায়, কিন্তু ইয়াৰ পৰিৱৰ্তে আলোচনা আৰু সহযোগিতাৰ মাধ্যমেৰেহে সমাধানৰ সন্ধান কৰিব লাগিব।

◀◀ ডিজিটেল যুগৰ প্ৰত্যাহ্বানৰ মাজতো অসমীয়া পাঠকৰ ছপা গ্ৰন্থৰ প্ৰতি থকা উৎসাহে সাহিত্যৰ চিৰন্তন মূল্যক স্পষ্টভাৱে প্ৰতিফলিত কৰিছে। চৰকাৰৰ দুৰ্লভ পাণ্ডুলিপিৰ ডিজিটাইজেচন, অনুবাদ কাৰ্যসূচী আৰু ডিজিটেল লাইব্ৰেৰীয়ে পৰম্পৰা আৰু আধুনিকতাৰ সুন্দৰ সমন্বয় ঘটাইছে। জিলা পৰ্যায়ৰ গ্ৰন্থমেলাসমূহে পঢ়া-লিখা সংস্কৃতিক গাঁৱলৈকে বিয়পাই দিছে। আজি গ্ৰন্থমেলা সাংস্কৃতিক মিলনৰ কেন্দ্ৰ হৈ পৰিছে, আনহাতে ডিজিটেল মাধ্যমে জ্ঞানক বিশ্বৰ ওচৰলৈ লৈ গৈছে। যুৱ লেখক-লেখিকাৰ উন্মেষ, চৰকাৰী পৃষ্ঠপোষকতা আৰু পাঠকৰ উৎসাহে অসমীয়া সাহিত্যক নতুন মাত্ৰা প্ৰদান কৰিছে। ▶▶




# গ্ৰন্থ, গ্ৰন্থমেলা আৰু অসমীয়া গ্ৰন্থৰ ভৱিষ্যৎ

ললিত নাথ

মানৱ জীৱনৰ অমূল্য সম্পদসমূহৰ ভিতৰত গ্ৰন্থৰ স্থান অনন্য। গ্ৰন্থ হৈছে জ্ঞানৰ ভঁৰাল, চিন্তাৰ আধাৰ আৰু সভ্যতাৰ দাপোন। প্ৰাচীন কালৰ পৰাই মানুহে নিজৰ অভিজ্ঞতা, চিন্তা-ভাৱনা আৰু জ্ঞানক লিপিবদ্ধ কৰি ৰাখিবলৈ গ্ৰন্থৰ ৰচনা কৰি আহিছে। গ্ৰন্থই আমাক অতীতৰ পৰা শিক্ষা ল'বলৈ, বৰ্তমানক বুজিবলৈ আৰু ভৱিষ্যতৰ সপোন দেখিবলৈ অনুপ্ৰেৰণা যোগায়। ই কেৱল জ্ঞানৰ আধাৰ হিচাপেই নহয়, সাংস্কৃতিক শিল্পকৰ্ম, প্ৰেৰণাৰ উৎস আৰু বৌদ্ধিক কৃতিত্বৰ প্ৰতীক হিচাপেও কাম কৰি আহিছে।

মেছ'পটেমিয়াৰ মাটিৰ ফলিৰ পৰা মিচৰৰ পেপিৰাছলৈকে গ্ৰন্থৰ ৰূপৰ বিকাশ ঘটিছে। কিন্তু ইয়াৰ মূল উদ্দেশ্য স্থিৰ হৈয়ে আছে, জ্ঞান সংৰক্ষণ আৰু প্ৰচাৰ কৰা। জ্ঞানৰ বিশাল পৃথিৱীখনত গ্ৰন্থ এখন খিৰিকী দৰে। গ্ৰন্থৰ জলঙাৰে আমি দেখিবলৈ পাওঁ জাতিৰ ইতিহাস, সভ্যতা, সংস্কৃতি, ধ্যান ধাৰণা, আচাৰ আচৰণ, উৎসৱ পাৰ্বণ। বেদ, বেদান্ত, গীতা, বাইবেল, ইলিয়াড, ওডিছি, ৱাৰ এণ্ড পীচ', 'ডাছ কেপিটেল, 'ডিভাইন কমেডি' আদি প্ৰাচীন গ্ৰন্থসমূহ কেৱল শাস্ত্ৰীয়, ধৰ্মীয় বা সাহিত্যিক মূল্যৰে সমৃদ্ধ নহয়, এইবোৰে আমাৰ সমাজৰ নৈতিক, আধ্যাত্মিক আৰু সাংস্কৃতিক জীৱনকো সমৃদ্ধ কৰিছে। গ্ৰন্থৰ এই ঐতিহ্য মানৱ সভ্যতাৰ ইতিহাসৰ সৈতে গভীৰভাৱে সংপৃক্ত।

গ্ৰন্থৰ ঐতিহ্য আৰু মহত্ত্বক জনসাধাৰণৰ মাজলৈ লৈ যোৱাৰ অন্যতম উৎকৃষ্ট মাধ্যম হৈছে গ্ৰন্থমেলা। এই মেলাসমূহত কেৱল গ্ৰন্থৰ প্ৰদৰ্শনী আৰু বিক্ৰীৰ ব্যৱস্থাই নহয়, পাঠক-লেখকৰ মিলন, আলোচনা, চৰ্চা আৰু সাংস্কৃতিক কাৰ্যসূচীৰ জৰিয়তে গ্ৰন্থৰ প্ৰতি থকা প্ৰেম আৰু শ্ৰদ্ধাক নতুন প্ৰজন্মলৈ সঞ্চাৰিত কৰা হয়। সেয়েহে গ্ৰন্থৰ ঐতিহ্যক জীৱন্ত কৰি ৰখাৰ ক্ষেত্ৰখনেই হৈছে গ্ৰন্থমেলা।

১৪৫০ চনৰ আশে-পাশে জোহান্স গুটেনবাৰ্গে মুদ্ৰণযন্ত্ৰ আৱিষ্কাৰ কৰাৰ পিছত ইউৰোপত গ্ৰন্থৰ ব্যাপক প্ৰসাৰ ঘটে। ১৫শ-১৬শ শতিকাত জাৰ্মানীৰ ফ্ৰেংকফুৰ্টত প্ৰথম আন্তৰ্জাতিক গ্ৰন্থমেলা অনুষ্ঠিত হৈছিল। পিছত লাইপজিগত ১৯২৭ চনত পূৰ্ণ পৰ্যায়ৰ গ্ৰন্থমেলা অনুষ্ঠিত হয়। দ্বিতীয় বিশ্বযুদ্ধৰ পিছত ১৯৪৯ চনত ফ্ৰেংকফুৰ্টত আধুনিক গ্ৰন্থমেলাৰ পুনৰ আৰম্ভ হয়। তেতিয়াৰ পৰাই ফ্ৰেংকফুৰ্টৰ গ্ৰন্থমেলা বিশ্বৰ সৰ্ববৃহৎ গ্ৰন্থমেলালৈ ৰূপান্তৰিত হয়। প্ৰতি বছৰে অক্টোবৰ মাহত অনুষ্ঠিত হোৱা এই মেলাত ১০০তকৈও অধিক দেশৰ প্ৰকাশকে অংশগ্ৰহণ কৰে আৰু ই কিতাপৰ ব্যৱসায়ৰ লগতে সাংস্কৃতিক আদান-প্ৰদান কৰাৰো কেন্দ্ৰ হৈ পৰে।

ভাৰতত ঔপনিৱেশিক কালৰ শেষৰ ফালে সৰু-সুৰা গ্ৰন্থ প্ৰদৰ্শনীৰ জৰিয়তে গ্ৰন্থমেলাৰ আৰম্ভণি হয়। ১৯৭২ চনত নতুন দিল্লীৰ প্ৰগতি ময়দানত 'নেচনেল বুক ট্ৰাষ্ট'ৰ দ্বাৰা আয়োজিত প্ৰথমখন মেলা ভাৰতীয় গ্ৰন্থমেলাৰ ইতিহাসত এক মাইলৰ খুঁটি। তদানীন্তন ৰাষ্ট্ৰপতি ভি. ভি. গিৰিয়ে এই গ্ৰন্থমেলাৰ উদ্বোধন কৰে। পিছত ১৯৭৬ চনত কলকাতাত অনুষ্ঠিত আন্তৰ্জাতিক গ্ৰন্থমেলাই এছিয়া মহাদেশৰ সৰ্ববৃহৎ মেলা হিচাপে স্বীকৃতি লাভ কৰে।

অসমতো গ্ৰন্থমেলাৰ আছে এক গৌৰৱময় ইতিহাস। অসমীয়া সাহিত্য, প্ৰকাশন গোষ্ঠী আৰু গ্ৰন্থপ্ৰেমী ৰাইজৰ মাজত জ্ঞানৰ পোহৰ বিলোৱাৰ এক মহান মাধ্যম হিচাপে গ্ৰন্থমেলাই অসমৰ সাংস্কৃতিক জীৱনত এক বিশেষ স্থান দখল কৰি আহিছে। এই মেলা কেৱল কিতাপ ক্ৰয়-বিক্ৰয়ৰ এক মঞ্চই নহয়, বৰঞ্চ লেখক-পাঠকৰ মিলনক্ষেত্ৰ, বৌদ্ধিক চৰ্চাৰ কেন্দ্ৰ আৰু অসমীয়া ভাষা-সাহিত্যৰ প্ৰসাৰৰ এক শক্তিশালী মাধ্যম হিচাপে পৰিগণিত হৈছে। অসমৰ প্ৰথমখন উল্লেখযোগ্য গ্ৰন্থমেলা অনুষ্ঠিত হৈছিল ১৯৭২ চনত ডিব্ৰুগড়ত। ইয়াৰ পিছত ১৯৭৮ চনত নগাঁও জিলাৰ নেহৰুবালিত 'ভাস্কৰ প্ৰকাশন'ৰ উদ্যোগত দ্বিতীয়খন গ্ৰন্থমেলা অনুষ্ঠিত হয়। ১৯৮৪ চনত গুৱাহাটীৰ জৰ্জ খেলপথাৰত 'গুৱাহাটী গ্ৰন্থমেলা আয়োজন কৰা হৈছিল। এই মেলাই অসমত গ্ৰন্থমেলাৰ আন্দোলনক এক নতুন গতি প্ৰদান কৰে। তাৰ পিছত ১৯৮৭ চনত অসম প্ৰকাশন পৰিষদে স্বতন্ত্ৰভাৱে গুৱাহাটী গ্ৰন্থমেলাৰ আয়োজন কৰে আৰু তেতিয়াৰ পৰা ই এক বাৰ্ষিক অনুষ্ঠানলৈ পৰিণত হয়। পৰিষদে দুষ্প্ৰাপ্য গ্ৰন্থসমূহ প্ৰকাশ কৰাৰ লগতে গ্ৰন্থমেলাৰ জৰিয়তে অসমীয়া সাহিত্যৰ প্ৰচাৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। দীৰ্ঘদিন ধৰি গুৱাহাটীত দুখন পৃথক গ্ৰন্থমেলা অনুষ্ঠিত হৈ আহিছিল, এখন অসম প্ৰকাশন পৰিষদৰ দ্বাৰা আয়োজিত 'গুৱাহাটী গ্ৰন্থমেলা' আৰু আনখন সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাই আয়োজিত কৰা 'উত্তৰ-পূব গ্ৰন্থমেলা'। এই দুয়োখন মেলাই গ্ৰন্থপ্ৰেমীসকলৰ মাজত বিপুল উৎসাহৰ সৃষ্টি কৰিছিল যদিও দুটা পৃথক অনুষ্ঠান হোৱাৰ বাবে কেতিয়াবা বিভ্ৰান্তিৰো সৃষ্টি হৈছিল।

২০২১ চনত এক ঐতিহাসিক সিদ্ধান্ত মৰ্মে এই দুয়োখন মেলা একত্ৰিত কৰি 'অসম গ্ৰন্থমেলা' নামেৰে যৌথভাৱে আয়োজন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাই মিলিতভাৱে এই মেলাৰ দায়িত্ব লয়। এই একত্ৰীকৰণে মেলাখনক আৰু অধিক বৃহৎ, সমৃদ্ধ আৰু জনপ্ৰিয় কৰি তুলিছে। প্ৰথম যৌথ অসম গ্ৰন্থমেলাই ক'ভিড মহামাৰীৰ মাজতো বিপুল সফলতা লাভ কৰিছিল আৰু তাৰ পিছৰ প্ৰতিটো বৰ্ষতে অংশগ্ৰহণকাৰী প্ৰকাশকৰ সংখ্যা, দৰ্শকৰ ভিৰ আৰু গ্ৰন্থ বিক্ৰীৰ পৰিমাণ বৃদ্ধি পাইছে।

২০২৫-২০২৬ বৰ্ষৰ অসম গ্ৰন্থমেলা এক বৰ্ণাঢ্য উৎসৱত পৰিণত হৈছে। অসম চৰকাৰে ২০২৫ বৰ্ষক 'গ্ৰন্থ বৰ্ষ' হিচাপে ঘোষণা কৰাৰ পটভূমিত এই মেলা বিশেষ তাৎপৰ্যপূৰ্ণ। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ২০২৫ চনৰ ২৪ ডিচেম্বৰত গুৱাহাটীৰ খানাপাৰা পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত গ্ৰন্থমেলাৰ শুভ উদ্বোধন কৰে। ১৪ দিনীয়া এই মেলা ৬ জানুৱাৰী, ২০২৬ লৈকে চলিব। এইবাৰ ১৩৫খনতকৈও অধিক প্ৰকাশন গোষ্ঠীৰ ষ্টল স্থাপন হৈছে, য'ত অসমৰ লগতে দিল্লী-হাৰিয়ানা, কলকাতা, মুম্বাই আৰু হায়দৰাবাদৰ পৰা প্ৰকাশকসকলে অংশগ্ৰহণ কৰিছে। অসমীয়াৰ লগতে হিন্দী, ইংৰাজী, বঙালী আদি ভাষাৰ গ্ৰন্থৰ বিশাল সংগ্ৰহে গ্ৰন্থপ্ৰেমীসকলক আকৰ্ষণ কৰিছে।

উদ্বোধনী অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে ৮১৮ গৰাকী যুৱ লেখকসকলৰ প্ৰত্যেককে ২৫,০০০ টকাৰ নগদ পুৰস্কাৰসহ 'যুৱ লেখক সন্মান' প্ৰদান কৰে। এই উদ্যোগে যুৱ প্ৰজন্মক সাহিত্য চৰ্চাত উৎসাহিত কৰিছে। মেলাৰ অন্যান্য আকৰ্ষণৰ ভিতৰত বহুভাষিক কবি সন্মিলন, নতুন গ্ৰন্থ উন্মোচন, আলোচনা চক্ৰ আৰু সাংস্কৃতিক কাৰ্যসূচী অন্যতম। বিগত বৰ্ষত ৬ কোটি টকাৰো অধিক গ্ৰন্থ বিক্ৰী হোৱাৰ পৰিপ্ৰেক্ষিতত এইবাৰ সেই অভিলেখ ভংগ কৰাৰ লক্ষ্য ৰখা হৈছে। প্ৰথম দিনৰ পৰাই গ্ৰন্থপ্ৰেমীৰ বিপুল সমাগমে মেলাখন উৎসৱমুখৰ কৰি তুলিছে। 'গ্ৰন্থ বৰ্ষ'ৰ অংশ হিচাপে গুৱাহাটীৰ উপৰিও বঙাইগাঁও, লখিমপুৰ, নলবাৰী, যোৰহাট, তিনিচুকীয়া, শিলচৰ আৰু মঙ্গলদৈতো গ্ৰন্থমেলা অনুষ্ঠিত হৈছে। এই পদক্ষেপে ৰাজ্যজুৰি পঢ়া-লিখাৰ সংস্কৃতি বিয়পাই দিয়াৰ লগতে স্থানীয় প্ৰকাশকসকলক উৎসাহ যোগাইছে।

অসম গ্ৰন্থমেলা কেৱল গ্ৰন্থৰ মেলা নহয়, ই অসমীয়া ভাষা-সাহিত্যৰ জীৱন্ত প্ৰতিচ্ছবি আৰু প্ৰজন্মৰ পৰা প্ৰজন্মলৈ জ্ঞানৰ সেতু গঢ়ি তোলা এক ঐতিহ্য। এই ঐতিহ্যৰ ভৱিষ্যৎ অতি উজ্জ্বল। ২০২৫-২০২৬ৰ মেলাৰ প্ৰথম সপ্তাহতে শীতৰ কুৱলী ফালি হাজাৰ হাজাৰ গ্ৰন্থপ্ৰেমীৰ সমাগম ঘটিছে আৰু ২ কোটি টকাৰো অধিক গ্ৰন্থ বিক্ৰী হৈছে। বিশেষকৈ জুবিন গাৰ্গৰ জীৱনী আৰু গীতৰ ওপৰত লিখা গ্ৰন্থসমূহে বিপুল জনপ্ৰিয়তা লাভ কৰিছে, যিয়ে যুৱ পাঠকক আকৰ্ষণ কৰিছে। মেলাৰ মুখ্য মঞ্চ জুবিন গাৰ্গৰ নামেৰে সজোৱা হোৱাটোৱে সাংস্কৃতিক মিলনৰ এক সুন্দৰ নিদৰ্শন।

ডিজিটেল যুগৰ প্ৰত্যাহ্বানৰ মাজতো অসমীয়া পাঠকৰ ছপা গ্ৰন্থৰ প্ৰতি থকা উৎসাহে সাহিত্যৰ চিৰন্তন মূল্যক স্পষ্টভাৱে প্ৰতিফলিত কৰিছে। চৰকাৰৰ দুৰ্লভ পাণ্ডুলিপিৰ ডিজিটাইজেচন, অনুবাদ কাৰ্যসূচী আৰু ডিজিটেল লাইব্ৰেৰীয়ে পৰম্পৰা আৰু আধুনিকতাৰ সুন্দৰ সমন্বয় ঘটাইছে। জিলা পৰ্যায়ৰ গ্ৰন্থমেলাসমূহে পঢ়া-লিখা সংস্কৃতিক গাঁৱলৈকে বিয়পাই দিছে। আজি গ্ৰন্থমেলা সাংস্কৃতিক মিলনৰ কেন্দ্ৰ হৈ পৰিছে, আনহাতে ডিজিটেল মাধ্যমে জ্ঞানক বিশ্বৰ ওচৰলৈ লৈ গৈছে। যুৱ লেখক-লেখিকাৰ উন্মেষ, চৰকাৰী পৃষ্ঠপোষকতা আৰু পাঠকৰ উৎসাহে অসমীয়া সাহিত্যক নতুন মাত্ৰা প্ৰদান কৰিছে। ছপা কিতাপৰ স্পৰ্শ আৰু সুগন্ধি এতিয়াও পাঠকৰ হৃদয়ত জীয়াই আছে। ই-বুক আৰু অডিঅ'বুকে বিশ্বব্যাপী প্ৰৱেশ মুকলি কৰিলেও ছপা গ্ৰন্থই সাংস্কৃতিক ঐতিহ্যৰ ধাৰক হৈ ব্যক্তিগত সুখ প্ৰদান কৰি আহিছে। গ্ৰন্থমেলাৰ বিপুল সমাগম আৰু কোটি কোটি টকাৰ বিক্ৰীয়ে প্ৰমাণ কৰিছে যে ছপা আৰু ডিজিটেল মাধ্যম ইটো সিটোক পৰিপূৰক হৈ অসমীয়া সাহিত্যক আগুৱাই লৈ যাব। এই সমন্বয়ে অসমীয়া গ্ৰন্থৰ ভৱিষ্যতক সমৃদ্ধ আৰু স্থায়ী কৰি তুলিব। যদি আমি পৰম্পৰাৰ গভীৰতা আৰু ডিজিটেল যুগৰ বিস্তাৰৰ মাজত সঠিক ভাৰসাম্য ৰক্ষা কৰোঁ, তেন্তে অসমীয়া সাহিত্য কেৱল জীৱন্ত হৈ থকাই নহয়, বিশ্বমঞ্চতো উজলি উঠিব।

# সামাজিক মাধ্যমত অসমীয়া ভাষাৰ ব্যৱহাৰ আৰু ইয়াৰ ভৱিষ্যত

নিবেদিতা হাজৰিকা

সামাজিক মাধ্যম হৈছে কম্পিউটাৰ পৰিচালিত প্ৰযুক্তি বিদ্যা, যিয়ে ৰেবৰ ধাৰণা, বৃত্তিমূলক প্ৰয়োজন, গুৰুত্ব আৰু ভাৱ প্ৰকাশৰ প্ৰয়োজনীয়তা বাস্তৱ সন্মত তথা নেটৱৰ্ক ব্যৱস্থাৰ দ্বাৰা পৰিচালিত কৰে। ইণ্টাৰনেটৰ দ্বাৰা পৰিচালিত এই অভিনৱ যোগাযোগ ব্যৱস্থাৰ দ্বাৰা বিশ্বৰ বিভিন্ন স্থানত থকা মানুহৰ লগত যোগাযোগ স্থাপন কৰিব পাৰি। সামাজিক মাধ্যমৰ এই ক্ষেত্ৰখন অতিশয় গতিশীল। বিংশ শতিকাৰ শেষৰ দশকটোত আধুনিক বিশ্বৰ ই প্ৰযুক্তিৰ বহুতো দিশে ব্যাপক প্ৰসাৰতা লাভ কৰিবলৈ সক্ষম হোৱা পৰিলক্ষিত হৈছে। বিশেষকৈ ভাষা-সাহিত্যৰ আৰু সাংস্কৃতিক ক্ষেত্ৰত সামাজিক মাধ্যমে এক বিশেষ ভূমিকা গ্ৰহণ কৰিছে।

বৰ্তমান সময়ত সামাজিক মাধ্যম এক বিশাল আৰু বহল মঞ্চ বা ক্ষেত্ৰ বুলি কব পাৰি। অন্যান্য সুবিধা সমূহৰ লগতে এই সামাজিক মাধ্যমবোৰে সাহিত্য সৃষ্টিৰ বাবে এখন মঞ্চ প্ৰদান কৰিছে। সামাজিক মাধ্যমৰ সহায়ত আমি সহজে অসমীয়া ভাষা ৰক্ষাৰ বাবে প্ৰচেষ্টা আৰু ব্যৱস্থা গ্ৰহণ কৰিব পাৰো। বহু লেখকে সামাজিক মাধ্যমত সাহিত্য চৰ্চাক বিশেষ ভাৱে সমৰ্থন কৰে, পছন্দ কৰে। এইদৰে নিজ মাতৃভাষাত সাহিত্য চৰ্চা কৰি, মনৰ ভাৱ প্ৰকাশ কৰিও যে তেওঁলোকে একপ্ৰকাৰ সাহিত্যৰ ভঁৰাল টনকিয়াল কৰাত সহায় কৰিছে সেই কথা হয়তো ভাবি নাচায়। কিন্তু সামাজিক মাধ্যমত অসমীয়া ভাষা ব্যৱহাৰ কৰি অসমীয়া ভাষা প্ৰেমী সকলেযে নিজৰ ভাষাটোক জীয়াই ৰখাৰ চেষ্টা কৰিছে, ভাষা চৰ্চা অব্যাহত ৰাখিছে ই আমাৰ বাবে এক শুভ লক্ষণে।

'ভাষা বৃক্ষৰ সাহিত্য সৌৰভময় পুষ্প স্বৰূপ'। সমগ্ৰ বিশ্বব্ৰহ্মাণ্ড খনত অজস্ৰ ভাষা আছে যদিও মাতৃভাষাৰ স্থান সদায়েই ওপৰত। সেয়ে মাতৃভাষাক তুচ্ছ জ্ঞান কৰা অনুচিত। বহুতে অসমীয়া ভাষাটোক মান্যতা দিব নিবিচাৰে, মানদণ্ড হীন, তুচ্ছ যেন জ্ঞান কৰা দেখা যায়। কিন্তু এনে হোৱাটো উচিত নহয়। অসমীয়া আমাৰ প্ৰাণৰ ভাষা। আইৰ মুখৰ ভাষা। প্ৰনিধানযোগ্য যে বহুকেইটা সামাজিক মাধ্যমত কিন্তু অসমীয়া ভাষাক বিশেষ প্ৰাধান্য দিয়া দেখা গৈছে। এই গোট সমূহত অসমীয়া ভাষাৰ বাহিৰে আন ভাষাৰ স্থান নাই। অন্য ভাষাৰ প্ৰয়োগ এই গোট সমূহত নিষেধ।

সাধাৰণতে প্ৰায়বোৰ সামাজিক মাধ্যমৰ মূল হৈছে ইংৰাজী ভাষা। অসমীয়া ভাষাত এই ধৰণৰ সুবিধা বিশেষ উপলব্ধ নহয় যদিও কিছুমান প্ৰযুক্তিৰ মাধ্যমেৰে 'অসমীয়া লিপি'ৰ সহায়ত অসমীয়া লিখা-মেলা কৰিব পৰা যায়। আজিৰ প্ৰযুক্তিৰ ন-ন আবিষ্কাৰে সামাজিম মাধ্যমত অসমীয়া ভাষাটো লিখিব পৰাকৈ বহু উপায় তথা সমলৰ সৃষ্টি কৰিছে। যি সমূহৰ ব্যৱহাৰে অসমীয়া ভাষাৰ ব্যৱহাৰ সামাজিক মাধ্যমত সহজ কৰি তুলিছে। বিশ্বজুৰি কথিত অসংখ্য ভাষাৰ ভিতৰত ভাৰতীয় আমাৰ ৰাজ্যৰ চৰকাৰী ভাষা অসমীয়াই বিভিন্ন (ছ'চিয়েল মিডিয়া) সামাজিক মাধ্যমত নিজৰ স্থান অধিকাৰ কৰিবলৈ সক্ষম হৈছে।

সামাজিক মাধ্যমৰ আবিষ্কাৰ তথা প্ৰয়োগৰ ক্ষেত্ৰখনে প্ৰসাৰতা লাভ কৰাৰ লগে লগে অসমীয়া ভাষা ব্যৱহাৰকাৰী, অসমীয়া প্ৰেমীসকলে নিজৰ মাতৃভাষাত নিজৰ মত প্ৰকাশ কৰিবৰ বাবে এখন সুন্দৰ মঞ্চ বিচাৰি পালে। যিখন মঞ্চই অসমীয়া ভাষা ব্যৱহাৰকাৰীৰ সংখ্যা বৃদ্ধি কৰাত স্বাভাৱিকতেই সহায় হৈ উঠিল।

কিন্তু সামাজিক মাধ্যমত অসমীয়া ভাষাটো একেবাৰেই বিপদমুক্ত নহয়। অসমীয়া ভাষাৰ প্ৰতি মানুহৰ আকৰ্ষণ, ব্যৱহাৰৰ সুযোগ আদিয়ে অসমীয়া ভাষাটোৰ পৰিসৰ তথা জনপ্ৰিয়তা লাভ কৰাৰ ক্ষেত্ৰত সহায়ক হৈছে যদিও অসমীয়া ভাষাৰ ক্ষেত্ৰত দেখা পোৱা সংশয় আদিয়ে প্ৰমাণ কৰে যে অসমীয়া ভাষাটো আজিও বিপদমুক্ত নহয়। তথাপি সামাজিক মাধ্যমত অসমীয়া ভাষাটোৰ উত্থানে ভাষাটোৰ উন্নতিত, প্ৰসাৰতাৰ ক্ষেত্ৰত এক মাইলৰ খুঁটি হিচাপে চিহ্নিত হৈছে, তথা জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হৈছে।




সামাজিক মাধ্যম ঠিক এটা ছাতি সদৃশ পৰিভাষা। ইয়াৰ ভিতৰত বিভিন্ন প্ৰকাৰৰ মঞ্চ সোমাই আছে। ফেচবুক, হোৱাটছ এপ, টুইটাৰ, ইউ টিউব আদিৰ দ্বাৰা অসমীয়া ভাষাই বিশেষ প্ৰসাৰতা লাভ কৰিবলৈ সক্ষম হৈছে। এনেদৰে ব্যৱহাৰকাৰীৰ সংখ্যা বৃদ্ধি পাবলৈ হ'লে অনাগত দিন সমূহত সামাজিক মাধ্যমত অসমীয়া ভাষাই বিশেষ আৰু দ্ৰুত ভাৱে প্ৰসাৰ ও প্ৰচাৰ লাভ কৰিব।

আধুনিক জীৱনধাৰাত মানুহে লিখা আৰু পঢ়াৰ অভ্যাস প্ৰায় হেৰুৱাই পেলোৱাৰ দৰে হৈছে। তেনে পৰিস্থিতিত ইণ্টাৰনেট আৰু বিশেষকৈ সামাজিক মাধ্যমৰ বহুল প্ৰচাৰ তথা জনপ্ৰিয়তাই সাহিত্য সৃষ্টি আৰু প্ৰকাশৰ এখন নতুন মঞ্চ সৃষ্টি কৰি সামাজিক মাধ্যম ব্যৱহাৰকাৰী তথা সাহিত্য সৃষ্টিৰ প্ৰতি আগ্ৰহী সকলক এখন মঞ্চ প্ৰদান কৰিলে ফলত সৃষ্টি আৰু প্ৰকাশৰ এখন নতুন পৃথিৱীৰ সৃষ্টি হ'ল। সীমাৰ পৰিধি ভাঙি অসমৰ লগতে দেশ -বিদেশতো সামাজিক মাধ্যমত সাহিত্য চৰ্চা কাৰ্য অব্যাহত আছে। অসমৰ বাহিৰত থকা বহুতো অসমীয়াই এই সামাজিক মাধ্যম সমূহৰ জৰিয়তে সাহিত্য চৰ্চা অব্যাহত ৰাখিছে। কেৱল সেয়ে নহয় বহুতে এই মাধ্যমত সাহিত্য চৰ্চা কৰিয়ে সাহিত্য জগতত নিজৰ এক সুকীয়া পৰিচয় বহন কৰিবলৈ সক্ষম হৈছে।

বৰ্তমান সময়ত ডিজিটেল পৃথিৱীত সাহিত্যৰ সুবাস লোৱা পাঠকৰ সংখ্যা তথা সমাদৰ দিনক দিনে বৃদ্ধি পাব ধৰিছে। এইয়া সাহিত্যৰ বাবে ইতিবাচক দিশ। ডিজিটেল পৃথিৱীত সাহিত্যৰ সোৱাদ লোৱাৰ আনন্দই সুকীয়া। বৰ্তমান সময়ত নানা কাৰণত যেনে - ব্যস্ততাৰ বাবেই হওক বা ম'বাইলতে সকলোখিনি উপলব্ধ হোৱা বাবে কিতাপ পঢ়াৰ সমাদৰ হ্ৰাস পাইছে যদিও ডিজিটেল পৃথিৱীখনে সাহিত্যৰ লগতে ভাষাটোক সুন্দৰ ৰূপত বৰ্তাই ৰাখিছে, জীয়াই ৰখাৰ যত্ন কৰিছে। বৰ্তমান সময়ত ইণ্টাৰনেট ব্যৱহাৰ কাৰীৰ সংখ্যা দ্ৰুত গতিত বৃদ্ধি পাইছে। এই সকলৰ ভিতৰত নৱপ্ৰজন্মৰ সংখ্যাই বেছি। নৱ প্ৰজন্মই ইণ্টাৰনেটৰ সঠিক ব্যৱহাৰ কৰিব জানিলে সামাজিক মাধ্যমতো অসমীয়া ভাষা-সাহিত্যই বিশেষ সফলতা লাভ কৰিবলৈ সক্ষম হ'ব।

সামাজিক মাধ্যম সমূহ আমাৰ হাতত থকা অস্ত্ৰ স্বৰূপ। এই সমূহৰ সঠিক ব্যৱহাৰৰ দ্বাৰা আমি আমাৰ ভাষাটোৰ প্ৰচাৰ আৰু প্ৰসাৰৰ মূল মাধ্যম হিচাপে ব্যৱহাৰ কৰিব লাগিব। ইয়াৰ বাবে প্ৰথম পদক্ষেপ হিচাপে সামাজিক মাধ্যমত লিখা সকলো লিখনিত অসমীয়া ভাষাৰ ব্যৱহাৰ বাধ্যতামূলক কৰিব লাগিব বা হ'ব লাগিব। লগতে সেই লিখনি সমূহ পঢ়ি দিয়া মন্তব্য বা মতামত সমূহতো অসমীয়া ভাষাৰ প্ৰয়োগ যাতে সৰ্বাধিক হয় সেই বিষয়ত সচেতন হ'ব লাগিব।

অসমীয়া ভাষাটো অসমৰ উত্তৰ পূব প্ৰান্তৰ এটা অতি শক্তিশালী ভাষা। কিন্তু সাম্প্ৰতিক সময়ত এই ভাষা সংকটৰ গৰাহত। অসমীয়া ভাষাটো বিপন্ন সংকটৰ পৰা উদ্ধাৰ পোৱাটো খুবেই প্ৰয়োজনীয়। অন্যথা আমাৰ প্ৰাণৰ ভাষাটো পৃথিৱীৰ পৰা লুপ্ত হৈ যাব। কিন্তু ভাষাটোৰ এই সংকটৰ সময়তে, অসমীয়া ভাষাটো ব্যৱহাৰকাৰীৰ সংখ্যা উদ্বেগজনক ভাবে হ্ৰাস পোৱাৰ সময়তে সামাজিক মাধ্যমৰ সুবাদতে অসমীয়া ভাষাত সাহিত্য চৰ্চা কৰা লোকৰ সংখ্যা দিনক -দিনে বৃদ্ধি পাব ধৰিছে। অসমীয়া ভাষাটোৰ জীয়াই ৰখাৰ ক্ষেত্ৰত ই এক প্ৰশংসনীয় পদক্ষেপ আৰু আশাৰ বতৰা স্বৰূপ। অসমীয়া বিষয়বস্তু সৃষ্টি কৰ্তা সকলে সামাজিক মাধ্যমত ভাষাটোৰ অবিৰত বৃদ্ধি তথা সজীৱতা অনাৰ ক্ষেত্ৰত যি নিৰন্তৰ প্ৰয়াস কৰি আহিছেবা প্ৰয়াস কৰি আছে ই অসমীয়া ভাষাটোৰ বাবে এক শুভ লক্ষণ আৰু শুভ বতৰা। শেষত, কেৱল মাত্ৰ যোগাযোগৰ মাধ্যম হৈয়ে নথকা ফে'ছবুক, টুইটাৰ, ইনষ্টাগাম, ইউটিউব আদি সাহিত্যৰো এখন মঞ্চ হৈ পৰিল। এই ধৰণৰ সমূহীয়া মঞ্চ সমূহে অসমীয়া ভাষাটো জীয়াই ৰখাৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰিছে। অদূৰ ভৱিষ্যতে এনে ধৰণৰ সামাজিক মাধ্যম ব্যৱহাৰকাৰীৰ সংখ্যা অধিক বৃদ্ধি পাব বুলি আশা কৰিব পাৰি আৰু সেই সকলেও অসমীয়া ভাষাটোক অন্য ভাষাৰ লগতে মান্যতা প্ৰদান কৰি অসমীয়া ভাষাটো ব্যৱহাৰত অধিক গুৰুত্ব প্ৰদান কৰিলে অনাগত দিন সমূহত অসমীয়া ভাষাটো সামাজিক মাধ্যমৰ দ্বাৰাই অধিক জনপ্ৰিয় আৰু সুৰক্ষিত হৈ থাকিব বুলি ক'ব পাৰি।

সামাজিক মাধ্যমত সাহিত্য চৰ্চা কৰা লোক সকলো এক প্ৰকাৰ ভাষা যোদ্ধা। এই ভাষা যোদ্ধা সকলৰ বাবে, যোগাত্মক বিপ্লৱৰ অংশীদাৰ সকলৰ বাবেই অসমীয়া ভাষাটো সংকটাপন্ন অৱস্থাটো জীয়াই আছে আৰু জীয়াই থাকিব। ইয়াৰ অংশীদাৰ হিচাপে যোগাযোগৰ অন্যতম নব্য মাধ্যমৰ বিভিন্ন উপাদান সমূহ সহায়ক হৈ ৰ'ব।

সম্পাদকলৈ চিঠি

## কোনে বুজিব চৰকাৰী বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মনৰ কথা

সম্প্ৰতি অসমত পুহ মাহৰ হাড় কপোৱা শীতে জনজীৱন ব্যতিক্ৰান্ত কৰি তুলিছে। বিগত বৰ্ষৰ ২৪ ডিচেম্বৰৰ পৰা অসমৰ আকাশ কুঁৱলীয়ে ঢাকি আছে। কেতিয়াবা কম সময়ৰ বাবে সূৰ্যৰ সৈতে সাক্ষাৎ হৈছে যদিও সূৰ্যৰ উষ্ণতাই ধৰা উষ্ণ কৰি তুলিবলৈ সক্ষম হোৱা নাই। মানুহে নিজৰ কৰ্তব্য ভালদৰে সমাপন কৰিব পৰা নাই। চৰকাৰী বিদ্যালয়ৰ প্ৰায় সংখ্যক ছাত্ৰ- ছাত্ৰীয়ে শীতত কঁপি কঁপি বিদ্যালয় লৈ অহা - যোৱা কৰি আছে। এই সময়ত শিক্ষামন্ত্ৰী মহোদয়ে তৎকালীনভাৱে বলবৎ হোৱাকৈ বিদ্যালয় বন্ধৰ সিদ্ধান্ত ল'ব লাগিছিল; কিন্তু তেওঁ এই দায়িত্ব জিলাৰ আয়ুক্ত সকলো লৈ ঠেলি দিছে। যিটো সিদ্ধান্তই অসমৰ সচেতন অভিভাৱক সকলক চিন্তিত কৰি তুলিছে। কাৰণ যি কাম শিক্ষামন্ত্ৰী মহোদয়ে নিজে কৰা উচিত আছিল সেই কাম আয়ুক্তক ঠেলি দিয়াটো কেতিয়াও সঠিক হোৱা বুলি ক'ব নোৱাৰি। দায়িত্ব পোৱাৰ পিছত এখন - দুখনকৈ কিছুমান জিলাৰ আয়ুক্তই এক নিৰ্দিষ্ট সময়ৰ বাবে বিদ্যালয় বন্ধ ৰাখিছে। অন্য কিছুমান জিলাত আকৌ পাঠদানৰ সময়সূচী সলনি কৰি দিছে। কিন্তু এইমুহূৰ্তলৈ অসমৰ ৩৫খন জিলাৰ অধিকাংশ জিলাতে বন্ধ ঘোষণা বা বিদ্যালয়ৰ পাঠদানৰ সময়সূচী সলনি কৰা নাই। বন্ধ ঘোষণা কৰিলে সকলোতে ঘোষণা কৰা উচিত; কাৰণ অসমৰ প্ৰত্যেকখন জিলাতে বৰ্তমান শীতৰ প্ৰকোপ বৃদ্ধি পাইছে। তদুপৰি চৰকাৰী বিদ্যালয়ত পঢ়া অধিকাংশ শিক্ষাৰ্থীৰ ঘৰৰ আৰ্থিক অৱস্থা উন্নত নহয়। যিটো সময়ত এখন দামী ছুৱেটাৰ বা জেকেটৰ প্ৰয়োজন হৈছে সেই সময়ত বিদ্যালয়ৰ ইউনিফৰ্মৰে শ্ৰেণীকোঠাত পাঠ গ্ৰহণ তথা অহা-যোৱা কৰিছে বিদ্যালয়ৰ শিক্ষাৰ্থীয়ে। চৰকাৰে শিক্ষাবৰ্ষ সলনি কৰাৰ সময়তে প্ৰত্যেক বছৰে একোখনকৈ ছুৱেটাৰ প্ৰদানৰ ব্যৱস্থা কৰিব লাগিছিল। এতিয়াও সময় শেষ হোৱা নাই। অসমৰ মাননিয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ইচ্ছা কৰিলে চৰকাৰী বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক ছুৱেটাৰৰ ব্যৱস্থা কৰিব পাৰে। ছাত্ৰ-ছাত্ৰীৰ শিক্ষা গ্ৰহণত যাতে সমস্যা নহয় সেই বিষয়ে মুখ্যমন্ত্ৰী মহোদয়ে গুৰুত্ব আৰোপ কৰা উচিত।

*কমলেশ কাঞ্চন*
*ফোন-৭০০২৪২৩৭৯৯*

# মুখ্যমন্ত্ৰীৰ বিদ্যালয়সমূহৰ আন্তঃগাঁঠনি উন্নয়ন আঁচনিৰ আধাৰশিলা স্থাপন বিধায়ক ৰামাকান্ত দেউৰীৰ



**ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ৫ জানুৱাৰী ঃ** ৰবিবাৰে দিনটো মৰিগাঁও সমষ্টি বিধায়ক ৰমাকান্ত দেউৰীয়ে সমষ্টিটো বহু কেইটা উন্নয়ন মুলক অনুষ্ঠানত অংশগ্ৰহণ কৰা লগতে শুকদল মাধ্যমিক বিদ্যালয়ত মুখ্যমন্ত্ৰীৰ বিদ্যালয় সমূহৰ আন্তঃগাঁঠনি উন্নয়ন আঁচনি অধিনত প্ৰায় আঠ কোটি টকাৰে নিৰ্মাণ হ'বলগীয়া এটি গৃহ আধাৰশিলা স্থাপন অনুষ্ঠান অংশগ্ৰহণ কৰে পুৱা ভাগত মৰিগাঁৱত এক ধৰ্মীয় অনুষ্ঠানত অংশগ্ৰহণ কৰি পুৱা ১০ বজাত পোনে পোনে মৰিগাওঁ শুকদল মাধ্যমিক বিদ্যালয়ত উপস্থিত হৈ শুকদল মাধ্যমিক বিদ্যালয়ত মুখ্যমন্ত্ৰীৰ বিদ্যালয় সমূহৰ আন্তঃগাঁঠনি উন্নয়ন আঁচনিৰ এক আধাৰশিলা স্থাপন কৰে। মৰিগাঁও শুকদল মাধ্যমিক বিদ্যালয়ত মুখ্যমন্ত্ৰীৰ বিদ্যালয় সমূহৰ আন্তঃগাঁঠনি উন্নয়ন আঁচনিৰ আধাৰশিলা স্থাপন কৰি কয় যে এই আঁচনিত বিদ্যালয়ৰ আন্তঃগাঁথনি উন্নতিৰ লগতে এক বৃহৎ পৰিসৰে বিদ্যালয়ৰ উন্নয়নৰ কাম কৰা হ'ব। ইয়াৰ অধীনত, বিদ্যালয়ৰ শ্ৰেণীকক্ষসমূহৰ সমূহৰ উন্নয়নৰ লগতে শ্ৰেণী কোঠা সমূহ আধুনিকীকৰণ কৰাৰ কথা জানিবলৈ দিয়ে। বিদ্যালয়ৰখনৰ পৰিচালনা সমিতিৰ সভাপতি জানমনি মহন্তই আট ধৰা এই অনুষ্ঠানত বিধায়ক ৰামাকান্ত দেউৰীয়ে এই পৰিসৰে শিক্ষাৰ পৰিবেশ আৰু মান বৃদ্ধি হ'ব বুলি আশা প্ৰকাশ কৰে বুলি মন্তব্য প্ৰকাশ কৰা লগতে শিক্ষা ক্ষেত্ৰত চৰকাৰৰ আগবঢ়োৱা পদক্ষেপসমূহৰ বিষয়ে আলোচনা কৰি শিক্ষাৰ উন্নতিৰ ওপৰত গুৰুত্ব আৰোপ কৰিব বুলি জানিবলৈ দিয়ে। এই আধাৰশিলা স্থাপন বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলৰ লগতে বিদ্যালয় খনৰ প্ৰাক্তন প্ৰধান শিক্ষক, শিক্ষক কৰ্মচাৰী সকলেও অংশগ্ৰহণ কৰে। এই দিনটোতে বিধায়ক গৰকীয়ে মিকিৰভেটা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এই আঁচনিৰে এটি গৃহ আধাৰশিলা স্থাপন কৰে। এই অনুষ্ঠান সমাপ্তি ঘোষণা কৰিয়ে সংবাদ মাধ্যমৰে হোৱা এক সাক্ষাতকাৰত কয় যে আগন্তুক বিধানসভাৰ নিৰ্বাচনত তেওঁক দলে টিকট দিয়াটো এক প্ৰকাৰে নিশ্চিত বুলি জানিবলৈ দি কয় যে এই বাৰ আগন্তুক ২০২৬ বিধানসভা নিৰ্বাচনত প্ৰায় সত্তৰৰ হাজাৰ ভোটৰ ব্যৱধানত জয়লাভ কৰিব বুলিও মন্তব্য প্ৰকাশ কৰে।

# চাহ শ্ৰমিকৰ সু-স্বাস্থ্যৰ বাবে চৰকাৰী সংকল্প; আঠাবাৰীত স্বাস্থ্যবান শ্ৰমিক যোজনাৰ শুভাৰম্ভ



**অসম বাৰ্তা, ডিমৌ, ৫ জানুৱাৰী ঃ** চাহ বাগিচাৰ জনসাধাৰণৰ সুস্বাস্থ্য নিশ্চিত কৰাৰ লক্ষ্যৰে অসম চৰকাৰৰ স্বাস্থ্য বিভাগে গ্ৰহণ কৰা অভিলাষী আঁচনি 'স্বাস্থ্যবান শ্ৰমিক যোজনা'ৰ আজি শিৱসাগৰ জিলাভিত্তিক শুভাৰম্ভণি কৰা হয়। ৩ জানুৱাৰীত জিলাখনৰ আঠাবাৰী চাহ বাগিচাত আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত এই আঁচনিৰ শুভ উদ্বোধন কৰে অসম চাহ নিগমৰ অধ্যক্ষ শিৱ প্ৰসাদ বদ্ৰাই। আঁচনিখন উদ্বোধন কৰি অধ্যক্ষ বদ্ৰাই চাহ শ্ৰমিকসকলৰ সৰ্বাংগীণ সুস্বাস্থ্য নিশ্চিত কৰাৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব সম্পৰ্কে আলোকপাত কৰে। তেওঁ কয় যে চাহ বাগিচাৰ প্ৰতিগৰাকী শ্ৰমিকে যাতে সুলভ আৰু গুণগত মানসম্পন্ন স্বাস্থ্য সেৱা লাভ কৰিব পাৰে, তাৰ বাবেই এই সৰ্বজনীন স্বাস্থ্য পৰীক্ষা ব্যৱস্থা আৰম্ভ কৰা হৈছে। উদ্বোধনী অনুষ্ঠানত ডিমৌৰ সমজিলা আয়ুক্ত মিনাক্ষী পেৰ্মে, যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ মাখন চন্দ্ৰ কলিতা, জিলা প্ৰশাসনৰ সহকাৰী আয়ুক্ত পৰিস্মিতা দিহিঙ্গীয়া আৰু ডিমৌ খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ মহকুমা স্বাস্থ্য আৰু চিকিৎসা বিষয়া ডাঃ বিজিত বৰা, আঠাবাৰী গাওঁ পঞ্চায়তৰ সভাপতি বিকি বৰ্মা উপস্থিত থাকে। তদুপৰি আঠাবাৰী বাগিচাৰ সহ-পৰিচালক আশিস চতুৰ্বেদী, চিকিৎসক ডাঃ যতীন দত্ত, সমাজ কল্যাণ বিষয়া নকুল চাউৰা আৰু ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ (NHM) বিষয়ববীয়াসকলও অনুষ্ঠানত অংশগ্ৰহণ কৰে। বিশেষভাৱে উল্লেখ্য যে, এই স্বাস্থ্য অভিযানত দুটা ভ্ৰাম্যমাণ স্বাস্থ্য সেৱা গোট (MMU-049 আৰু MMU-118) নিয়োজিত কৰা হৈছে। আঠাবাৰী বাগিচাৰ স্বাস্থ্য কৰ্মী দুলেশ্বৰ গোৱালা আৰু অসম চাহ মজদুৰ সংঘৰ সম্পাদক জিতেন বৰুৱাই সমগ্ৰ অনুষ্ঠানটোৰ ব্যৱস্থাপনাৰ দায়িত্ব সুচাৰুৰূপে পালন কৰে। আজিৰ এই শিবিৰত আঠাবাৰী বাগিচাৰ লগতে ওচৰ-পাজৰৰ বহুসংখ্যক লোকে অংশগ্ৰহণ কৰি স্বাস্থ্য পৰীক্ষা কৰোৱায়।

# যোৰহাট ঢাপকটা তৰুণ সংঘৰ নতুন সমিতি গঠন



**অসম বাৰ্তা, পশ্চিম যোৰহাট, ৫ জানুৱাৰী ঃ** যোৰহাটৰ পশ্চিম অঞ্চলৰ ৰাষ্ট্ৰীয় পথৰ কাষত ১৯৫৩ চনৰ ১৬ জুলাইত প্ৰতিষ্ঠা কৰা ঢাপকটা তৰুণ সংঘৰ ৪ জানুৱাৰীত অনুষ্ঠিত সাধাৰণ সভাত আগন্তুক বৰ্ষটো সংঘটো পৰিচালনা কৰিবৰ বাবে প্ৰভাত দত্তক সভাপতি, ৰাতুল ভাগৱতীক উপ-সভাপতি, নয়নজ্যোতি গোস্বামীক সাধাৰণ সম্পাদক, জয়ন্ত গোস্বামী, প্ৰতীম পল্লৱ গোস্বামীক সহকাৰী সম্পাদক, অজয় বৰঠাকুৰক কোষাধ্যক্ষ, মুনীন বৰুৱাক ক্ৰীড়া, অৰ্কিডঅংশু গোস্বামীক সাংস্কৃতিক, ৰমেন শইকীয়া, প্ৰসাদ হাজৰিকা, বেদ প্ৰকাশ শৰ্মা, অঞ্জন প্ৰতীম গগৈ, দিগন্ত বৰা, জীৱন শইকীয়া, চিন্ময় ভাগৱতী, অমৃতঅংশু গোস্বামীক সদস্যৰূপে লৈ কাৰ্যনিৰ্বাহক সমিতিখন গঠন কৰে। নৰেন্দ্ৰ কুমাৰ গোস্বামীৰ সভাপতিত্বত অনুষ্ঠিত সভাত সাধাৰণ সম্পাদক তন্ময় ভৰদ্বাজে বিগত কাৰ্যকালৰ কৰ্মৰ খতিয়ান আৰু আয়-ব্যয়ৰ হিচাপ দাখিল কৰে। সভাতে বিগত কাৰ্যকালৰ সভাপতি, সাধাৰণ সম্পাদকক পদেন সদস্যৰূপে অন্তৰ্ভুক্ত কৰাৰ লগতে বিশ্ব গোস্বামী, ৰমেন ফুকন, জয়ন্ত পূজাৰী, শংকৰ শৰ্মা, ৰজনী বৰুৱা, অজিত গোস্বামী, অৰূন গোস্বামী, ৰঞ্জু বেজবৰুৱা, মুকুল ভাগৱতী, পলাশ গোস্বামীক উপদেষ্টা হিচাপে অন্তৰ্ভুক্ত কৰাৰ লগতে আগন্তুক বৰ্ষটোৰ আয়-ব্যয়ৰ হিচাপ পৰীক্ষা কৰিবৰ বাবে প্ৰবীণ হাজৰিকাক দায়িত্ব অৰ্পণ কৰা হয়। সভাখনত সংঘটোৰ উন্নয়ন আৰু পৰিচালনাৰ বাবে ৰমেন শইকীয়া, অঞ্জন প্ৰতীম গগৈ, প্ৰতীম পল্লৱ গোস্বামীৰ লগতে ভালেকেইগৰাকীয়ে পৰামৰ্শমূলক বক্তব্য আগবঢ়ায়। সভাখনত ভালেকেইটা প্ৰস্তাৱ আৰু সিদ্ধান্ত গ্ৰহণ কৰা হয়।

# পুৰণিগুদামৰ তিনিটাকৈ নামঘৰত চুৰিকাণ্ড

**অসম বাৰ্তা, পুৰণিগুদাম, ৫ জানুৱাৰী ঃ** নগাঁও জিলাৰ পুৰণিগুদাম আৰক্ষী চকীৰ অন্তৰ্গত পুৰণিগুদামৰ তিনিটাকৈ নামঘৰত যোৱা নিশা চোৰে চাফাই অভিযান চলায়। বৃহত্তৰ পুৰণিগুদাম অঞ্চলত বিভিন্ন সময়ত ঘৰত মানুহ নথকাৰ সুযোগ লৈ কিছুদিন পূৰ্বে কাষৰিগাঁও, বৰাচুককে আদি কৰি বিভিন্ন অঞ্চলত দিনতে চোৰৰ দল প্ৰৱেশ কৰি চুৰি কাৰ্য আৰু নিশা গো-ধন চুৰি কাৰ্য সংঘটিত কৰি অহাৰ ঘটনাৰ মাৰ নৌযাওঁতে যোৱা নিশা পুনৰ তিনিটাকৈ নামঘৰত চোৰৰ হাতুৰি পৰিল। পুৰণিগুদাম গায়ন বৈৰাগী গাঁৱৰ নামঘৰ, বিষয়াচুক গাঁৱৰ নামঘৰ আৰু হাতীগাঁৱৰ নামঘৰত চোৰে তলা ভাঙি সোণ আৰু ৰূপৰ ফুল, বৰতাল, দানপাত্ৰৰ টকা লৈ উধাও হয়। চোৰে বৃহত্তৰ পুৰণিগুদাম অঞ্চলৰ নামঘৰ সমূহত পূৰ্বেও লুটপাত চলাই আহিছে। পুৰণিগুদাম আৰক্ষীৰ দুৰ্বলতাৰ সুযোগ লৈ চোৰে এনে কাৰ্য সংঘটিত কৰিছেবুলি স্থানীয় ৰাইজে আশংকা কৰিছে। স্থানীয় ৰাইজে ঘটনা সন্দৰ্ভত পুৰণিগুদাম আৰক্ষীৰ কাষ চাপি নিশা পহৰাৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ জনাইছে।

# আৰক্ষী বিষয়া দেৱজ্যোতি মুখাৰ্জীলৈ ডিজিপিৰ সোণৰ পদক



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৫ জানুৱাৰী ঃ** অসম আৰক্ষীৰ দক্ষ আৰক্ষী বিষয়া, আই পি এছ দেৱজ্যোতি মুখাৰ্জীক আগবঢ়োৱা হৈছে আৰক্ষী সঞ্চালকপ্ৰধানৰ সোণৰ পদক। বৰ্তমানে মহাপৰিদৰ্শক (আই. জি. পি. সীমান্ত তথা অগ্নি নিৰ্বাপক আৰু জৰুৰীকালীন সেৱা, অসম) হিচাপে কৰ্মৰত মুখাৰ্জীক অসম আৰক্ষীলৈ আগবঢ়োৱা প্ৰশংসনীয় আৰু উৎকৃষ্ট সেৱাৰ বাবে আৰক্ষীসঞ্চালকপ্ৰধানৰ সোণৰ পদক প্ৰদান কৰা হৈছে। উল্লেখ্য যে, তেজপুৰত জন্মগ্ৰহণ কৰা মুখাৰ্জীয়ে শিলং আৰু ধুবুৰীত অধ্যয়ন আৰম্ভ কৰি পৰৱৰ্তী সময়ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অৰ্থনীতি বিভাগত প্ৰথম শ্ৰেণীত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিছিল। ২০০৫ চনৰ আই. পি.এছ বিষয়া মুখাৰ্জীয়ে ইয়াৰ পূৰ্বে ২০২০ চনত কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ পৰা তদন্তৰ উৎকৃষ্টতাৰ পদক আৰু উৎকৃষ্ট সেৱাৰ বাবে পুলিচপদক লাভ কৰিছে। চাকৰিৰ ব্যস্ততাৰ মাজতে গান শুনি আৰু ভ্ৰমণকৰি ভাল পোৱা আইপিএচ মুখাৰ্জী উত্তৰ গুৱাহাটীস্থিত আনন্দৰাম বৰুৱা ভাষা কলা-সংস্কৃতি সংস্থাৰ সঞ্চালক ড° সুদেষ্ণা ভট্টাচাৰ্যৰ স্বামী।

# মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নীতি-আৰ্দশৰে আমি জীয়াই আছো-হাগ্ৰামা মহিলাৰী

# কোকৰাঝাৰ-চিৰাং জিলা শাখাৰ ৰূপালী জয়ন্তী বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা



**অসম বাৰ্তা, বাসুগাঁও, ৫ জানুৱাৰী ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নীতি-আৰ্দশৰে আমি সকলো জাতি জনগোষ্ঠীৰ উন্নয়নৰ কাৰণে কাম কৰিব বিচাৰো। বি টি চিত শান্তি ঐক্য একোতা উন্নয়নৰ বাবে সকলোৰে সহায় সহযোগত একেলগে কাম কৰিব বিচাৰিছোঁ। কোকৰাঝাৰত সুধাকণ্ঠ ড° ভূপেন হাজৰিকা পাৰ্কৰ নামত ত্ৰিশ কোটি, চিলাৰায় পাৰ্কৰ নামত বিশ কোটি, জুবিন গাৰ্গ পাৰ্কৰ নামত বিশ/পঁচিশ কোটি টকা ব্যায় কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে বি টি চি চৰকাৰে। এই বুলি শ্ৰীমন্ত শংকৰদেৱ সংঘ কোকৰাঝাৰ-চিৰাং জিলা শাখাৰ ৰূপালী জয়ন্তী উৎসৱৰ আজিৰ মুকলি ধৰ্মালোচনী সভাত ভাষণ প্ৰসংগত এই কথা ব্যক্ত কৰে বি টি চিৰ মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰী। অনুষ্ঠানটিত ৰূপালী জয়ন্তী উৎসৱ উদযাপন সমিতিৰ সভাপতি অশোক কুমাৰ ভকত বাপৰ সভাপতিত্বত অনুষ্ঠিত সভাত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পদাধিকাৰ ভৱেন্দ্ৰ নাথ ডেকা বাপে বিভিন্ন জাতি-জনগোষ্ঠীৰ ঐক্যৰে বৰ অসম নিৰ্মাণৰ প্ৰচেষ্টা অব্যাহত ৰাখিছিল মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে; এই বুলি তেওঁ কয়। মইনবড়ী সত্ৰৰ ডেকা সত্ৰাধিকাৰ অপূৰ্ব অধিকাৰী, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰধান সম্পাদক কুশল ঠাকুৰীয়া ভাষণ প্ৰদান কৰি বিভিন্ন জাতি-জনগোষ্ঠীৰ ঐক্য-একোতা বান্ধনেৰে বৰ অসম গঢ় দিয়াতো বিচাৰে। অনুষ্ঠানটিত কোকৰাঝাৰ মহাবিদ্যালয়ৰ প্ৰবক্তা ড° নিৰ্মালি দাসৰ গ্ৰন্থ উন্মোচন কৰা হয়। কোকৰাঝাৰ-চিৰাং জিলা শাখাৰ ৰূপালী জয়ন্তী উৎসৱৰ আজি দ্বিতীয় দিনা ৰাতিপুৱা পতাকা উত্তোলন আৰু বৰ্ণাঢ্য সাংস্কৃতিক ভাগৱত শোভাযাত্ৰাৰে অনুষ্ঠানটিৰ জেউতি চৰাইছে। শংকৰী কৃষ্টি-সংস্কৃতি প্ৰদৰ্শনৰ উপৰি কোঁচ ৰাজবংশী, বড়ো, ৰাভা, চাওঁতালী ইত্যাদি জাতি-জনগোষ্ঠীৰ বিভিন্ন কলা-কৃষ্টি প্ৰৰ্দশনেৰে বৰ্ণাঢ্য ভাগৱত শোভাযাত্ৰাই স্থানীয় সকলোকে আপ্লুত কৰে।

## ধৰ্মীয়, সাংস্কৃতিক, শৈক্ষিক আৰু বৌদ্ধিক আলোচনাৰে জীপাল হ'ব চাওলুং চ্যু-কা-ফা ক্ষেত্ৰ

# শিৱসাগৰত পোনপ্ৰথমবাৰৰ বাবে আন্তঃ ৰাষ্ট্ৰীয় মে-ডাম-মে-ফিৰ আয়োজন

## বিশ্ব দৰবাৰলৈ লৈ যোৱা হ'ব মে-ডাম-মে-ফিক; তিনিদিনীয়া কাৰ্যসূচীত অংশ ল'ব আন্তঃৰাষ্ট্ৰীয় বুৰঞ্জীবিদে

**ষ্টাফ ৰিপৰ্টাৰ, শিৱসাগৰ, ৫ জানুৱাৰী ঃ** বৰঅসমৰ চিন্তাৰ মূলকেন্দ্ৰ তথা আহোম ৰাজত্বৰ সোণসেৰীয়া বুৰঞ্জীৰ স্মৃতিৰে সমৃদ্ধ পুৰণি ৰংপুৰ আৰু বৰ্তমানৰ শিৱসাগৰ জিলাত পোনপ্ৰথমবাৰৰ বাবে আয়োজন কৰিবলৈ লোৱা হৈছে আন্তঃৰাষ্ট্ৰীয় মে-ডাম-মে-ফি। বুৰঞ্জীৰ প্ৰতি হাবিয়াস থকা আৰু বুৰঞ্জীৰ ৰস আস্বাদনৰ সদাপ্ৰস্তুত প্ৰতিজন লোকৰ বাবে ইতিবাচক হিচাপে বিবেচিত হ'ব এই আন্তঃৰাষ্ট্ৰীয় মে-ডাম-মে-ফি। ইয়াৰ বাবে বহল পৰিসৰত ইতিমধ্যেই তৎপৰতাৰে আয়োজন চলিছে। বৃহত্তৰ ৰংপুৰ মে-ডাম-মে-ফি উদযাপন সমিতিৰ উদ্যোগত আৰু সদৌ তাই আহোম ছাত্ৰ সন্থা শিৱসাগৰ জিলা সমিতিৰ উদ্যোগত তিনিদিনীয়াকৈ আয়োজিত হ'ব লগা আন্তঃৰাষ্ট্ৰীয় মে-ডাম-মে-ফিৰ আয়োজক সমিতি গঠন সম্পন্ন হৈছে। সভাপতি হিচাপে জেষ্ঠ্য সাংবাদিক ভৈৰৱ মুণ্ডা, সাধাৰণ সম্পাদক সদৌ তাই আহোম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সভাপতি বসন্ত গগৈ, কুশল চেতিয়া আৰু বিদ্যুৎ গগৈক কাৰ্যকৰী সভাপতি কংকন বৰা আৰু পাৰ্থ গগৈক যুটীয়া সম্পাদক, মুখ্য সমন্বয়ক হিচাপে অখিল আহোম, ধমেন গগৈ, আৰু টুটুল সন্দিকৈক লৈ এক শক্তিশালী আয়োজক সমিতি গঠন কৰা হয়। তিনিদিনীয়াকৈ অনুষ্ঠিত হ'ব লগা আন্তঃৰাষ্ট্ৰীয় মে-ডাম-মে-ফিত প্ৰকৃততে কি থাকিব আৰু ইয়াৰ উদ্দেশ্য কি হ'ব তাক লৈ আয়োজক সমিতিয়ে এক সংবাদমেল আয়োজন কৰে। আয়োজক সমিতিৰ সভাপতি ভৈৰৱ মুণ্ডাই সংবাদমেলত তিনিদিনীয়াকৈ অনুষ্ঠিত হ'ব লগা আন্তঃৰাষ্ট্ৰীয় মে-ডাম-মে-ফিৰ বিষয়ে বিশদভাৱে জানিবলৈ দিয়ে। চলিত বছৰৰ সমাগত ৩০ জানুৱাৰী তাৰিখৰ পৰা অনুষ্ঠিত হ'ব লগা আন্তঃৰাষ্ট্ৰীয় মে-ডাম-মে-ফিৰ প্ৰথম দিনটোত আনুষ্ঠানিক পতাকা উত্তোলন আৰু মৈদাম তৰ্পনেৰে প্ৰথম দিনৰ কাৰ্যসূচী আৰম্ভ হ'ব। সমান্তৰালভাৱে নতুন প্ৰজন্মৰ ছাত্ৰ ছাত্ৰী সকলক উৎসাহিত কৰিব পৰাকৈ অনুষ্ঠিত হ'ব বহু কেইখন প্ৰতিযোগিতা। প্ৰথম দিনটোত অৰ্থাৎ ৩০ জানুৱাৰী তাৰিখে পুৱা দহ বজাত ক(কেজি-দ্বিতীয়শ্ৰেণী-মুক্তবিষয়), খ(তৃতীয়-ষষ্ঠশ্ৰেণী-বিষয় আহোমযুগৰ ঐতিহাসিক স্থাপত্য), গ শাখাত (সপ্তম-দশমশ্ৰেণী, বিষয় চাওলুং চ্যু-কা-ফাৰ প্ৰতিমূৰ্তি) আৰু ঘ শাখাত(একাদশ-স্নাতকোত্তৰ শ্ৰেণী, বিষয় সৌমাৰপীঠত চাওলুং চ্যু-কা-ফাৰ আগমন) সম্বন্ধে চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। প্ৰতিটো শাখাৰ শীৰ্ষ তিনিজনলৈ নগদ পুৰস্কাৰ আৰু প্ৰশস্তি পত্ৰ প্ৰদান কৰা হ'ব। উক্ত দিনটোতেই দিনৰ ১১ বজাত যুৱ দলত "ভাৰতৰ ইষ্ট এ" পলিচিৰ প্ৰেক্ষাপটত আৰু দক্ষিণ-পূব এছিয়াত তাই আহোমৰ পুনৰুত্থান আৰু সম্পৰ্ক" বিষয়ত এক শৈক্ষিক কনক্লেভ অনুষ্ঠিত হ'ব। একে সময়তে নৱপ্ৰজন্মক উৎসাহিত কৰিব পৰাকৈ "আহোম ৰাজ্যৰ ধৰ্মীয় সহিষ্ণুতা সাম্প্ৰতিক প্ৰেক্ষাপটত অসমৰ সামাজিক ঐক্য ৰক্ষাৰ উপায়" শীৰ্ষক বিষয়ৰ সদৌ অসম ভিত্তিত তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ক্ৰমাগতভাৱে প্ৰথম, দ্বিতীয়, তৃতীয় আৰু চতুৰ্থ দল হিচাপে ১২০০০, ১০০০০, ৮০০০, ৫০০০ টকা লাভ কৰিব। প্ৰথম, দ্বিতীয় আৰু তৃতীয় শ্ৰেষ্ঠ তাৰ্কিকক ক্ৰমে ৬০০০, ৫০০০, ৪০০০ টকা প্ৰদান কৰা হ'ব। উক্ত দিনটোৰ ১২ বজাত ইতিহাস সম্পৰ্কে অনুষ্ঠিত হ'ব লগা কুইজ প্ৰতিযোগিতাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় পুৰস্কাৰ হিচাপে ক্ৰমে ১০, ০০০, ৭০০০, ৫০০০ টকা পুৰস্কাৰ ধাৰ্য্য কৰা হৈছে। বিয়লি চাৰিবজাত ষ্টিকাৰষ্টৰ্ম দলৰ তত্ত্বাৱধানত ষ্টাৰ্ট আপ আৰু উদ্যোগী সভা অনুষ্ঠিত হ'ব। অসম অলিম্পিক সংস্থাৰ তত্ত্বাৱধানত ৩১ জানুৱাৰী তাৰিখে ৰাষ্ট্ৰীয় পৰ্যায়ত যোৰহাট হোলোঙাপাৰৰ পৰা শিৱসাগৰ দৌলমুখ চাৰিআলিলৈকে অনুষ্ঠিত হ'বলগা মাৰাথান দৌৰৰ বিজয়ী গৰাকীক এক লাখ, দ্বিতীয় আৰু তৃতীয় গৰাকীক ক্ৰমে পঞ্চাছ আৰু পশিচছ হাজাৰ টকা প্ৰদান কৰা হ'ব। চতুৰ্থৰ পৰা অষ্টম স্থানলৈকে দহহাজাৰটকাকৈ সান্ত্বনা পুৰস্কাৰ প্ৰদান কৰা হ'ব। আন্তঃৰাষ্ট্ৰীয় মে-ডাম-মে-ফিত অসম চৰকাৰৰ বহুকেইজন কেবিনেট মন্ত্ৰীৰ উপৰিও কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু পবিত্ৰ মাৰ্ঘেৰিটাই অংশগ্ৰহণ কৰিব। আয়োজক সমিতিয়ে জনোৱা মতে কৃষিমন্ত্ৰী অতুল বৰাৰ উপৰিও মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা উপস্থিত থাকিব। ইয়াৰ উপৰিও থাইলেণ্ড আৰু লাউচৰ প্ৰতিনিধি, শিক্ষামন্ত্ৰী ড° ৰণোজ পেগু, কেবিনেট মন্ত্ৰী যোগেন মহন, বিধায়ক সুশান্ত বৰগোঁহাই, বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰ, অসম উদ্যোগিক নিগম পৰিষদৰ অধ্যক্ষ তপন গগৈ, অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণ জ্যোতি গগৈ, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সভাপতি পলাশ চাংমাই, সদৌ মৰাণ ছাত্ৰ সন্থাৰ সভাপতি পলিন্দ্ৰ বৰা, সদৌ চুতীয়া ছাত্ৰ সন্থাৰ সভাপতি মহেন বৰা, সদৌ চাহ জনগোষ্ঠী ছাত্ৰ সন্থাৰ সভাপতি জগদীশ বৰাইক, সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক সমীৰণ ফুকন, সদৌ কোঁচ ৰাজবংশী ছাত্ৰ সন্থাৰ সম্পাদক বলোৰাম বৰ্মন, সদৌ তাই আহোম ছাত্ৰ সন্থাৰ যুটীয়া সাধাৰণ সম্পাদক দিগন্ত চাংমাই, সদৌ অসম মটক যুৱ ছাত্ৰ সন্মিলনৰ সম্পাদক স্বৰূপ গোহাঁই, বি বি চি এছিয়া পেচিফিক এডিটৰিয়েল লীড শশীন গগৈ নাহৰকটীয়া সমষ্টিৰ বিধায়ক তৰংগ গগৈ, শিৱসাগৰ সমষ্টিৰ বিধায়ক অখিল গগৈ তিনিদিনীয়া মে-ডাম-মে-ফি অনুষ্ঠানত সময় দিয়া অনুসৰি অংশগ্ৰহণ কৰিব। ৩১ জানুৱাৰী তাৰিখে নিশা ৮ বজাত অনুষ্ঠিত হ'ব লগা "সাঁচিপাতৰ পুথিৰ পৰা মই গমধৰ কোঁৱৰে কৈছোঁ" শীৰ্ষক নাটক উদ্বোধন কৰিব গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সব্যসাচী মহন্তই।

## চানডুবি মেলাত লোকেল ফোৰ ভোকেল বিপনী

# উদ্যোগীকৰণৰ জৰিয়তে গ্ৰাম্য মহিলাসকলক সৱলীকৰণ ইডিআইআইৰ

**অসম বাৰ্তা, মিৰ্জা, ৫ জানুৱাৰী ঃ** ভাৰতীয় উদ্যোগীকৰণ বিকাশ প্ৰতিষ্ঠান (ইডিআইআই), আহমেদাবাদে পহিলা জানুৱাৰীৰ পৰা পাঁচ জানুৱাৰীলৈ অনুষ্ঠিত হোৱা বিখ্যাত চানডুবি মেলাত ইয়াৰ প্ৰশিক্ষিত গ্ৰাম্য মহিলা উদ্যোগীসকলৰ সফল নিদৰ্শন দাঙি ধৰিছে। মহিলাসকলে তেওঁলোকৰ থলুৱা সামগ্ৰীসমূহ প্ৰদৰ্শন কৰাৰ সমান্তৰালভাৱে স্থানীয় বিক্ৰী বৃদ্ধি কৰিছিল। উৎসৱৰ সময়ছোৱাত ইডিআইআইৰ বিপনীখনে দৰ্শনাৰ্থীৰ এক আকৰ্ষণীয় খোজৰ সাক্ষী হৈছিল, যিয়ে স্থানীয় হস্তশিল্প, এগ্ৰ' - খাদ্য সামগ্ৰী, আৰু এই প্ৰতিভাৱান মহিলাসকলে নিৰ্মাণ কৰা পৰম্পৰাগত সাজ-পোছাকৰ প্ৰতি ক্ৰমাৎ বৃদ্ধি পোৱা আগ্ৰহক




আগ্ৰহী কৰি তুলিছিল। মহিলাসকলক সবলীকৰণ আৰু উদ্যোগীকৰণৰ জৰিয়তে আত্মবহনক্ষমতাক প্ৰসাৰিত কৰাৰ লক্ষ্যৰে এই পদক্ষেপে স্থানীয় শিল্পীসকলক উন্নীত কৰা আৰু সম্প্ৰদায়ৰ সংযোগক লাভান্বিত কৰাৰ দৃষ্টিভংগীৰ সৈতে নিখুঁতভাৱে মিলি গৈছে। আকৰ্ষণীয় বিক্ৰীয়ে অংশগ্ৰহণকাৰী মহিলা উদ্যোগীসকলক উৎসাহী কৰিছিল। হস্তনিৰ্মিত শিল্পকৰ্ম, এগ্ৰ'-ফুড প্ৰডাক্ট, আৰু পৰম্পৰাগত হেণ্ডলুমৰ সাজ-পোছাককে ধৰি বিভিন্ন ধৰণৰ প্ৰস্তাৱৰ সৈতে, ষ্টলটো স্থানীয় ব্যৱসায়ীসকলক সমৰ্থন কৰিবলৈ আৰু প্ৰামাণিক আঞ্চলিক সামগ্ৰী উৎপাদন কৰিবলৈ আগ্ৰহী উপস্থিতসকলৰ বাবে এক কেন্দ্ৰবিন্দু হৈ পৰিছিল। গুৱাহাটীৰ নেৰোৰ ইডিআইআইৰ প্ৰজেক্ট মেনেজাৰ ৰতন গুহাই কয় যে, "এই অনুষ্ঠানটোৱে সম্প্ৰদায়ৰ সমৰ্থন আৰু উদ্যোগীকৰণৰ শক্তিৰ উদাহৰণ দাঙি ধৰে। দৰ্শনাৰ্থীৰ পৰা অহা উৎসাহ আৰু সৃষ্টি হোৱা বিক্ৰী আমাৰ মহিলা উদ্যোগীসকলৰ কঠোৰ পৰি। ম আৰু প্ৰতিভাৰ প্ৰমাণ। এচেঞ্চুৰৰ সহায়ত আমি এনে মহিলাসকলৰ মাজত আত্মনিৰ্ভৰশীলতাৰ সংস্কৃতি গঢ়ি তুলিছো যিয়ে বাধাসমূহ ভংগ কৰিবলৈ আৰু নিজৰ সুযোগ সৃষ্টি কৰিবলৈ সাজু।" এচেঞ্চুৰৰ পৰা সহায়ৰ সৈতে ইডিআইআইৰ জড়িততাই এই মহিলাসকলক মেণ্টৰশ্বিপ, দক্ষতা বিকাশৰ প্ৰশিক্ষণ, আৰু সম্পদ প্ৰদান কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে, যিয়ে তেওঁলোকক সফল ব্যৱসায়ৰ মালিক হ'বলৈ শক্তিশালী কৰিছে। চানডুবি মেলাৰ দৰে প্ৰতিষ্ঠিত মঞ্চত তেওঁলোকৰ সামগ্ৰীৰ প্ৰচাৰ কৰি এই পদক্ষেপে স্থানীয় কাৰুকাৰ্যক আকোৱালি লোৱা আৰু তৃণমূল পৰ্যায়ৰ উদ্যোগীকৰণক সমৰ্থন কৰাৰ গুৰুত্বক আৰু অধিক শক্তিশালী কৰে।

## বিলাসী বাহনসহ এটা চোৰক কৰায়ত্ত; তিনি চোৰৰ পলায়ন

# গৰুচুৰি চক্ৰৰে দৌলাশাল আৰক্ষীৰ ভয়ংকৰ ঘটনা

**অসম বাৰ্তা, দৌলাশাল, ৬ জানুৱাৰী ঃ** নলবাৰী জিলাৰ মুকালমুৱা থানাৰ অধীনস্ত দৌলাশাল আৰক্ষীৰে নিশা গৰুচুৰি চক্ৰৰ ভয়ংকৰ ঘটনা সংঘটিত হয়। মাজনিশা দৌলাশাল আৰক্ষীৰ টহলদাৰী দল এটাক মহতিয়াই নিয়াৰ অপচেষ্টা চলায় গৰুচুৰি চক্ৰটোৱে। দৌলাশাল আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া জ্যোতি কমল বনিয়াৰ নেতৃত্বত এটি আৰক্ষীৰ দলে নিশা গৰুচুৰি চক্ৰৰ বিৰুদ্ধে সক্ৰিয় হৈ থাকোঁতেই গৰুচুৰি চক্ৰটোৰ স'তে মুখামুখি হয়। চাৰিজনীয়া গৰুচুৰিৰ চক্ৰটোৱে গৰুচুৰিৰ পৰিকল্পনাৰে দৌলাশাল এলেকাধীন অঞ্চলত প্ৰৱেশ কৰিছিল। দৌলাশাল এলেকাধীন কাপলাবড়িত গৰুচুৰি চক্ৰটোৰ বাহন ৰখাবলৈ আৰক্ষীয়ে সংকেত প্ৰদান কৰে যদিও আৰক্ষীৰ ফালে চোঁচা লৈ পলায়ন কৰে গৰুচুৰি চক্ৰটো। মুহূৰ্ততে দৌলাশাল আৰক্ষীয়ে বাহন বিপৰীতে দিশে ঘূৰাই গৰুচুৰি চক্ৰটোক খেদি যায়। কাপলাবড়িৰ ভিতৰুৱা পথ এটাৰে ৮/৯ কিলমিটাৰ খেদি যোৱাত কেকানকুছিত গাড়ীসহ কৰায়ত্ত কৰে চক্ৰটোক। যদিওবা চাৰিজনীয়া গৰুচুৰি চক্ৰটোৰ তিনিটা চোৰ ঘটনাস্থলীৰ পৰা আন্ধাৰৰ সুযোগ লৈ পলায়ন কৰে। এটা চোৰক বিলাসী বাহনসহ কৰায়ত্ত কৰে আৰক্ষীয়ে। ধৃত চোৰটো বৰক্ষেত্ৰীৰ চৰাঞ্চলৰ জৈনুদ্দিন আলী (২৬) বুলি জানিব পৰা গৈছে। আৰক্ষীয়ে জব্দ কৰা গৰুচুৰিত ব্যৱহৃত AS04k2926 নম্বৰৰ বিলাসী বাহনখনৰ পৰা চোকা অস্ত্ৰকে ধৰি গৰুচুৰিত ব্যৱহৃত বিভিন্ন সা-সঁজুলি জব্দ কৰে। মুকালমুৱা থানাৰ অন্তৰ্গত ছাপ্ৰাপাৰা চৰৰ হাবিল আলীৰ পুত্ৰ জৈনুদ্দিন আলীৰ স্বীকাৰোক্তিৰ ভিত্তিত চোৰৰ দলটিৰ মাজৰ পৰা পলায়ন কৰা অন্যতম অভিযুক্ত ৰেজ্জাক আলীৰ বৰপেটাৰ বাসগৃহত দৌলাশাল আৰক্ষীয়ে পুৱতিনিশা অভিযান চলাই আপত্তিজক সামগ্ৰী আৰু নগদ ধন জব্দ কৰে। উল্লেখ্য যে গৰুচুৰি চক্ৰটোৱে বিলাসী বাহনখনৰ নম্বৰ প্লেট সলনি কৰি দৌলাশাল-মুকালমুৱা অঞ্চলত সঘনাই চুৰিকাৰ্য সংঘটিত কৰি আহিছিল। বিগত কিছুমাহ ধৰি মুকালমুৱা আৰু দৌলাশাল অঞ্চলত কুখ্যাত গৰুচুৰি চক্ৰটোৱে চলাই আহিছিল সন্ত্ৰাস। পূৰ্বে কেইবাবাৰো দৌলাশাল আৰক্ষীয়ে গৰুচুৰি চক্ৰটোক কৰায়ত্ত কৰিবলৈ চেষ্টা চলাইছিল যদিও আন্ধাৰৰ সুযোগ লৈ পলায়ন কৰিছিল চক্ৰটো। আন্ধাৰৰ সুযোগ গ্ৰহণ কৰি পলায়ন কৰা তিনি চোৰৰ সন্ধানত অভিযান অব্যাহত ৰাখিছে বুলি দৌলাশাল আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া জ্যোতি কমল বনিয়াই জানিবলৈ দিয়ে।

# ভাৰতৰ ওপৰত শুল্ক বৃদ্ধিৰ

জৰিয়তে গ্ৰেপ্তাৰ কৰি আমেৰিকালৈ লৈ যোৱাৰ ঘটনাই বিশ্বজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। এই কাৰ্যক লৈ বিশ্বৰ বিভিন্ন দেশৰ পৰা আমেৰিকান ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ ওপৰত কঠোৰ সমালোচনাৰ ঝড় উঠিছে। কিন্তু এনে নিন্দা-সমালোচনাক আওকাণ কৰি ট্ৰাম্পে এইবাৰ ভাৰতক লক্ষ্য কৰি বাণিজ্যিক শুল্ক বৃদ্ধিৰ নতুন ভাবুকি দিছে। ট্ৰাম্পৰ এই ভাবুকিৰ মূল কাৰণ হৈছে ৰাছিয়াৰ পৰা ভাৰতে কৰা খাৰুৱা তেলৰ আমদানিৰ বৰ্ধিত পৰিমাণ। শেহতীয়া এক বক্তব্যত ট্ৰাম্পে ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক "অতি দক্ষ আৰু ভাল ব্যক্তি" বুলি প্ৰশংসা কৰাৰ লগতে ভাৰতৰ বাণিজ্যিক নীতিৰ প্ৰতি অসন্তোষ প্ৰকাশ কৰিছে। তেওঁ স্পষ্টভাৱে কয় যে মোদীয়ে ভালদৰে জানে যে ৰাছিয়াৰ পৰা তেল ক্ৰয় কৰাৰ বিষয়ত তেওঁ সুখী নহয়। ট্ৰাম্পৰ মতে, ভাৰতে আমেৰিকাৰ সৈতে বিপুল পৰিমাণৰ ব্যৱসায় কৰাৰ বাবে আমেৰিকাই ইচ্ছা কৰিলে অতি সোনকালে ভাৰতীয় সামগ্ৰীৰ ওপৰত শুল্ক বৃদ্ধি কৰি মোদী চৰকাৰক চাপত পেলাব পাৰে। চৰকাৰী তথ্য অনুসৰি, ২০২৫ চনৰ নৱেম্বৰ মাহত ভাৰতে ৰাছিয়াৰ পৰা কৰা তেল আমদানি যোৱা ছয় মাহৰ ভিতৰত সৰ্বোচ্চ স্তৰত উপনীত হৈছে। বৰ্তমান ভাৰতৰ মুঠ তেল আমদানিৰ প্ৰায় ৩৫ শতাংশ আহে ৰাছিয়াৰ পৰা। নৱেম্বৰত ভাৰতে ৰাছিয়াৰ পৰা প্ৰায় ৭.৭ নিযুত টন খাৰুৱা তেল ক্ৰয় কৰিছে, যাৰ মূল্য প্ৰায় ৩.৭ বিলিয়ন আমেৰিকান ডলাৰ। উল্লেখ্য যে, ২০২৫ চনৰ আগষ্ট মাহত আমেৰিকাই ৰাছিয়াৰ পৰা তেল ক্ৰয় কৰাৰ শাস্তি হিচাপে ভাৰতীয় সামগ্ৰীৰ ওপৰত আমদানি শুল্ক ২৫ শতাংশৰ পৰা বৃদ্ধি কৰি ৫০ শতাংশলৈ উন্নীত কৰিছিল। এই সিদ্ধান্তই দুয়োখন দেশৰ বাণিজ্যিক সম্পৰ্কত যথেষ্ট তিক্ততাৰ সৃষ্টি কৰিছে আৰু ভাৰতীয় ৰপ্তানিৰ ওপৰত প্ৰভাৱ পেলাইছে। আমেৰিকাৰ এনে চাপ সত্ত্বেও ভাৰতে এক সন্তুলিত আৰু চতুৰ কূটনৈতিক নীতি অৱলম্বন কৰি আহিছে। তথ্যই দেখুৱাইছে যে ভাৰতে কেৱল ৰাছিয়াৰ পৰাই নহয়, আমেৰিকাৰ পৰাও তেল আমদানি উল্লেখযোগ্যভাৱে বৃদ্ধি কৰিছে। ২০২৫ চনৰ নৱেম্বৰ মাহত আমেৰিকাৰ পৰা ভাৰতৰ তেল আমদানি যোৱা সাত মাহৰ ভিতৰত সৰ্বোচ্চ স্তৰত উপনীত হৈ প্ৰায় ২.৮ নিযুত টন হৈছে। ইয়াৰ ফলত ভাৰতৰ তেল বজাৰত আমেৰিকাৰ অংশীদাৰিত্ব ৪.২ শতাংশৰ পৰা বৃদ্ধি পাই ১২.৬ শতাংশলৈ উন্নীত হৈছে। এই পৰিসংখ্যাই স্পষ্ট কৰে যে ভাৰতে নিজৰ শক্তিৰ চাহিদা পূৰণৰ বাবে কোনো এটা দেশৰ ওপৰত সম্পূৰ্ণৰূপে নিৰ্ভৰ নকৰি বিভিন্ন উৎসৰ পৰা ভাৰসাম্য ৰক্ষা কৰিবলৈ চেষ্টা চলাইছে। তথাপি ট্ৰাম্পৰ শেহতীয়া হুংকাৰে আগন্তুক দিনত ভাৰত-আমেৰিকাৰ বাণিজ্যিক সম্পৰ্ক কোন দিশে মোড় লয়, সেয়া লক্ষ্য কৰিবলগীয়া হ'ব। পৰ্যবেক্ষকে মত প্ৰকাশ কৰিছে যে এনে পৰিস্থিতিয়ে দুয়োখন দেশৰ মাজত বাণিজ্যিক আলোচনাক আৰু জটিল কৰি তুলিব পাৰে।

# বাংলাদেশত আইপিএল সম্প্ৰচাৰত নিষেধাজ্ঞা

কাৰণ হৈছে ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদে (বিচিচিআই) বাংলাদেশী তাৰকা পেচাৰ মুস্তাফিজুৰ ৰহমানক কলকাতা নাইট ৰাইডাৰ্ছ (কে কে আৰ) দলৰ পৰা বাদ দিয়াৰ নিৰ্দেশ জাৰি কৰা। বাংলাদেশৰ তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ে জাৰি কৰা এক বিবৃতিত স্পষ্টভাৱে উল্লেখ কৰা হৈছে যে, দেশখনৰ কোনো টেলিভিছন চেনেল বা ডিজিটেল প্লেটফৰ্মত আই পি এলৰ খেলসমূহ বা সম্পৰ্কীয় অনুষ্ঠান প্ৰচাৰ কৰিব নোৱাৰিব। এই নিষেধাজ্ঞা অনিৰ্দিষ্টকালীনভাৱে বলবৎ হৈ থাকিব। উল্লেখ্য যে, ডিচেম্বৰ মাহত অনুষ্ঠিত আই পি এল ২০২৬ৰ মিনি নিলামত কে কে আৰে মুস্তাফিজুৰক ৯.২ কোটি টকাত ক্ৰয় কৰিছিল। কিন্তু শেহতীয়া দ্বিপাক্ষিক সম্পৰ্কৰ তিক্ততাৰ প্ৰেক্ষাপটত বিচিচিআইৰ সম্পাদক দেৱজিৎ শইকীয়াই "শেহতীয়া পৰিস্থিতিৰ পৰ্যালোচনা"ৰ কথা উল্লেখ কৰি ফ্ৰেঞ্চাইজিক মুস্তাফিজুৰক মুকলি কৰিবলৈ নিৰ্দেশ দিয়ে। বিচিচিআইৰ এই সিদ্ধান্তৰ পিছত কে কে আৰে খেলুৱৈজনক দলৰ পৰা বাদ দিয়ে। বাংলাদেশত এই ঘটনাই ব্যাপক ক্ষোভৰ সৃষ্টি কৰিছে আৰু চৰকাৰে ইয়াক ৰাষ্ট্ৰীয় অপমান হিচাপে গণ্য কৰিছে। ইপিনে, বাংলাদেশৰ যুৱ আৰু ক্ৰীড়া উপদেষ্টা ড° আছিফ নজৰুলে ছ'চিয়েল মিডিয়াত পোষ্ট কৰি মুস্তাফিজুৰৰ সৈতে হোৱা ব্যৱহাৰক তীব্ৰভাৱে নিন্দা কৰিছে। তেওঁ লিখিছে যে, বাংলাদেশী ক্ৰিকেটাৰৰ এনে অপমান কোনো কাৰণতে সহ্য কৰা নহ'ব। এই বিতৰ্কই কেৱল আই পি এলতে সীমাবদ্ধ নাথাকি আন্তৰ্জাতিক ক্ৰিকেটলৈও বিস্তাৰিত হৈছে। বাংলাদেশ ক্ৰিকেট ব'ৰ্ডে (বিচিবি) আই চি চিৰ ওচৰত আনুষ্ঠানিক আবেদন কৰি ২০২৬ টি-২০ বিশ্বকাপৰ নিজৰ সকলো খেল ভাৰতৰ পৰা স্থানান্তৰ কৰি শ্ৰীলংকালৈ লৈ যোৱাৰ দাবী জনাইছে। খেলুৱৈ তথা দলৰ সুৰক্ষাৰ কথা উল্লেখ কৰি বিচিবিয়ে কৈছে যে, বৰ্তমান পৰিস্থিতিত ভাৰতলৈ যোৱা সম্ভৱ নহয়। পৰ্যবেক্ষকসকলে মন্তব্য কৰিছে যে, দুয়োখন দেশৰ মাজত শেহতীয়াকৈ উত্থান হোৱা ৰাজনৈতিক তিক্ততাই ক্ৰিকেটৰ মাজলৈ সোমাই আহিছে। ভাৰতত কেইবাটাও ৰাজনৈতিক আৰু সামাজিক সংগঠনে বাংলাদেশত সংখ্যালঘু সম্প্ৰদায়ৰ ওপৰত হোৱা আক্ৰমণৰ প্ৰতিবাদত বাংলাদেশী খেলুৱৈৰ আই পি এলত অংশগ্ৰহণৰ বিৰোধিতা কৰি আহিছিল। এই পৰিপ্ৰেক্ষিততে বিচিচিআইৰ সিদ্ধান্ত লোৱা হৈছে বুলি ধাৰণা কৰা হৈছে। আই পি এলৰ সম্প্ৰচাৰ বাংলাদেশত সদায়ে অতি জনপ্ৰিয় আছিল আৰু দেশখনৰ ক্ৰিকেটপ্ৰেমীসকলৰ বাবে এই নিষেধাজ্ঞাই এক বৃহৎ আঘাত। কিন্তু বৰ্তমানৰ পৰিস্থিতিয়ে দুয়োখন দেশৰ ক্ৰিকেট সম্পৰ্কৰ ভৱিষ্যতক লৈ প্ৰশ্ন উত্থাপন কৰিছে। আই চি চি আৰু বিচিচিআইৰ পৰা এতিয়াও এই বিষয়ে কোনো আনুষ্ঠানিক প্ৰতিক্ৰিয়া অহা নাই।

# চাহ শ্ৰমিকসকলৰ বাবে ৫,০০০ টকাৰ

ঘোষণা কৰিছে। 'এটি কলি দুটি পাত' শীৰ্ষক এই কাৰ্যসূচীৰ জৰিয়তে প্ৰতিজন চাহ শ্ৰমিকক এককালীন ৫, ০০০ টকাৰ আৰ্থিক সাহায্য প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছে। ছ'চিয়েল মিডিয়াত পোষ্ট কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে লিখিছে, "অসম চাহৰ ২০০ বছৰীয়া ঐতিহ্যৰ প্ৰতি সন্মান জনাই আমাৰ চৰকাৰে ইতিমধ্যে কেইবাটাও ঐতিহাসিক পদক্ষেপ গ্ৰহণ কৰিছে। সেই প্ৰয়াসকে আৰু এখোজ আগুৱাই নিয়াৰ উদ্দেশ্যে এইবাৰ 'এটি কলি দুটি পাত' শীৰ্ষক কাৰ্যসূচীৰ জৰিয়তে চাহ বাগিচাৰ সকলো শ্ৰমিক-কৰ্মচাৰীলৈ ৫, ০০০ টকাকৈ এককালীন সাহায্য আগবঢ়োৱাৰ সিদ্ধান্ত লোৱা হৈছে।" এই ঘোষণাৰ জৰিয়তে ৰাজ্যৰ প্ৰায় ৬ লাখৰো অধিক চাহ শ্ৰমিক আৰু কৰ্মচাৰী উপকৃত হ'ব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰিছে। চাহ জনগোষ্ঠীৰ এই বিশাল সম্প্ৰদায়ে অসমৰ অৰ্থনীতিৰ মেৰুদণ্ড হিচাপে কাম কৰি অহাৰ লগতে ৰাজ্যৰ সাংস্কৃতিক পৰিচয় গঢ়ি তোলাত তেওঁলোকৰ অৱদানক স্বীকৃতি দিয়াৰ এয়ে এক প্ৰয়াস বুলি তেওঁ মন্তব্য কৰিছে। এই আৰ্থিক সাহায্যই শ্ৰমিকসকলক তাৎক্ষণিক সঁকাহ প্ৰদান কৰাৰ লগতে তেওঁলোকৰ জীৱনমান উন্নত কৰাত সহায়ক হ'ব বুলি আশা কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে লগতে জনাইছে যে, শীঘ্ৰেই এই আঁচনিৰ বিতং তথ্য চাহ জনগোষ্ঠীৰ ৰাইজক অৱগত কৰা হ'ব আৰু প্ৰক্ৰিয়াটো সুচাৰুৰূপে ৰূপায়ণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। অসম চাহৰ বিশ্ববিখ্যাত ব্ৰেণ্ড গঢ়ি তোলাৰ ক্ষেত্ৰত চাহ শ্ৰমিকসকলৰ অক্লান্ত পৰিশ্ৰমক সন্মান জনোৱাৰ এই পদক্ষেপক চাহ উদ্যোগৰ সৈতে জড়িত সকলোৱে স্বাগতম জনাইছে। এই ঘোষণাই ৰাজ্যৰ চাহ উদ্যোগৰ ঐতিহ্য সংৰক্ষণ আৰু শ্ৰমিকসকলৰ কল্যাণৰ প্ৰতি চৰকাৰৰ দায়বদ্ধতাক পুনৰ উজ্জ্বল কৰি তুলিছে। চাহ বাগিচাসমূহৰ শ্ৰমিকসকলে দীৰ্ঘদিন ধৰি বিভিন্ন সমস্যাৰ সন্মুখীন হৈ অহাৰ মাজত এনে এক সাহায্যই তেওঁলোকৰ মনোবল বৃদ্ধি কৰিব বুলি বিশ্বাস কৰা হৈছে।

# বিয়া পাতিবলৈও টিকট

ওপৰত একাধিক বিস্ফোৰক অভিযোগ উত্থাপন কৰিছে। তেওঁ কয় যে, কংগ্ৰেছৰ নেতাসকলে টিকট বিক্ৰিৰ নামত ৩ৰ পৰা ৫ কোটি টকালৈকে সংগ্ৰহ কৰিছে আৰু কোনো কোনো ক্ষেত্ৰত বিয়া পাতিবলৈও টিকট দিয়াৰ প্ৰতিশ্ৰুতি দি ধন লৈছে। গুৱাহাটীৰ খানাপাৰা অঞ্চলত ৰাজ্যিক বিজেপি সভাপতি দিলীপ শইকীয়াৰ উপস্থিতিত দেৱাল লিখন অভিযানৰ আনুষ্ঠানিক উদ্বোধন কৰে মুখ্যমন্ত্ৰীগৰাকীয়ে। এই অনুষ্ঠানৰ পিছতে সাংবাদিকৰ সৈতে মত বিনিময় কৰি তেওঁ কয়, "বিজেপি নিৰ্বাচনৰ বাবে সম্পূৰ্ণৰূপে সাজু হৈছে। আজিৰ পৰা সমগ্ৰ ৰাজ্যতে দেৱাল লিখন কাৰ্যসূচী আৰম্ভ হৈছে। দলৰ কাৰ্যকৰ্তাৰ লগতে মন্ত্ৰী-বিধায়কসকলে বিভিন্ন ঠাইত এই অভিযানত অংশগ্ৰহণ কৰিব। দেৱালৰ গৰাকীৰ অনুমতি লৈহে লিখন কৰা হ'ব, যাৰ জৰিয়তে এক প্ৰকাৰে গণসংযোগো স্থাপন হ'ব।" তেওঁ লগতে উল্লেখ কৰে যে, দেৱালসমূহত বিগত দহ বছৰৰ উন্নয়নৰ খতিয়ান দাঙি ধৰা হ'ব। 'অসমৰ সুৰক্ষা, বিজেপিৰ প্ৰতিজ্ঞা', 'বিকশিত অসম, জয় আই অসম' আদি শ্লোগানৰ জৰিয়তে ৰাইজৰ মাজলৈ বাৰ্তা প্ৰেৰণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। টিকট বিতৰণ প্ৰক্ৰিয়া সন্দৰ্ভত আত্মবিশ্বাস প্ৰকাশ কৰি তেওঁ কয়, "বিজেপিত টিকট প্ৰত্যাশীৰ ভিৰ দেখা নাই। আধাতকৈ অধিক সমষ্টিত এজনহে প্ৰাৰ্থী আছে। দহ-বাৰটা সমষ্টিতহে একাধিক প্ৰাৰ্থী থাকিব পাৰে। আজিয়েই ৫০টা সমষ্টিৰ প্ৰাৰ্থী ঘোষণা কৰিব পাৰিলোঁহেঁতেন। বিজেপিত টিকটৰ বিনিময়ত ধন লোৱা নহয়, বুথৰ পৰা আৰম্ভ কৰি নিৰ্দিষ্ট প্ৰক্ৰিয়াৰে প্ৰাৰ্থী নিৰ্বাচন কৰা হয়।" কংগ্ৰেছৰ ওপৰত তীব্ৰ কটাক্ষ কৰি মুখ্যমন্ত্ৰীয়ে কয়, "কংগ্ৰেছৰ নেতাসকলে টিকট দিয়াৰ নামত ৩-৫ কোটি টকাকৈ সংগ্ৰহ কৰিছে। কোনো কোনোৱে বিয়া পাতিবলৈও টিকট দিয়াৰ প্ৰতিশ্ৰুতি দি এডভান্স লৈছে। ২২ৰ পৰা ২৩টা সমষ্টিত এনে ঘটনা ঘটিছে। মিঞা সমাজৰ দুৰ্ভাগ্য যে, তেওঁলোকে কংগ্ৰেছক ভোট দিয়ে, টকাও দিয়ে, কিন্তু উচ্ছেদৰ সময়ত কংগ্ৰেছে সহায় নকৰে।" দেৱব্ৰত শইকীয়াৰ অভিযোগৰ প্ৰত্যুত্তৰত তেওঁ কয়, "মোৰ এজেণ্টবোৰে ৫০ হাজাৰ টকা দিব নোৱাৰিব নেকি? যিসকলে কংগ্ৰেছত থাকোঁতে মোৰ লগত মন্ত্ৰী-বিধায়ক আছিল, তেওঁলোকে দিব নোৱাৰিব নেকি?" শিৱসাগৰ সমষ্টিৰ প্ৰসংগত অখিল গগৈৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, "শিৱসাগৰত মই নিৰ্বাচন খেলিলে ঠগোৱা হ'ব, কাৰণ মই তাত নিয়মীয়াকৈ যাব নোৱাৰিম। দলৰ ৫-৬জন কাৰ্যকৰ্তা আছে যিসকলে অখিল গগৈক পৰাজিত কৰিব পাৰে।" অগপৰ সৈতে আসন বুজাবুজি সন্দৰ্ভত তেওঁ জানিবলৈ দিয়ে যে, ৰাজ্যিক সভাপতিৰ মাজত আলোচনা চলি আছে আৰু ফেব্ৰুৱাৰী মাহৰ মাজভাগলৈ চূড়ান্ত হ'ব পাৰে। জিলা সভাপতিসকলৰ টিকট প্ৰত্যাশাৰ কথা উল্লেখ কৰি তেওঁ কয় যে, পদবী দিয়াৰ সময়তে স্পষ্ট কৰি দিয়া হৈছিল যে তেওঁলোকে টিকট নিবিচাৰিব। এই দেৱাল লিখন অভিযানে বিজেপিৰ নিৰ্বাচনী প্ৰচাৰৰ এক নতুন অধ্যায়ৰ সূচনা কৰিছে বুলি ৰাজনৈতিক পৰ্যবেক্ষকসকলে মন্তব্য কৰিছে।

# মাঘ বিহুৰ আগে-পিছে

ৰূপৰেখা নিৰ্ধাৰণ হ'ব। বিৰোধী দলসমূহ একত্ৰিত হৈ ভোট বিভাজন ৰোধ কৰি সৰ্বশক্তিৰে নিৰ্বাচনত জঁপিয়াই পৰিবলৈ সাজু হৈছোঁ। আমি দৃঢ়তাৰে বিশ্বাস কৰোঁ যে, বিৰোধী ঐক্যবদ্ধ হ'লে বিজেপিৰ নিস্তাৰ নাই।" তেওঁ লগতে উল্লেখ কৰে যে, পৰস্পৰৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি আগবাঢ়িলে সাধাৰণ জনতাৰ মাজত এক ইতিবাচক বাৰ্তা দিব পৰা যাব। বিৰোধীৰ এই ঐক্যই ৰাইজে বিচৰা ৰাজনৈতিক পৰিৱেশ সৃষ্টি কৰিব বুলি তেওঁ আশাবাদী। তেওঁ কয়, "খচৰা ভোটাৰ তালিকাত কিছু অচিনাকি ব্যক্তিৰ নাম সন্নিবিষ্ট হোৱা দেখা গৈছে। বিহাৰৰ নিৰ্বাচনৰ ফলাফলৰ পিছতে অসমতো বিশেষ পুনৰীক্ষণৰ সিদ্ধান্ত লোৱা হৈছিল, যাৰ ফলত ৰাইজৰ মাজত সন্দেহৰ সৃষ্টি হৈছে। থলুৱা পৰিয়ালত 'যাদৱ' উপাধিৰ অচিনাকি লোকৰ নাম অন্তৰ্ভুক্ত হোৱাটোৱে আমাৰ পূৰ্বৰ আশংকাক বাস্তৱত পৰিণত কৰিছে। এয়ে ৰাজনৈতিক মুনাফাৰ বাবে কৰা প্ৰয়াসৰ আভাস দিছে।" নিৰ্বাচন আয়োগক এই বিষয়ে গুৰুত্বসহকাৰে লোৱাৰ আহ্বান জনাই তেওঁ কয়, "দেশৰ নিৰ্বাচন আয়োগে এই বিষয়ত তৎপৰতাৰে ব্যৱস্থা গ্ৰহণ কৰক। বৰ্তমান বিজেপি চৰকাৰ আছে, কিন্তু সৰ্বকালৰ বাবে নাথাকিব। নিৰ্বাচন আয়োগে কোনো এটা দলৰ পক্ষত কাম কৰাৰ অভিযোগ সুস্থ গণতন্ত্ৰৰ বাবে ভাল নহয়। বাহিৰৰ পৰা লোক অন্তৰ্ভুক্ত কৰা বা স্থানীয় লোকৰ নাম কৰ্তন কৰাৰ দায়িত্ব নিৰ্বাচন আয়োগে ৰোধ কৰিব লাগে। সকলো ৰাজনৈতিক দলে এই বিষয়ত সতৰ্ক দৃষ্টি ৰাখিব লাগিব আৰু বুথ লেভেল এজেণ্টসকলৰো জাতীয় দায়িত্ব আছে যাতে অসমৰ ৰাজনৈতিক অধিকাৰত বাহিৰৰ লোকে নিৰ্ণায়ক ভূমিকা পালন নকৰে।" প্ৰাৰ্থী নিৰ্বাচনৰ কথা উল্লেখ কৰি গগৈয়ে কয়, "প্ৰাৰ্থী ঘোষণা কৰাটোৱে নহয়, জয়লাভ কৰাটোহে মুখ্য। জয়ৰ সম্ভাৱনা থকা প্ৰাৰ্থীকহে প্ৰাধান্য দিয়া উচিত। সকলো বিৰোধী দলে ঐক্যবদ্ধভাৱে সহায় কৰিলেহে চৰকাৰ গঠন সম্ভৱ।" নিজৰ প্ৰতিদ্বন্দ্বিতাৰ স্থান সন্দৰ্ভত তেওঁ কয় যে, দলৰ মজিয়াত আলোচনা চলি আছে আৰু য'ত প্ৰয়োজন সেই সমষ্টিৰ পৰাহে প্ৰতিদ্বন্দ্বিতা কৰিব। খোৱাং সমষ্টিৰ চৰ্চাৰ মাজতে তেওঁ স্পষ্ট কৰে যে, বিশ্লেষণৰ পিছতহে চূড়ান্ত সিদ্ধান্ত লোৱা হ'ব। লগতে, ৰাজেন গোহাঁইৰ প্ৰতিদ্বন্দ্বিতাৰ বিষয়েও দলত আলোচনা চলি আছে বুলি তেওঁ উল্লেখ কৰে। বিৰোধী শিবিৰৰ এই ঐক্যৰ প্ৰয়াসে ৰাজ্যৰ ৰাজনৈতিক পৰিৱেশত নতুন মাত্ৰা যোগ কৰিছে বুলি পৰ্যবেক্ষকসকলে মন্তব্য কৰিছে।

# উৰিয়ামঘাট উচ্ছেদৰ প্ৰভাৱত

যে উৰিয়ামঘাটত চলি থকা উচ্ছেদ অভিযানৰ ফলত কমেও ১২ হাজাৰ লোকৰ নাম ভোটাৰ তালিকাৰ পৰা কৰ্তন কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে এই মন্তব্য কৰি কয় যে, যদি এনে পদক্ষেপ নল'লে এই ১২ হাজাৰ লোকে সৰুপথাৰ সমষ্টিৰ নিৰ্বাচনী ফলাফল ওলোটা-পালোটা কৰি দিব পাৰিলেহেঁতেন। তেওঁ লগতে কয়, "উচ্ছেদ আজিও তেজপুৰত চলি আছে আৰু এতিয়ালৈকে ডেৰ লাখ বিঘা ভূমি মুকলি কৰা হৈছে। এই কামৰ ফলত অসমীয়া মানুহৰ কিমান লাভ হৈছে, সেই কথা আমি সদায় মনত ৰাখিব লাগিব।" সৰুপথাৰৰ বৰপথাৰত আয়োজিত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণ কাৰ্যসূচীত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীয়ে এই মন্তব্য প্ৰকাশ কৰে। একে অনুষ্ঠানতে তেওঁ সমষ্টিটোত মুঠ ৭২ কোটি টকাৰ ব্যয়সাপেক্ষে কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ শুভ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। উদ্বোধন কৰা প্ৰধান প্ৰকল্পসমূহৰ ভিতৰত আছে লাভলীনা বৰগোহাঁই ক্ৰীড়া প্ৰকল্প (১২ কোটি টকা), বৰপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নতুন গৃহ (৮ কোটি টকা), বৰপথাৰ শিশু উদ্যান (২ কোটি টকা) আৰু বৰপথাৰ গেলাবিল আৰু দুবৰণি পথৰ উন্নয়ন (১২ কোটি টকা)। ইয়াৰ উপৰি আধাৰশিলা স্থাপন কৰা হয় বৰপথাৰৰ পৰা গোলাঘাটলৈ অসম মালা পথৰ প্ৰথম খণ্ড (২৫ কোটি টকা) আৰু মিছামাৰী বিলপথাৰ অভংপথাৰ শ্যামগাঁও মথাউৰি পথৰ (১৩ কোটি টকা)। এই কাৰ্যসূচীত মুখ্যমন্ত্ৰীয়ে সমষ্টিটোৰ ২৩, ৭৫৪ গৰাকী হিতাধিকাৰিণী মহিলাৰ মাজত মহিলা উদ্যমিতা আঁচনিৰ ধনৰাশিৰ চেক বিতৰণ কৰে। আত্মসহায়ক গোটৰ মহিলাসকলে এই আঁচনিৰ জৰিয়তে উদ্যোগী হৈ নিজৰ আৰ্থিক স্বাৱলম্বিতা লাভ কৰিব পাৰিব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। সংবাদ মাধ্যমৰ সন্মুখত মুখ্যমন্ত্ৰীয়ে কংগ্ৰেছৰ দুজন নেতাক কটাক্ষ কৰাৰ লগতে উৰিয়ামঘাটত গছপুলি ৰোপণৰ প্ৰসংগ আৰু অসম-নাগালেণ্ড সীমান্তত নগা দুষ্কৃতিকাৰীয়ে অসমীয়াৰ ঘৰ-দুৱাৰ জ্বলাই দিয়াৰ ঘটনাক লৈ কেইবাটাও তীক্ষ্ণ মন্তব্য প্ৰকাশ কৰে। তেওঁৰ মতে, চৰকাৰৰ উচ্ছেদ অভিযানে অসমীয়া জাতিৰ স্বাৰ্থ ৰক্ষা কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। উল্লেখ্য যে, অসম চৰকাৰে বিগত কেইমাহমান ধৰি বিভিন্ন অঞ্চলত বেদখল উচ্ছেদ অভিযান তীব্ৰতৰ কৰিছে। তেজপুৰৰ লগতে বুঢ়াচাপৰি অভয়াৰণ্য আদিতো এনে অভিযান চলি আছে। এই পৰিপ্ৰেক্ষিতত মুখ্যমন্ত্ৰীৰ শেহতীয়া মন্তব্যই ৰাজনৈতিক মহলত নতুন চৰ্চাৰ সৃষ্টি কৰিছে।

# সংকটৰ গৰাহত আন্তঃৰাষ্ট্ৰীয়

বনভোজ দলে ভিৰ কৰা পৰিলক্ষিত হয়। ব্যস্ততাৰ মাজতো নিজৰ লগতে পৰিয়াল, বন্ধু-বান্ধৱ তথা প্ৰিয়জনৰ সৈতে নতুন বছৰত আনন্দ-স্ফূৰ্তিৰে লগে-ভাগে এসাঁজ খোৱাৰ আনন্দই বেছ সুকীয়া বুলিব পাৰি। নতুন বছৰৰ প্ৰথমটো দেওবাৰৰ দিনটোত এনেদৰে এসাঁজ জুতি লোৱাৰ লগতে এক বিনন্দীয়া নৈসৰ্গিক তথা প্ৰাকৃতিক পৰিৱেশত অতিবাহিত কৰাৰ উদ্দেশ্যেৰে কালি মাগুৰি মতাপুং বিলত বনভোজ দলে ব্যাপক ভিৰ কৰে। ডেকা-গাভৰু, বয়োজ্যেষ্ঠ-সকলোৱে নাচি-বাগি আনন্দ-উল্লাস কৰে। তিনিচুকীয়া, ডিব্ৰুগড় জিলাৰ বিভিন্ন প্ৰান্তৰ লগতে দূৰ-দূৰণিৰ পৰা অহা যুৱক-যুৱতী তথা বনভোজকাৰী দলসমূহে বিলৰ পাৰত মাছে-মাংসৰে পৰম তৃপ্তিৰে এসাঁজ খোৱাৰ লগতে আনন্দত আত্মহাৰা হৈ পৰে। প্ৰকৃতিৰ কোলাত দিনটো অতিবাহিত কৰে। নিজৰ মাজতেই আনন্দ-ফূৰ্তি কৰি মচগুল হৈ পৰে সকলো। প্ৰকৃতিৰ ৰম্যভূমিস্বৰূপ মাগুৰি মতাপুং বিলত এই সময়খিনিত প্ৰতিবছৰেই এইদৰে ভিৰ কৰে বহু বনভোজকাৰী দলে। ইয়াৰে বহুতে নাৱত উঠিও মনত প্ৰশান্তি অনুভৱ কৰে। উল্লেখ্য যে, পানীডুবি, কৈলাঙী, মণিয়ৰী, কণামুচৰি, গো-বগ, মাজু-বগ, বামুণী-বগ, ইটাগুড়ীয়া, শামুকভঙা, বৰটোকোলা, কিকি হাঁহ, বগা চিলনী, মৌ-খাপ, কোৢৰা চৰাই, দলমৰা, বালিঘোৰা, চেকচেকী, পাতসিয়া, ঢাপলিকা, দহিকতৰা, শিলকতৰা, পথৰুৱা মাটিমাহী ইত্যাদি পক্ষীৰ বিচৰণস্থলী মাগুৰি মতাপুং বিলত প্ৰতি বছৰৰ অ'ক্টোবৰৰ পৰা মাৰ্চ মাহলৈ ভিন্ন প্ৰজাতিৰ পৰিভ্ৰমী পক্ষীয়ে এক মনোমোহা পৰিৱেশ সৃষ্টি কৰে। বিশ্ব কঁপাই যোৱা বাঘজানৰ BGR 5 No. তৈল খাদৰ বিস্ফোৰণৰ পাছত মাগুৰি মতাপুং বিলৰ বিভিন্ন চৰাই-চিৰিকতি, মাছ-কাছ, শিশু আদিকে ধৰি বিভিন্ন জীৱ-জন্তু মৃত্যুমুখত পৰাই নহয় এক কথাত বাঘজান, বাৰেকুৰি, নতুন ৰঙাগড়া, মতাপুং হাতীবাট আদি অঞ্চলৰ কেইবা সহস্ৰাধিক লোকৰ জীৱিকাৰ পথো ৰুদ্ধ হোৱা বুলিব পাৰি। শীতৰ আগমনৰ লগে লগেই পক্ষীবিল মতাপুং মাগুৰি বিললৈ জাকে জাকে দেশী-বিদেশী আলহী পক্ষীৰ আগমন ঘটাত নতুন প্ৰজাতিৰ চৰাই চাবলৈ পোৱাৰ হেঁপাহত এই বিললৈ পক্ষীবিদ, পক্ষী নিৰীক্ষক আৰু দেশী-বিদেশী পৰ্যটকৰো আগমন ঘটে। শীতকাল আহিলেই নানা পৰিভ্ৰমী চৰাইয়ে ভিৰ কৰা মাগুৰি মতাপুং বিললৈ নৱেম্বৰ মাহৰ পৰা মাৰ্চ মাহলৈ শীতকালৰ পৰিভ্ৰমী পক্ষীসমূহৰ আগমন ঘটে আৰু মাৰ্চ মাহৰ শেষলৈ গৰম বৃদ্ধি হোৱাৰ লগে লগে ইহঁতে পুনৰ প্ৰৱাস আৰম্ভ কৰে। এই পৰিভ্ৰমী পক্ষীৰ অন্যতম হৈছে - কৃষ্ণ আকুহি বগ, ধৃতৰাজ, বিৰল ধৃতৰাজ, চাকৰ চকোৱা, পাটৰী হাঁহ, বগা কাঁচি, ৰঙামূৰী হাঁহ, সন্ন্যাসী চৰাই, লৰিয়লি, বৰবালি বগোৰা, দীঘলঠেঙীয়া চহা, এৰাখাটি, দৈকলা, বৰ আজান, মনুৱা, সোণালী চকুৱা, বগা দৰীয়া ইত্যাদি। বাণিজ্যিক চহৰ তিনিচুকীয়াৰ নিলগৰ আলহী পক্ষীৰ স্বৰ্গভূমি হিচাবে খ্যাত তথা বাৰেকুৰি, বাঘজান আৰু নতুন গাঁৱৰ মাজভাগত অৱস্থিত বিশ্ব বিখ্যাত মাগুৰি মতাপুং বিলে পৰ্যটনৰ ক্ষেত্ৰত তিনিচুকীয়া জিলাক এক সুকীয়া মাত্ৰা প্ৰদান কৰিছে। জৈৱ-বৈচিত্ৰ্যৰে ভৰপূৰ পৰ্যটনৰ প্ৰচুৰ সম্ভাৱনা থকা প্ৰায় ১০ কিল'মিটাৰ ব্যাসাৰ্ধৰ এই বৃহৎ বিলখন এই সময়খিনিত অজস্ৰ পক্ষীৰ কোলাহলত প্ৰাণচঞ্চল হৈ পৰিছে। পৰিভ্ৰমী পক্ষীৰ লগতে বিভিন্ন প্ৰজাতিৰ স্থানীয় পক্ষীৰ বিচৰণস্থলী এই বিলখনত বছৰৰ ছেপ্টেম্বৰ-অ'ক্টোবৰ মাহৰ পৰা প্ৰায় মাৰ্চ-এপ্ৰিল মাহলৈকে বিদেশী পক্ষীয়ে বিচৰণ কৰে যদিও স্থানীয় পক্ষীসমূহ কিন্তু বছৰৰ সকলো সময়তে বিলখনত বিচৰণ কৰা দেখিবলৈ পোৱা যায়। পৰিভ্ৰমী চৰাইৰ মনোমোহা লয়লাস আৰু মুক্ত মনেৰে বিচৰণ কৰি ফুৰা পক্ষী কুলৰ নৃত্য-ভংগীমাই আকৰ্ষণ কৰে স্থানীয় লোকৰ লগতে বহু দূৰ দূৰণিৰ পৰা অহা প্ৰকৃতিপ্ৰেমী তথা পৰ্যটকক। ২৭.৩৪'৪৯.৯২''ৰ পৰা ২৭.৩৪ '৩৪.৯৮'' উত্তৰ অক্ষাংশ লৈ আৰু ৯৫.২১'৩৭.৬৮'' ৰ পৰা ৯৫.২৪'১১.৩৯''পূৰ্ব দ্ৰাঘিমাংশলৈ বিস্তৃত মতাপুং মাগুৰি বিলক শেহতীয়াকৈ ডিব্ৰু-চৈখোৱা ৰাষ্ট্ৰীয় উদ্যানৰ জৈৱ সংমণ্ডলৰ পৰিৱেশ সংবেদনশীল অঞ্চল (Eco Sensitive Zone) হিচাপে স্বীকৃতি প্ৰদান কৰা হৈছে। পৃথিৱীৰ ক'তো দেখিবলৈ নোপোৱা কেইবাবিধ বিপদাপন্ন প্ৰজাতিৰ চৰাই এই বিলখনত পোৱা যায়। ভাৰতৰ বিভিন্ন প্ৰান্তৰ উপৰিও জাৰ্মান, জাপান, ইংলেণ্ড, আমেৰিকা, ফ্ৰান্সৰ পৰাও পক্ষী নিৰীক্ষক আহে এই চৰাইসমূহ প্ৰত্যক্ষ কৰিবলৈ। অতি গুৰুত্বপূৰ্ণ কথা এয়ে যে যি সময়ত চৰকাৰ তথা বিয়াগোম পৰ্যটন বিভাগে বিলখনৰ সুৰক্ষা আৰু সংৰক্ষণৰ বাবে উদ্যোগ গ্ৰহণ কৰিব লাগিছিল, সেই সময়তে গাঁওখনৰ কিছুসংখ্যক সচেতন লোক তথা প্ৰকৃতিপ্ৰমীয়ে নিঃ স্বাৰ্থভাৱে বিলখনৰ সুৰক্ষা আৰু সংৰক্ষণৰ ক্ষেত্ৰত নিজা কিছু পদক্ষেপ লোৱা দেখিবলৈ পোৱা গৈছে। এইক্ষেত্ৰত চৰকাৰ তথা সংশ্লিষ্ট বিভাগৰ যথেষ্টখিনি কৰণীয় আছে। মেটেকা, পদুম ফুল, ভেট ফুলকে আদি কৰি বিভিন্ন জলজ উদ্ভিদেৰে পৰিপূৰ্ণ এই সমগ্ৰ বিলখনৰ এক অন্য পৰিৱেশে সকলোকে মন্ত্ৰমুগ্ধ কৰাৰ লগতে দেশী-বিদেশী পৰ্য্যটকক হাত বাউল দি মাতে বিলখনলৈ। চৰকাৰ তথা পৰ্যটন বিভাগে সময় থাকোঁতেই গুৰুত্বসহকাৰে পদক্ষেপ গ্ৰহণ কৰিলে মাগুৰি মতাপুং বিলে বিশ্বৰ পৰ্যটনৰ মানচিত্ৰত এক অন্য মাত্ৰা প্ৰদান কৰিব বুলি আশা কৰিছে প্ৰকৃতিপ্ৰেমীসকলে। বছৰৰ প্ৰথমটো দেওবাৰে অসমৰ বিভিন্ন প্ৰান্তৰৰ পৰা পৰ্যটকৰ লগতে সহস্ৰাধিক বনভোজকাৰী দলৰ আগমনত স্থানীয় অঞ্চলটোত এক উখল-মাখল পৰিৱেশৰ সূচনা হোৱা বুলিব পাৰি। শীতৰ সেমেকা এই বনভোজৰ বতৰত বিলখনলৈ আহি বনভোজকাৰী দলে আনন্দ অনুভৱ কৰে যদিও এই ক্ষেত্ৰত পাৰিপাৰ্শ্বিকতাৰ প্ৰতিও যেন এক ভাবুকি সৃষ্টি কৰা বুলিব পাৰি। কাৰণ বনভোজকাৰী দলে বনভোজৰ অন্তত প্লাষ্টিক জাতীয় তথা পেলনীয়া বস্তু য'তে-ত'তে পেলাই নদীৰ প্ৰতিও এক ভাবুকি কঢ়িয়াই আনিছে। এইক্ষেত্ৰত স্থানীয় বিশিষ্ট পৰিৱেশকৰ্মী নিৰন্ত গোহাঁইয়ে 'অসম বাৰ্তা'ৰ এই প্ৰতিবেদকৰ আগত আজি তেওঁৰ অনুভৱ তথা প্ৰতিক্ৰিয়া ব্যক্ত কৰে এনেদৰে- "মাগুৰি মতাপুং বিললৈ এই সময়ত বিভিন্ন পৰিভ্ৰমী চৰাইৰ আগমন ঘটাটো নিশ্চয়কৈ এক শুভ বাৰ্তা। বিশেষকৈ হাঁহ প্ৰজাতিৰ যিবোৰ বিদেশী চৰাই যেনে - সুন্দৰী পক্ষী, চাকৰি চকোৱা চৰাইবোৰে মাগুৰি বিলৰ শেলুৱৈবিলাক খায়। বিগত ২০২০ বৰ্ষত অভিশপ্ত বাঘজানৰ BGR 5 No. তৈল খাদত হোৱা অগ্নিকাণ্ডৰ ফলত তেল নিৰ্গত হৈ বিলখনৰ শেলুৱৈবিলাক বহু পৰিমাণে নোহোৱা হৈ গ'ল। ইয়াৰ ফলত বিদেশী তথা পৰিভ্ৰমী চৰাইবিলাকৰ খাদ্যৰ অভাৱ ঘটিছে। গোহাঁইৰ মতে, মানুহে মাগুৰি বিলত পিকনিক খাবলৈ অহাৰ সলনি চৰাই চাবলৈহে আহক। যদি ইক'-ফ্ৰেণ্ডলি (Eco-friendly) পিকনিক খাই তেন্তে ৰাইজৰ ক'বলগীয়া একো নাই। পিকনিকৰ নামত ইয়াত উচ্চ স্বৰত গান বজাই নাচি-বাগি, হৈ-হাল্লা কৰি, য'তে-ত'তে জাৱৰ-জোথৰ পেলাই প্ৰাকৃতিক পৰিৱেশ বিনষ্ট কৰা কাৰ্যত স্থানীয় সচেতন লোকৰ মনত আঘাত দিছে। আগলৈ এনেকুৱা যাতে নহয় তাৰ প্ৰতিও আহবান জনাই গোহাঁইয়ে। মাগুৰি বিললৈ চৰাই চাবলৈ সকলোৱে আহক, পিকনিক খাবলৈ নহয়।" মুঠৰ ওপৰত আলহী পক্ষীৰ কোলাহলত পুৱাৰ ৰ'দে ৰিঙিয়াইছে, আকৌ এবাৰ পক্ষীৰ কোলাহলত প্ৰাণ পাইছে মাগুৰি বিলে।

# হাজোত তেল পৰিবাহী

দেখিবলৈ পায়। লগে-লগে অঞ্চল জুৰি হৈ চৈ লাগে। পুৰুষ মহিলা সকলোৱে হাতে হাতে বাচন লৈ পথাৰৰ পৰা তেল সংগ্ৰহত নামি পৰে। অৱশ্যে ওচৰৰে এজন বয়োজ্যেষ্ঠ লোকে হাজো আৰক্ষী থানাত খবৰ দিয়াত ঘটনাস্থলীত উপস্থিত হয় আৰক্ষীকে ধৰি অগ্নি নিৰ্বাপন বাহিনী। উল্লেখ্য যে গুৱাহাটীৰ পৰা বঙাইগাঁও লৈ যোৱা ভাৰতীয় তেল নিগমৰ তেল পৰিবাহী পাইপ বিগত জুলাই মাহতো কিছু দূৰৈত ফুটিছিল বুলি জানিবলৈ দিয়ে স্থানীয় লোকে। ভাৰতীয় তেল নিগমৰ বিষয়া ঘটনাস্থলীত উপস্থিত হৈ সমস্ত ঘটনা পৰিদৰ্শন কৰাৰ লগতে এয়া কোনো দুষ্ট চক্ৰই তেল চুৰি কৰিবলৈ পাইপ ফুটা কৰা বুলিও সন্দেহ প্ৰকাশ কৰে। আনহাতে একাংশ স্থানীয় লোকে পুৱতি নিশা অহা ভূমিকম্পৰ জোকাৰণিতো পাইপ ফুটা হ'ব পাৰে বুলিও সন্দেহ কৰে। অৱশ্যে সমস্ত ঘটনাৰ আচল কাৰণ বিভাগীয় তদন্ত ওলাই পৰিব বুলি জানিবলৈ দিয়ে বিভাগীয় কৰ্তৃপক্ষই।

# ঐক্য, শান্তি, সম্প্ৰীতিয়েই হওক

নতুন বছৰটিৰ প্ৰতিক্ষণৰ সংকল্পই যেন সকলোৰেই বাবে শুভ বাৰ্তা কঢ়িয়াই আনক, সপোনবোৰ বাস্তৱ কৰক, আশা-আকাংক্ষা, বাসনাবোৰ জীৱন্ত ৰূপত উজ্জীৱিত কৰি তোলক।

আমি সকলোৰেই অসমীয়া বা মানৱ জাতিৰ, অসমবাসীৰ মাজত সততে ঐক্য, শান্তি, সম্প্ৰীতি, সমৃদ্ধিৰ নৱমূল্যায়ন, যোগাত্মক চেতনা আৰু গঠনাত্মক কৰ্মশক্তি জাগৰিত হওক ইয়াকেই বাঞ্চা কৰোঁ। মানৱ জীৱন, মানুহৰ সমাজ তথা সমাজৰ পৰিকাঠামো সদায় যেন শক্তিশালী ৰূপত উদ্ভাসি উঠে- এয়াই হ'ব লাগে আমাৰ লক্ষ্য, উদ্দেশ্য আৰু দৃঢ় সংকল্প। অন্যহাতেদি আমি অনুভৱ কৰোঁ, প্ৰত্যক্ষ প্ৰমাণেৰে আমি পৰ্যবেক্ষণ কৰোঁ সমাজখনেই হৈছে নানানটা সংঘাত বিভ্ৰাট আৰু বিসংগতিৰ একো একোটা ভেঁটি। এই ভেঁটিৰ ডৰিয়লিতেই আমি দেখা পাওঁ সমাজৰ উন্নতি, অৱনতি আৰু দুৰ্গতি-অধোন্নতি আদি।

এই আলোচনাৰ মূল কথালৈ আহিছোঁ এতিয়া। একতা। একতাই হৈছে আমাৰ সমাজৰ পৰম বল। নিজৰ পৰিয়াল পৰিৱেশৰে পৰা একেবাৰে ৰাষ্ট্ৰ তথা বিশ্বৰ মহাপৰিধি ৰূপায়ণ কৰালৈকে একতাৰ শক্তি অতিকৈ প্ৰবল আৰু প্ৰভাৱশালী। মানুহে জীৱন প্ৰগতিৰ সেন্দূৰীয়া পথৰ সন্ধান কৰাৰ গুৰিতে প্ৰাৰম্ভিক বা মৌলিক উপাদানটোৱেই হৈছে ঐক্য বা একতা। যিবোৰ কাম মানুহে একক প্ৰচেষ্টাৰে কৰিব পৰাটো অসম্ভৱ, সেয়া সম্মিলিত প্ৰচেষ্টাৰে, ঐক্যবদ্ধতাৰে মাৰ বান্ধি নিশ্চয় সততে সাফল্যমণ্ডিত কৰি তুলিব পাৰে।

ঐক্যবদ্ধতাৰে সফলকাম কৰি তোলাৰ প্ৰসঙ্গত মানুহে শান্তিৰ পথ সূচনা কৰিব পৰাৰ লগতে আনন্দৰ উন্মেষ জগাই তুলিব পাৰে। ঐক্যবদ্ধতাক সত্যৰ মাপকাঠিৰূপে গণ্য কৰিয়েই মানুহে জগতত এক অপূৰ্ব, অনন্য স্মৃতি সৌধ নিৰ্মাণ কৰিব পাৰে, জীৱন প্ৰগতিৰ যাত্ৰাপথ সুগম, সেন্দূৰীয়া কৰি গঢ়ি তুলিব পাৰে। ইয়াকে কৰিবলৈ মানুহক সততে লাগে দৃঢ়তা, সততা, একাগ্ৰতা, মনোবল আৰু প্ৰবল ইচ্ছাশক্তি। সেইকাৰণে ইংৰাজী প্ৰবচনত কোৱা হৈছে - "Where there is a will, there is a way." অৰ্থাৎ ইচ্ছা থাকিলেই উপায় ওলায়। এলাহ, অৱসাদ, দুৰ্বলমনা স্বভাৱ প্ৰকৃতি নিহালিতে এৰিব পাৰিলেই মানৱ সমাজৰ উন্নতি অনিবাৰ্য।

এতিয়া আহোঁ সম্প্ৰীতিৰ প্ৰসঙ্গলৈ। শিক্ষা, সভ্যতা তথা সংস্কৃতিৰ সুসমাহিত সংমিশ্ৰণতেই মানুহে সম্প্ৰীতিৰ এনাজৰীডাল নিকপকপীয়া কৰি তুলিব পাৰে। এই সম্প্ৰীতিৰ লগতেই আহে আমাৰ মানৱ জাতিৰ ভ্ৰাতৃত্ববোধ। আমি সমাজ পাতি বসবাস কৰা মানুহে পৰস্পৰে পৰস্পৰক ভাল পাব লাগিব। সবাউটিৰে প্ৰতি মৰম-চেনেহ, আদৰ-যতন, প্ৰেম-প্ৰীতি আৰু সহায়- সহানুভূতি একান্তভাৱে থাকিবই লাগিব। মানুহে মানুহৰ সমাজত জীৱশ্ৰেষ্ঠ মানৱ হিচাপে জনম লৈ প্ৰকৃত মানবীয়তাৰ পৰিচয় জাগৰিত কৰি তুলিব পাৰিলেই স্বৰূপতে মানৱী জনম সাৰ্থক হ'ব, সুন্দৰ হ'ব, চিৰন্তন হ'ব।

সাম্প্ৰতিকৰ সামাজিক পৰিৱেশত আমি সততে দেখা পাওঁ যে নানান প্ৰকাৰৰ সামাজিক, সাংস্কৃতিক, ধৰ্ম-পৰম্পৰা, আধ্যাত্মিক চিন্তা-চেতনা আৰু ৰাজনৈতিক, অৰ্থনৈতিক আদি কাৰণত নানান বিসংগতি, বিপৰ্যাদি উদ্ভুত হয়। ফলস্বৰূপে আমি লক্ষ্য কৰিছোঁ যে আমাৰ সমাজবোৰ বাহ্যিকভাৱে সমৃদ্ধ যেন লাগিলেও ভিতৰি ভিতৰি সততে অনেক কেৰোণ আৰু খামখেয়ালিয়ে বিৰাজ কৰা পৰিলক্ষিত হয়। এনে হোৱাৰ মূলতে আমাৰ মাজত অনৈক্য, সংহতি আৰু ভ্ৰাতৃত্ববোধৰ অভাৱ বুলিয়েই আমাৰ ধাৰণা হয়। পাৰস্পৰিক সহযোগিতা, ব্যক্তিগত সহনশীলতা, সামাজিক দায়বদ্ধতা আৰু আত্মপ্ৰত্যয়পূৰ্ণ নৈতিকতাৰ সমন্বয় প্ৰবাহিত হ'লেই আমাৰ সমাজবোৰ ক্ৰমাগতভাৱে সকলো দিশেৰে আগুৱাই যাব, এয়া ধ্ৰুৱপ। আমাৰ সমাজত সম্প্ৰতি এক বৌদ্ধিক জাগৰণ আৰু পৰিবৰ্তন অতিকৈ প্ৰয়োজন হৈ পৰিছে। কেতবোৰ এলান্ধুকলীয়া নীতি-নিয়ম, চিন্তা-প্ৰৱণতা তথা ৰক্ষণশীল মনোভাৱ পোষণ কৰি থাকিলে আমি কেতিয়াও উন্নতিৰ জখলাত আৰোহণ কৰিব নোৱাৰিম। এখোজ আগুৱালেও তিনিখোজ পিচুৱাইহে আহিব লাগিব যদিহে আমাৰ কৰ্মস্পৃহা, সদিচ্ছা বা সংযমশীলতা নামৰ এই মূলধনবোৰ নাথাকে।

সৰ্বোপৰি আমিবোৰ আজিৰ এই নৱবৰ্ষৰ নৱক্ষণত সততা, আন্তৰিকতাক সাৰোগত কৰি দৃঢ় সংকল্পৰে সংকল্পিত হ'ব পাৰিব লাগিব যে আমি সকলোবোৰ স্বাৱলম্বী হওঁ, পৰমুখাপেক্ষিতাৰ আবেষ্টনী নেওচি দিওঁ, কৰ্ম-সংস্কৃতিক জীৱনৰ একান্তব্ৰত হিচাপে লওঁ আৰু মনৰ দুৱাৰ-খিৰিকি মুকলি কৰি জীৱনৰ যাত্ৰাপথ মসৃণ কৰাৰ ক্ষেত্ৰত নিতে নিতে আমি অগ্ৰণী ভূমিকা পালন কৰোঁ। তেতিয়াহে আমাৰ মানৱ জীৱনৰ ৰথৰ চকৰি এক যোগাত্মক গতি প্ৰবাহেৰে প্ৰবাহিত হ'ব।

# মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক

চলাইছে ৰাজ্যৰ কংগ্ৰেছ দলে। নগাঁৱত ৰাইজৰ পদূলিত ৰাইজৰ কংগ্ৰেছ শীৰ্ষক কাৰ্যসূচীৰে সামৰি বিয়লি নগাঁৱৰ প্ৰশান্তি লজত এক সংবাদমেল সম্বোধন কৰে ৰাজ্য সভাৰ প্ৰাক্তন সাংসদ ৰিপুন বৰা সম্বন্ধিতে কংগ্ৰেছ নেতৃবৰ্গই। ৰাইজৰ পদূলিত ৰাইজৰ কংগ্ৰেছ দল কাৰ্যসূচীৰ জৰিয়তে দলটোৱে ৰাইজৰ ব্যাপক সঁহাৰি লাভ কৰিছে বুলি সংবাদমেল যোগে সদৰি কৰাৰ লগতে অসমৰ ৰাইজ বৰ্তমান বিজেপি চৰকাৰৰ নিৰ্যাতনৰ সন্মুখীন হৈ এইবাৰ বিকল্প বিচাৰিছে বুলি উল্লেখ কৰে ৰিপুন বৰাই। আনহাতে, এইবাৰ বিজেপিৰ লগতে মুখ্যমন্ত্ৰী ডঃহিমন্ত বিশ্ব শৰ্মা ভীতিগ্ৰস্ত হৈ পৰিছে বুলি উল্লেখ কৰি ৰিপুন বৰাই কয় যে, কংগ্ৰেছৰ প্ৰতি ৰাইজৰ সঁহাৰি দেখি বাৰে বাৰে অসমলৈ আগমন ঘটিছে বিজেপিৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ নেতৃবৰ্গৰ। মুখ্যমন্ত্ৰীয়ে ভীতিগ্ৰস্ত হৈ নিৰ্বাচনী প্ৰচাৰৰ বাবে তেওঁৰ কেইবাগৰাকীও বিষয়া কৰ্মচাৰীক নিয়োজিত কৰিছে বুলি সংবাদমেলত ৰিপুন বৰাই উল্লেখ কৰে। লগতে মন্ত্ৰী পিয়ুষ হাজৰিকাক ঢোলৰ লগৰ তেমেকা বুলিও সংবাদমেলত উপহাস কৰিলে ৰিপুন বৰাই। আনহাতে, আগন্তুক নিৰ্বাচনত যুৱ প্ৰজন্মক কংগ্ৰেছ দলে অগ্ৰাধিকাৰ দিয়াৰ কথাও উল্লেখ কৰে ৰিপুন বৰাই। মুখ্যমন্ত্ৰীয়ে কংগ্ৰেছত বিজেপিৰ এজেণ্ট থকা বুলি দাবী কৰাৰ দৰে বিজেপিতো কংগ্ৰেছৰ এজেণ্ট আছে বুলি প্ৰকাশ কৰে ৰিপুন বৰাই। লগতে এইবাৰ বিজেপিক উৎখাত কৰাৰ বাবে সকলো বিৰোধী দলক একগোট হোৱাৰো পোষকতা কৰে ৰিপুন বৰাই। এই বিষয়ে ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত কথা বতৰা চলা বুলিও জানিবলৈ দিলে ৰিপুন বৰাই। নিৰ্বচনৰ পূৰ্বে বিজেপি কংগ্ৰেছৰ প্ৰতি ভীতিগ্ৰস্ত হৈয়ে আঁচনিৰ বন্যা বোৱাইছে বুলিও সংবাদমেলত উল্লেখ কৰে ৰিপুন বৰাই। আজিৰ এই সংবাদমেলত ৰিপুন বৰাৰ লগতে ৰাজ্যিক মহিলা কংগ্ৰেছৰ সভানেত্ৰী মীৰা বৰঠাকুৰ, প্ৰাক্তন মন্ত্ৰী এতোৱা মুণ্ডা, জিলা কংগ্ৰেছ সভানেত্ৰী জুনমনি দেৱী, যুৱ নেতা মৃনাল কুমাৰ হাজৰিকা, উৎপল বনিয়া, ৰঞ্জিত বৰাকে প্ৰমুখ্য কৰি কংগ্ৰেছৰ বহু কেইজন নেতা উপস্থিত থাকে।

# মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব

চাপি অহাৰ লগে লগে বিভিন্ন ৰাজনৈতিক দলৰ তৎপৰতা বৃদ্ধি পাইছে। প্ৰতিটো দলেই নিজৰ দলীয় সংগঠন শক্তিশালী কৰাৰ বাবে অনুষ্ঠিত কৰিছে সভা সমিতি। আজি মাৰ্ঘেৰিটা ইণ্ডিয়া ক্লাবত ৰাইজৰ দলৰ এখন কৰ্মী সভা আৰু যোগদান কাৰ্যসূচী অনুষ্ঠিত হয়। এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে। ৰাইজৰ দলৰ পৰা মাৰ্ঘেৰিটা বিধানসভা সমষ্টিৰ মনোনীত প্ৰাৰ্থী ৰাহুল ছেত্ৰী, মাৰ্ঘেৰিটা বিধানসভা সমষ্টি কমিটিৰ সভাপতি ৰূপম ঘোষ আদি কেইবা গৰাকী দলীয় কৰ্মকৰ্তা উপস্থিত থকা যোগদান কাৰ্যসূচীত অৰ্ধ শতাধিক লোকে ৰাইজৰ দলত যোগদান কৰে। আনহাতে আগন্তুক বিধানসভা নিৰ্বাচনৰ বাবে মাৰ্ঘেৰিটা সমষ্টিত কংগ্ৰেছৰ মিত্ৰতাক লৈ অখিল গগৈয়ে এই দৰে মন্তব্য কৰে যে এলাইঞ্চ মানে হ'ল ঐক্যবদ্ধ আৰু এই ঐক্যবদ্ধ বিৰোধী দলক অৰ্থাৎ হিমন্ত বিশ্ব শৰ্মাক, ৰাজ্যৰ আটাইতকৈ শাসকীয় গণ শত্ৰুক পৰাভূত কৰিবৰ বাবে ঐক্যবদ্ধ। নৰেন্দ্ৰ মোদী চৰকাৰ সংবিধান নামানে, এতিয়া চৈৰাতান্ত্ৰীকলৈ ৰূপান্তৰিত হৈছে বুলি অখিল গগৈয়ে বিজেপি চৰকাৰ আৰু অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ প্ৰতি সৰৱ হৈ এই দৰে বিস্ফোৰক মন্তব্য কৰা দেখা গ'ল। আজিৰ ৰাইজৰ দলৰ কৰ্মী সভাতত নতুনকৈ যোগদান কৰা লোকসকলক আদৰণি জনোৱাৰ লগতে আগন্তুক বিধানসভা নিৰ্বাচনত বিজেপি দলক প্ৰতিহত কৰাৰ বাবে সকলোৱে সহযোগিতা কামনা কৰে ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে।

# মাঘ বিহুলৈ অব্যাহত থাকিব

প্ৰকোপ। লগতে বতাহৰ দিশ পূব আৰু উত্তৰ-পূবৰ পৰা হোৱাৰ ফলতো বাঢ়িছে শীতৰ প্ৰকোপ। বৰঝাৰস্থিত আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰৰ বিজ্ঞানীয়ে সদৰি কৰা অনুসৰি, আগন্তুক পাঁচদিনলৈ অব্যাহত থাকিব শীতৰ প্ৰকোপ। এই শীতৰ মাজতে ঠায়ে ঠায়ে বৰষুণ হোৱাৰ সম্ভাৱনা আছে। অসম, অৰুণাচল, মেঘালয়, নাগালেণ্ডৰ কিছু কিছু ঠাইত হ'ব পাতলীয়া বৰষুণ। লগতে অৰুণাচলত তুষাৰপাত হোৱাৰ আগজাননী দিছে বতৰ বিজ্ঞান কেন্দ্ৰই। ইয়াৰ উপৰি অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰামত আগন্তুক পাঁচদিনলৈ ঘন কুৱঁলীৰ সতৰ্কবাণী জাৰি কৰিছে বৰঝাৰস্থিত আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই। এই সন্দৰ্ভত গুৱাহাটীৰ বৰঝাৰস্থিত আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰৰ এগৰাকী বতৰ বিজ্ঞানীয়ে কয়, "উত্তৰ-পূৰ্বাঞ্চল যি নিম্ন টপ স্ফিয়েৰিক লেভেল মুখ্যতঃ উঠা-নমা হৈ আছে। ইয়াৰ কাৰণে আমি যি পূৰ্বাভাস পাইছোঁ সেই মতে ৫ আৰু ৬ জানুৱাৰীত অৰুণাচল প্ৰদেশৰ বিভিন্ন ঠাইত পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। ইয়াৰ উপৰি পাতলীয়াৰ পৰা মধ্যমীয়া তুষাৰপাত অৰুণাচল প্ৰদেশৰ উচ্চ অংশত হোৱাৰ সম্ভাৱনা আছে। আনহাতে, অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাত বতৰ শুষ্ক হোৱাৰ সম্ভাৱনা আছে। ইয়াৰ উপৰি সমগ্ৰ অঞ্চলটোত সৰ্বনিম্ন তাপমাত্ৰাৰ উল্লেখনীয় পৰিৱৰ্তনৰ সম্ভাৱনা খুব কম।" উল্লেখ্য যে, দেশৰ বতৰ বিজ্ঞানীসকলে প্ৰায় চাৰিমাহ পূৰ্বেই ভাৰতৰ আন ৰাজ্যৰ লগতে অসমতো এইবেলি শীতকালত শীতৰ প্ৰকোপ বৃদ্ধি পাব বুলি আগতীয়াকৈ সতৰ্কতা জাৰি কৰিছিল। সেই সতৰ্কতা অনুসৰিয়ে, দেশৰ আন কেইবাখনো ৰাজ্য বিশেষকৈ উত্তৰ ভাৰত আৰু হিমালয় পৰ্বতমালাৰ পাদদেশৰ লগতে অসমসহ উত্তৰ-পূব ভাৰতৰ ৰাজ্যকেইখনৰ বহু ঠাইত আঘোণ মাহৰ শেষভাগতে শীতৰ প্ৰকোপ বৃদ্ধি পোৱা পৰিলক্ষিত হৈছিল। অসমৰ ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাৰ ভিতৰত নামনি অসমতকৈ উজনি অসমত শীতৰ প্ৰকোপ বৃদ্ধি পাইছিল। আনহাতে, গুৱাহাটীৰ বৰঝাৰস্থিত আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই সোমবাৰে সন্ধিয়া সদৰি কৰা অনুসৰি, বিগত বৰদিনৰ সময়ৰে পৰাই দক্ষিণ-পশ্চিম দিশৰ পৰা বতাহ বলি থকা বাবে অসম, অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মণিপুৰ, মেঘালয়কে ধৰি উত্তৰ-পূবৰ ৰাজ্যকেইখনৰ বেছিভাগ অঞ্চল প্ৰচণ্ড শীতৰ কবলত পৰিছে। বৰঝাৰস্থিত আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই সোমবাৰে সন্ধিয়া সদৰি কৰা অনুসৰি, আগন্তুক তিনিদিন ধৰি বতৰ প্ৰায় অপৰিৱৰ্তনীয় হৈ থাকিব। এই সময়ছোৱাত গুৱাহাটীকে ধৰি অসমৰ কেইবাখনো জিলাৰ আকাশ ডাঠ কুঁৱলীৰ আৱৰণে ঢাকি ৰাখিব। ইয়াৰ মাজতে দুই-এঠাইত অতি পাতলীয়া বৰষুণ হোৱাৰো সম্ভাৱনা আছে। আনকি শীতৰ সমান্তৰালভাৱে সন্ধিয়াৰ পাছত কুঁৱলীৰ ডাঠ আচ্ছাদনে ৰাজ্যৰ বেছিভাগ অঞ্চল ঢাকি ৰাখিব। আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগন্তুক মাঘ বিহুৰ উৰুকাৰ সময়লৈকে বিগতকেইদিনৰ দৰে আকাশ কুঁৱলীৰ আৱৰণে ঢাকি ৰখাৰ লগতে শীতৰ প্ৰকোপ অব্যাহত থাকিব বুলি আগতীয়াকৈ সতৰ্কতা জাৰি কৰিছে। অৱশ্যে তাৰ মাজতো মাজে-সময়ে আকাশত সূৰুয দেৱতাই ভুমুকি মাৰিলেও শীতৰ প্ৰকোপ অব্যাহত থাকিব। বতৰ কিছু ফৰকাল হ'লেও জলাশয়, নৈপৰীয়া আৰু পাহাৰীয়া অঞ্চল আৰু মুকলি পথাৰ সংলগ্ন অঞ্চলসমূহত নিশাৰ ভাগত ডাঠ কুঁৱলীৰ আচ্ছাদনৰ প্ৰকোপ বৃদ্ধি পাব বুলিও সতৰ্কতা জাৰি কৰিছে। স্বাভাৱিকতে সকলোতে দৃশ্যমানতা হ্ৰাস পাব।

# খিলঞ্জীয়াৰ মাটি সুৰক্ষাৰ

ভাৱে আজি মাজুলীতো সহস্ৰাধিক কংগ্ৰেছ কৰ্মীয়ে পদযাত্ৰা কাৰ্যসূচীৰে ৰাজপথ কপোৱা পৰিলক্ষিত হ'ল। নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ মুখপাত্ৰ সুপ্ৰিয়া শ্ৰীনেতেৰ অংশগ্ৰহণেৰে মাজুলীৰ জেংৰাইমুখত দিনৰ ১১ বজাত "জাতি বচাওক, মাটি বচাওক" শীৰ্ষক পদযাত্ৰাৰ কাৰ্যসূচীত সহস্ৰাধিক কংগ্ৰেছ কৰ্মীয়ে খিলঞ্জীয়াৰ ভূমি পানীৰ দৰদ আদানী - আম্বানিক গটোৱাক লৈ বিভিন্ন শ্ল'গান দি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। এই ক্ষেত্ৰত নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ মুখপাত্ৰ সুপ্ৰিয়া শ্ৰীনেতে কয় অসমৰ ভূমি চিৰদিনৰ কাৰণে খিলঞ্জীয়াৰ বাবে যাতে সুৰক্ষিত হৈ থাকে তাৰ বাবেই এই যাত্ৰা অব্যাহত থাকিব বুলি তেওঁ উল্লেখ কৰে। যুৱ কংগ্ৰেছৰ সভাপতি জুৱেইৰ আনমে অংশগ্ৰহণ কৰি খিলঞ্জীয়াই মাটিৰ ম্যাদীৰ নামত ২-৫ লাখ পৰ্য্যন্ত দিবলগীয়া হৈছে আৰু আদানী - আম্বানিক পানীৰ দৰদ মাটি দিছে বুলি অভিযোগ উত্থাপন কৰে। কাৰ্যসূচীত অসম যুৱ কংগ্ৰেছ কমিটিৰ তত্ত্বাৱধায়ক মনিস শৰ্মাৰ লগতে জিলা খনৰ বিভিন্ন স্তৰৰ কংগ্ৰেছ নেতা - কৰ্মীসকল উপস্থিত থাকে। ইফালে পদযাত্ৰাৰ শেষত দিনৰ ১২ বজাত জেংৰাইমুখ ৰাজীৱ ভৱনত নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ মুখপাত্ৰ সুপ্ৰিয়া শ্ৰীনেতে এক সংবাদমেল সম্বোধন কৰি কয়-অসমত চলি থকা দহ বছৰীয়া বিজেপি শাসনে অসমক কি দিলে সেই প্ৰশ্ন সুধিবলৈ অসমত হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ পূৰ্বে অসমলৈ আহিছোঁ। অসমৰ যুৱ-যুৱতী কিমানে সংস্থাপন লাভ কৰিলে, মহিলাসকল কিদৰে লাভান্বিত হ'ল, অসমৰ শিক্ষা - স্বাস্থ্য খণ্ডৰ উন্নয়ন কিমান হ'ল এনে বহু প্ৰশ্ন আমাৰ সুধিবলৈ আছে। বিভিন্ন সময়ত অসম কংগ্ৰেছে এইবোৰৰ প্ৰশ্ন উত্থাপন কৰি আহিছে যদিও ইয়াৰ উত্তৰ লাভ কৰা নাই। এই উত্তৰ এইবাবেই লাভ কৰা নাই যে অসমৰ এতিয়া যিবোৰ কাম হয় তাত মামা তথা পৰিয়ালৰ অংশীদাৰীত্ব থাকেই। মামা আৰু মামীৰ চাৰিওফালে বিভিন্ন ধৰণৰ গুৰুতৰ দুৰ্নীতিৰ অভিযোগে ঘেৰি আছে। বিগত সময়চোৱাত কেৱল নিজৰ জেপ গধুৰ কৰা মামা আৰু মামীৰ পৰা ইয়াৰ হিচাপ অসমে বিচাৰিছে বুলি নেত্ৰী গৰাকীয়ে উল্লেখ কৰে। তেওঁ অসমৰ ভূমি পূজিপতিক হস্তান্তৰ কৰাক লৈ কয় যে অসমৰ খিলঞ্জীয়াৰ ভূমি আদানিৰ দৰে পূজিপতিক দিয়াৰ ফল আগন্তুক সময়ত ভোটৰ জৰিয়তে অসমে ইয়াৰ উত্তৰ দিব। প্ৰদেশ যুৱ কংগ্ৰেছৰ "জাতি বচাও, মাটি বচাও" কাৰ্যসূচীয়ে অসমৰ জাতি আৰু মাটি যাতে সদায় কাৰণে সুৰক্ষিত হৈ থাকে সেয়া নিশ্চিত কৰিবলৈ অসমৰ উজনি নামনিত জোৰদাৰ কাৰ্যসূচী অব্যাহত ৰাখিছে বুলি উল্লেখ কৰে। অসমৰ খিলঞ্জীয়াৰ হাতত মাটিৰ অধিকাৰ দিয়াৰ পৰিৱৰ্তে যুগ যুগ বসবাস কৰি অহা লোকৰ মাটি কিয় আদানিক গটাই দিয়া হৈ আছে বুলি তেওঁ প্ৰশ্ন উত্থাপন কৰে। অসমত বিভিন্ন উদ্যোগ স্থাপনেৰে নিবনুৱা সমস্যা সমাধানৰ আশ্বাস দিয়া চৰকাৰৰ দিনত এতিয়া নিবনুৱা সমস্যাত দেশৰ ভিতৰতে শীৰ্ষ স্থানত অসম আছে বুলি নেত্ৰী গৰাকীয়ে উল্লেখ কৰে। অসমত এতিয়া মাফিয়াৰ দ্বাৰা অবৈধ খনন হৈ থকা বুলি উল্লেখ কৰাৰ লগতে অসমৰ জীৱ-জন্তু পৰ্যন্ত বাহিৰলৈ চালান দিয়া হৈ আছে। অসমৰ মিডিয়াৰ পৰা আৰম্ভ কৰি যাতায়াত-যোগাযোগ, খনন, ভূ-সম্পত্তিৰ ব্যৱসায় আদি সকলোতে এতিয়া হিমন্ত বিশ্ব শৰ্মাৰ অংশীদাৰীত্ব আছে বুলি নেত্ৰী গৰাকীয়ে তাৎপৰ্যপূৰ্ণ মন্তব্য কৰি যোৱা পাঁচ বছৰত নিজৰ জেপ গধুৰ কৰা হিমন্ত বিশ্ব শৰ্মাৰ পৰা এতিয়া হিচাপ লোৱাৰ সময় আৰু এইবাৰ তেওঁ উত্তৰৰ পৰা পলাই ফুৰিব নোৱাৰে বুলি উল্লেখ কৰে। সংবাদমেলতে নেত্ৰী গৰাকীয়ে প্ৰাণৰ শিল্পী জুবিন গাৰ্গ সন্দৰ্ভত ক'বলৈ গৈ জুবিন গাৰ্গ যুৱ -প্ৰজন্মৰ এক কণ্ঠ আছিল বুলি উল্লেখ কৰি কি পৰিস্থিতিত জুবিন গাৰ্গৰ মৃত্যু হ'ল তাৰো উত্তৰ অসমে বিচাৰে বুলি উল্লেখ কৰি সমগ্ৰ ঘটনাৰ পিছত এই ক্ষেত্ৰত চৰকাৰৰ ভূমিকাৰ ওপৰতো ৰাইজৰ চকু নিবন্ধ আছে বুলি উল্লেখ কৰি ঘটনাৰে জড়িত লোকৰ কঠোৰ শাস্তিৰ পোষকতা নেত্ৰী গৰাকীয়ে জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ইফালে কাৰ্যসূচীৰ লগত সংগতি ৰাখি জেংৰাইমুখৰ ৰাজীৱ গান্ধী ক্ৰীড়া প্ৰকল্পত দলটোৱে এক ৰাজহুৱা সভা সম্বোধন কৰে।

## পত্ৰিকা 'প্ৰজ্ঞাসেতু' আৰু প্ৰাচীৰ পত্ৰিকা 'প্ৰজ্ঞাদীপ' উন্মোচন

# চি এল পি এবেকাছ আৰু বৈদিক গণিত, জাগীৰোড কেন্দ্ৰৰ পঞ্চম প্ৰতিষ্ঠা দিৱস




**ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ৫ জানুৱাৰী ঃ** চি এল পি এবেকাছ আৰু বৈদিক গণিত, জাগীৰোড কেন্দ্ৰৰ পঞ্চম প্ৰতিষ্ঠা দিৱস আৰু জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আজি দিনজোৰা কাৰ্যসূচীৰে জাগীৰোডৰ কলা মন্দিৰত অনুষ্ঠিত হয়। শিশু- সাহিত্যিক অকণ দেৱী, লেখিকা প্ৰতিভা দেওৰজা, হিমাক্ষি বৰা, চেনেহী ডেকা আৰু শিখা গগৈয়ে পুৱা বন্তি প্ৰজ্বলন কৰি দিনজোৰা কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। অনুষ্ঠানত প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জনাই জাগীৰোডৰ শিল্পী সকলে জুবিন গাৰ্গৰ ১৬টা গীতৰ কলিৰে এটা বিশেষ সমবেত সংগীত পৰিৱেশন কৰে। আনহাতে অনুষ্ঠানত অংশগ্ৰহণ কৰি অৱসৰী শিক্ষক গুণ মেধি, মৰিগাঁও জিলা সাহিত্য সভাৰ সভাপতি ড° হৰমোহন কলিতা, জাগীৰোড শতদল শাখা সাহিত্য সভাৰ সভাপতি লক্ষেশ্বৰ কাকতি, জাগীৰোড সুৰ দেউল সংগীত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° পৱন চন্দ্ৰ গগৈ, বিশিষ্ট শিশু মনস্তত্ত্ববিদ কুকি মহন্ত, লেখিকা তুমণি গোস্বামী আৰু ৰিভা ভৰালী ডেকা, সমাজকৰ্মী জয়ন্ত সাগৰ শইকীয়াই শুভেচ্ছামূলক ভাষণ দিয়ে। উল্লেখযোগ্য যে, অনুষ্ঠানত জাগীৰোড মহাবিদ্যালয়ৰ অধ্যক্ষ অপূৰ্ব দাসে চি এল পি এবেকাছ আৰু বৈদিক গণিত, জাগীৰোড কেন্দ্ৰৰ পত্ৰিকা 'প্ৰজ্ঞা সেতু' উন্মোচন কৰি কয় যে গণিতৰ প্ৰতি থকা ভয় দূৰ কৰিবলৈ চি এল পি এবেকাছ, জাগীৰোড কেন্দ্ৰই গ্ৰহণ কৰা পদক্ষেপ প্ৰশংসনীয়। অনুষ্ঠানত কবি ৰাজীৱ চহৰীয়াই প্ৰাচীৰ পত্ৰিকা 'প্ৰজ্ঞাদীপ'ৰ তৃতীয় সংখ্যা উন্মোচন কৰি পত্ৰিকাখনে কেন্দ্ৰৰ শিক্ষাৰ্থীসকলৰ সৃজনীশীল প্ৰতিভা বিকাশৰ ক্ষেত্ৰত নতুন দুৱাৰ মেলি দিব বুলি উল্লেখ কৰে। অনুষ্ঠানত ডা: অতিন্দ্ৰ দাসে দুৰ্লভ ভট্টাচাৰ্যৰ কাব্যগ্ৰন্থ 'হেংদাং' উন্মোচন কৰে। অনুষ্ঠানত পবিত্ৰ ডেকা আৰু মানৱ জ্যোতি শৰ্মাৰ পৰিচালনাত কেন্দ্ৰৰ শিক্ষাৰ্থীসকলে জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জনাই 'প্ৰাণৰ জুবিন' শীৰ্ষক এখন আলেখ্য পৰিৱেশন কৰে। অনুষ্ঠানত বিকাশ ৰঞ্জন দাসে বাঁহী বাদন কৰাৰ লগতে অনন্যা কাকতিয়ে দশাৱতাৰ নৃত্য পৰিৱেশন কৰে। অনুষ্ঠানত চি এল পি এবেকাছ জাগীৰোড কেন্দ্ৰৰ শিক্ষাৰ্থী আৰু অভিভাৱক সকলে গীত-নৃত্য পৰিৱেশন কৰে। অনুষ্ঠানত মানৱ জ্যোতি বড়াৰ ৰচনা আৰু কুমুদ ডেকাৰ পৰিচালনাৰে কেন্দ্ৰৰ শিক্ষাৰ্থীসকলে 'মই লাচিতে কৈছোঁ' শিশু নাট মঞ্চস্থ কৰে। অনুষ্ঠানত বিগত বৰ্ষত অনুষ্ঠিত চিত্ৰাংকন প্ৰতিযোগিতাত স্থান লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলক বঁটা প্ৰদান কৰে। অনুষ্ঠানত সাংস্কৃতিক কৰ্মী প্ৰহ্লাদ কাকতি, শিক্ষয়িত্ৰী ডলি সৰকাৰ, চিত্ৰশিল্পী কংকন বৰঠাকুৰ, চিত্তৰঞ্জন বড়ো, শ্ৰেয়া মজুমদাৰ আৰু ৰক্তিম মজুমদাৰ, জ্যোতি শৰ্মা প্ৰমুখ্যে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি আৰু অভিভাৱকসকল উপস্থিত থাকে। চি এল পি এবেকাছ আৰু বৈদিক গণিত, জাগীৰোড কেন্দ্ৰৰ পৰিচালক ডাঃ মানৱ জ্যোতি শৰ্মা, শিক্ষাৰ্থী অভ্ৰনীল ভাৰ্গৱ শইকীয়া আৰু তানিশা আহমেদে অনুষ্ঠানৰ আঁত ধৰে।

# বুঢ়াচাপৰিৰ ৬ হেজাৰ ২০০

বনাঞ্চলৰ ভূমিত চলিল প্ৰশাসনৰ বুলডজাৰ। আৰিমাৰি চৰ, গণেশটাপু চৰ, লাঠিমাৰি চৰ, বাটলি চৰ আদিকে ধৰি চলিব কেইবাটাও চৰত চলিল উচ্ছেদ অভিযান। বেদখলকাৰীসকলক যোৱা বছৰৰ নৱেম্বৰ মাহৰ ২৪ তাৰিখে প্ৰশাসনে জাননী দিছিল যদিও খালি কৰা নাছিল চৰকাৰী ভূমি। ৭১০টা পৰিয়ালে ৬ হাজাৰ ২ দুইশ বিঘা ভূমিত অবৈধ ভাৱে বেদখল কৰি আছিল। শোণিতপুৰ জিলা প্ৰশাসনে ১৮টা বুলডোজাৰ আৰু ৬০খন ট্ৰে"ৰেৰে চলাই উচ্ছেদ অভিযান। উচ্ছেদৰ মাজতেই আৰক্ষী আৰু সাংবাদিকলৈ ৰুদ্ৰমূৰ্তি ৰূপ ধাৰণ কৰে এটি বেদখলকাৰী পৰিয়ালে। পিছত আৰক্ষী প্ৰশাসনৰ লোকে উগ্ৰ ৰূপ ধাৰণ কৰাত পৰিস্থিতি শান্ত হয়। এই চৰকাৰী জৰীপ বিহীন ভূমিৰ চাৰিওফালে আৱৰি আছে বুঢ়াচাপৰি অভয়াৰণ্য, ওৰাং ৰাষ্ট্ৰীয় উদ্যান, কোচমৰা সংৰক্ষিত বনাঞ্চলে। ইয়াৰ পিছতো কাৰ ছত্ৰছায়াত এইসকল বেদখলকাৰীয়ে বসতি স্থাপন কৰি আহিছিল চৰকাৰী ভূমিত। বেদখলকাৰীৰ মন্তব্য গিয়াছ উদ্দিন নামৰ এজন মাতাবৃৰ লোকে ১০-১৫ হাজাৰকৈ টকা সংগ্ৰহ কৰি চৰকাৰী ভূমিত বহিবলৈ দিছিল। এইখিনিতেই ক্ষান্ত নাথাকি মাতাবৃৰসকলে উচ্ছেদ বন্ধ কৰাই দিয়াৰ নামতো ধন সংগ্ৰহ কৰাৰ অভিযোগ উত্থাপিত হৈছে। ইয়াতে প্ৰশ্ন হয় আৰিমাৰী বন শিবিৰৰ নিচেই কাষতে কেনেকৈ বেদখলকাৰীয়ে এখন গাঁও আৰু বৃহৎ কৃষি পথাৰ গঢ়ি তুলিবলৈ সক্ষম হল। দুই বছৰ পূৰ্বেও ইয়াৰে কিছু অঞ্চল সামৰি ২০২৩ চনত বুঢ়াচাপৰি অভয়াৰণ্যত উচ্ছেদ চলোৱাৰ পিছত পুনৰাই কেনেকৈ বেদখলকাৰীৰ কবলত পৰিল তাকলৈও সৃষ্টি হৈছে প্ৰশ্নৰ। বন বিভাগৰ লোক গিজগিজাই থকা দুই বছৰ আগত উচ্ছেদ হোৱা সেই একে ভেটিতে কেনেকৈ অবৈধ বেদখলকাৰীসকলে ঘৰ সাজিব পাৰিলে ই এক ৰহস্যৰ বিষয় হৈ পৰিছে।

# বিশ্বনাথত অসম ৰাজ্যিক পৰিবহণ নিগমৰ অধীনত বিশ্বনাথ-তেজপুৰৰ বৈদ্যুতিক বাছ সেৱাৰ শুভাৰম্ভ

**অসম বাৰ্তা, বিহালী, ছ জানুৱাৰী ঃ** অৱশেষত পুনৰ বিশ্বনাথ জিলাৰ ৰাইজৰ দীৰ্ঘদীনিয়া এটা সমস্যা সমাধানৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিলে অসম ৰাজ্যিক পৰিবহণ নিগমৰ অধ্যক্ষ পল্লৱ লোচন দাসে.. পুৰ্বৰ ৰঙা বাছ হিচাপে জনপ্ৰিয় এই সেৱাক এক নতুন ৰূপ দিয়াৰ ক্ষেত্ৰত অসম চৰকাৰৰ পৰিবহণ বিভাগে বিশেষ পদক্ষেপ গ্ৰহণ কৰি ৰাজ্যৰ ভিন্ন প্ৰান্তত এই সেৱাৰ প্ৰচলন কৰিছিল যদিও




বিভিন্ন আভ্যন্তৰীণ কাৰণ, আন্তঃগাঁঠনিৰ ত্ৰুটি পুৰ্নতাৰ বাবে আনহাতে পৰিচালনাৰ ক্ষেত্ৰত বাধা আহি পৰাত এই সেৱা ৰাজ্যৰ বহু ঠাইত বিকল হৈ পৰিছিল.. যদিও আৰশেষত ৰাইজৰ দাবীৰ প্ৰতি লক্ষ্য ৰাখি লগতে যাতায়তৰ ক্ষেত্ৰত এক বিশেষ গতি প্ৰদান কৰাৰ বাবে আজি নিগমৰ অধীনত বিশ্বনাথ চাৰিআলিৰ পৰা তেজপুৰলৈ শীত তাপ নিয়ন্ত্ৰিত বৈদ্যুতিক বাছ সেৱা শুভাৰম্ভ কৰা হ'য়। শুভাৰম্ভ কৰে অসম ৰাজ্যিক পৰিবহণ নিগমৰ অধ্যক্ষ পল্লৱলোচন দাসে। এই বিশেষ অনুষ্ঠানটিত বিশ্বনাথৰ অসম ৰাজ্যিক পৰিবহণ নিগমৰ উপাধ্যক্ষ প্ৰণৱজ্যোতি লহকৰ, পৰিচালন সঞ্চালক চিন্ময় প্ৰকাশ ফুকন, অ.অ.সে. মহোদয় প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। এই সেৱাৰ শুভাৰম্ভ কৰি পল্লৱ লোচনে কেবাটাও গুৰুত্বপুৰ্ণ মন্তব্য প্ৰদান কৰি কয় যে অচিৰেই ৰাজ্য চৰকাৰৰ সহযোগত ৰাজ্যসমূহৰ বিভিন্ন স্থানত ৰাইজৰ যাতায়তৰ বাবে পৰ্যাপ্ত অত্যাধুনিক বেটেৰী চালিত শীত তাপ নিয়ন্ত্ৰিত বৈদ্যুতিক বাছ সেৱা শুভাৰম্ভ কৰিব.. আনহাতে অচিৰেই বিশ্বনাথ চাৰিআলিৰ পৰা তেজপুৰলৈ বুলি অন্য এখন বাচ দিয়াৰ কথা ঘোষণা কৰে।

# বানপানীৰ জৰুৰীকালীন অৱস্থাৰ বাবে কৌশলগত ব্যৱস্থা সন্দৰ্ভত আলোচনা চক্ৰ

**অসম বাৰ্তা, ধৰমতুল, জাগীৰোড, ৬ জানুৱাৰী ঃ** বানপানীৰ সময়ত পীড়িত ৰাইজে ল'বলগীয়া কেতবোৰ গুৰুত্বপূৰ্ণ বিষয়ক কেন্দ্ৰ কৰি অলপতে মৰিগাঁৱৰ চাৰণ বিলৰ সমীপত এখনি সজাগতা সভা অনুষ্ঠিত হয়। সদৌ সসম কৃষক সংঘৰ চাৰণবিলস্থিত কেন্দ্ৰীয় কাৰ্যালয়ত অনুষ্ঠিত সজাগতা সভাখনি সঞ্চালনা কৰে ঔজাৰী মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক লুহিত চন্দ্ৰ ডেকাই। গুৱাহাটী উলুবাৰীস্থিত ব'চকো ৰিট্ছ আউট নামৰ স্বেচ্ছাসেৱী সংগঠনটো উদ্যোগত অনুষ্ঠিত অনুষ্ঠানত বানপানীৰ সময়ত ল'বলগীয়া সজাগতা সন্দৰ্ভত বিস্তৃত ভাষণ ৰাখে সংগঠনটোৰ চিনিঅ'ৰ প্ৰজেক্ট মেনেজাৰ ঘণশ্যাম পাঠকে। ভাষণ প্ৰসংগত তেওঁ আনকি দুখীয়া কৃষক ৰাইজৰ বাবে মাকে খেতিৰ ওপৰতো গুৰুত্ব আৰোপ কৰি অনাগত সময়ত নাবাৰ্ডৰ সহযোগত এক আঁচনি গ্ৰহণৰ পোষকতা কৰে। সদৌ অসম কৃষক সংঘৰ মুখ্য সমন্বয়ক তুলসী ডেকাই আঁতধৰা অনুষ্ঠানটিত সদৌ অসম তিৱা ছাত্ৰ সন্থাৰ সভাপতি চেনিৰাম মালাং, ব'চকোৰ মৰিগাঁৱৰ সংযোজক কুশল মেধি, কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ জিলা সভাপতি ধনমনি ডেকা, শিক্ষক ফাৰদুষ আলি, ভাৰতীয় কৃষান সংঘৰ মৰিগাঁৱৰ সম্পাদক নিৰ্মল বিশ্বাস, সমাজসেৱক ললিত চন্দ্ৰ বৰদলৈ, বেল্ট ব্ল'ক লেণ্ড প্ৰটেক্টচন সমিতিৰ সভাপতি বিশ্বদেৱ বড়ো, সম্পাদক অনিল কিলিং, সদৌ অসম বাংগালী যুৱ ছাত্ৰ ফেডাৰেচনৰ মুখ্য সাংগাঁথনিক সম্পাদক মৃণাল বিশ্বাস ঔজাৰী আঞ্চলিকৰ সম্পাদক অতুল কুমাৰ বিশ্বাস, ঔজাৰী গাঁৱৰক্ষী বাহিনীৰ সম্পাদক টুলটুল বৰদলৈ। লগতে অংগনাবাড়ী কেন্দ্ৰৰ কৰ্মী অৰূপা ডেকা বৰদলৈ। পূজা ডেকাৰজা। হীমাদ্ৰী দেৱী ৰূপা ডেকা প্ৰমুখ্যে অঞ্চলৰ বিশিষ্ট ব্যক্তিসকল

# কাৰ্বি সমাজৰ ৰংকে পূজা উদ্‌যাপন

**অসম বাৰ্তা, বঢ়মপুৰ, ৬ জানুৱাৰী ঃ** ৫ জানুৱাৰী দিনটোত কাৰ্বি জনগোষ্ঠীয়ে উদ্‌যাপন কৰে ৰংকে পূজা। কাৰ্বি আংলং জিলাৰ বিভিন্ন প্ৰান্তৰ লগতে নগাঁও জিলাৰ লিংদক ৰংহাং গাঁৱত আৰু কঠালগুৰি মেজি গাঁৱত ৰংকে পূজা অনুষ্ঠিত কৰা হয়। কাৰ্বি জনগোষ্ঠীৰ অন্যতম পৱিত্ৰ আৰু পৰম্পৰাগত ধৰ্মীয় উৎসৱ ৰংকে পূজা। গাঁওবাসীৰ মঙ্গল, শস্য উৎপাদনৰ সমৃদ্ধি আৰু মহামাৰী-প্ৰাকৃতিক দুৰ্যোগৰ পৰা ৰক্ষাৰ কামনাৰে এই পূজা আয়োজন কৰা হয়। ৰংকে পূজাক ৰংকেৰ কাছিৰদম



আৰু দেহাল পূজা বুলিও কোনো কোনো অঞ্চলত কয়। সাধাৰণতে নৱবৰ্ষৰ আৰম্ভণিতে এই পূজা পালন কৰা হয়। জানুৱাৰী মাহৰ ৫ তাৰিখে কাৰ্বি আংলং জিলা বা নগাঁও জিলাৰ কাৰ্বি সকলে এই পূজা পালন কৰে। ৰংকে পূজাৰ অংশ হিচাপে গাঁওবাসীয়ে পৰম্পৰাগত নিয়ম মানি কুকুৰা আৰু গাহৰি বলি আগবঢ়োৱাৰ লগতে চাউল, সুৰা আৰু অন্যান্য পূজা-সামগ্ৰী উৎসৰ্গা কৰে। ৰংকে পূজাৰ দ্বিতীয় দিনা অনিষ্টকাৰী আত্মাক খেদি পঠিওৱা হয়। তদুপৰি বাঘৰ আক্ৰমণৰ পৰা গাঁৱক সুৰক্ষা প্ৰদান কৰিবলৈ মতা কুকুৰা বলি দিয়া হয়। পূজাৰ সময়ছোৱাত গাঁওখনত কিছুমান সামাজিক নিষেধাজ্ঞাও পালন কৰা হয়। ইয়াৰ ভিতৰত মচল পূজাত মহিলাই অংশগ্ৰহণ নকৰে। তদুপৰি পূজাৰ সময়ত কোনো লোকে গাঁও এৰি নাযায়। ৰংকে পূজাক কেন্দ্ৰ কৰি কাৰ্বি সমাজৰ পৰম্পৰাগত নৃত্য-গীতৰো আয়োজন কৰা হয়। পূজাৰ অন্তত গাঁওবাসীয়ে একেলগে ভোজ ভাতত অংশগ্ৰহণ কৰে, যাৰ জৰিয়তে সামাজিক ঐক্য আৰু ভাতৃত্ববোধ অধিক সুদৃঢ় হয়। উল্লেখযোগ্য যে আধুনিকতাৰ ধামখুমীয়াৰ মাজতো কাৰ্বি সকলে ৰংকে পূজাৰ দৰে পৰম্পৰাগত লোকাচাৰ আজিও সযতনে সংৰক্ষণ কৰি আহিছে। এই পূজাই কাৰ্বি সমাজৰ সাংস্কৃতিক পৰিচয় আৰু প্ৰকৃতি-পূজাৰ বিশ্বাসক প্ৰতিফলিত কৰি আহিছে।

# ৰাষ্ট্ৰীয় যোগ ক্ৰীড়া প্ৰতিযোগিতাত অসম দলৰ সাফল্য

**অসম বাৰ্তা, পুৰণিগুদাম, ৬ জানুৱাৰী ঃ** ঝাৰখণ্ডৰ ৰাচীত অনুষ্ঠিত ৫০ সংখ্যক স্বৰ্ণ জয়ন্তী ৰাষ্ট্ৰীয় চাব জুনিয়ৰ আৰু জুনিয়ৰ যোগাসন ক্ৰীড়া প্ৰতিযোগিতাত অসম দলে অংশগ্ৰহণ কৰি সুনাম অৰ্জন কৰিবলৈ সক্ষম হৈছে। যোগ ফেডাৰেচন অফ ইণ্ডিয়াৰ সহযোগত আৰু ঝাৰখণ্ড যোগ এছ'চিয়েছনে আয়োজন কৰা এই প্ৰতিযোগিতাত অসম দলে এটাকৈ সোণৰ পদক, এটাকৈ ৰূপৰ পদক আৰু দুটাকৈ ব্ৰঞ্জৰ পদক অৰ্জন কৰে। ইয়াৰ লগতে আন ১৪ গৰাকী প্ৰতিযোগীয়ে বিভিন্ন শিতানত স্থান লাভ কৰিবলৈ সক্ষম হৈছে। ভাৰতৰ প্ৰায় ২৯খন ৰাজ্যই অংশ লোৱা প্ৰতিযোগিতাখনত অসমৰ মুঠ ৩০ গৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। অসমৰ দলটোৰ পদকপ্ৰাপ্ত খেলুৱৈসকলৰ ভিতৰত ট্ৰেডিচনেল যোগাসনত উদিতা ৰাণী বৰাই সোণৰ পদক, ময়ূৰ মণ্ডলে ৰূপৰ পদক আৰু আৰিহান চক্ৰৱৰ্তীয়ে ব্ৰঞ্জৰ পদক অৰ্জন কৰে। আনহাতে, ফ্ৰী ফ্ল যোগাসনত উদিতা ৰাণী বৰা,




লুনা কলিতা, দেবাক্ষী চৌধুৰী, কমলিকা কুমাৰ আৰু কুঞ্জনা শৰ্মাই ব্ৰঞ্জৰ পদক অৰ্জন কৰে। উল্লেখ্য যে, যোৱা ২৭ ডিচেম্বৰৰ পৰা ৩০ ডিচেম্বৰলৈ অনুষ্ঠিত হোৱা প্ৰতিযোগিতাখনত ক্ৰীড়া আৰু যুৱ কল্যাণ সঞ্চালকালয়ৰ অধীনৰ নগাঁও জিলা ক্ৰীড়া বিষয়া কাৰ্যালয়ৰ শাৰীৰিক নিৰ্দেশক তথা অসম যোগ সংস্থাৰ সাধাৰণ সম্পাদক প্ৰভাত চন্দ্ৰ বৰাই ৰেফাৰী তথা প্ৰশিক্ষক হিচাপে উপস্থিত থাকে। অসম দলৰ এই সাফল্যত অসম যোগ সংস্থাৰ অধ্যক্ষ ডাঃ কৃষ্ণ কুমাৰ বৰা, উপসভাপতি মুনিন্দ্ৰ পাটোৱাৰী, নিত্য কুমাৰ শৰ্মা, প্ৰসেনজিৎ গাংগুলী, কোষাধ্যক্ষ মঞ্জুলা লস্কৰ, যুটীয়া সম্পাদক সমীৰ হাজৰিকা, পপী দাস শৰ্মা, বয়োজ্যেষ্ঠা যোগ শিক্ষয়িত্ৰী বিচিত্ৰা ভূঞা, বিজু শইকীয়াই অভিনন্দন জনাইছে।

# মাজুলীৰ শিক্ষাবিদ জয়ৰাম শইকীয়াৰ মৃত্যু

**অসম বাৰ্তা, মাজুলী, ৫ জানুৱাৰী ঃ** মাজুলীৰ আলিমূৰ বামুণগাঁও নিৱাসী অৱসৰপ্ৰাপ্ত শিক্ষক জয়ৰাম শইকীয়াৰ ৮৮ বছৰ বয়সত আজি পুঁৱতি নিশা ৪-৩৪ বজাত মৃত্যু হয়। যোৱা কিছুদিন ধৰি বাৰ্ধক্যজনিত কাৰণত অসুস্থ হৈ থকা ব্যক্তি গৰাকীৰ আজি পুৱা মৃত্যুৰ খবৰ লাভ কৰি অসংখ্য গুনমুগ্ধ তেখেতৰ বাসগৃহত উপস্থিত হৈ শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। উল্লেখ্য যে আশীৰ পৰা নব্বৈৰ দশকৰ ভিতৰত মাজুলীৰ কেবাখনো প্ৰাথমিক বিদ্যালয়ত শিক্ষাদান কৰা জয়ৰাম শইকীয়া বৰ্তমান প্ৰতিষ্ঠিত বহু ছাত্ৰ-ছাত্ৰী ৰ প্ৰাথমিক শিক্ষাৰ আদিগুৰু। তেখেতৰ ছবি অকাৰ পাক, অংক শিকোৱাৰ কৌশলক আজিও বহু শিক্ষাৰ্থীয়ে শ্ৰদ্ধাৰে সুঁৱৰে। আজীৱন শিক্ষক জয়ৰাম শইকীয়াৰ বিয়োগে মাজুলীৰ শৈক্ষিক পৰিমণ্ডলত অপূৰণীয় ৰিক্তস্থানৰ সৃষ্টি কৰিলে বুলি উল্লেখ কৰি মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই তেখেতৰ বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰে। প্ৰাথমিক শিক্ষাৰ মহীয়ান শিক্ষাবিদ গৰাকীৰ মৃত্যুত মাজুলীৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, দল-সংগঠন আদিয়ে শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। মৃত্যুৰ সময়ত জয়ৰাম শইকীয়াই পত্নী, চাৰিগৰাকী বিৱাহিত কন্যা, জোৱাই, তিনি ভাতৃ সহ এক বিশাল পৰিয়াল এৰি গৈছে।

# লটানী চাপৰি জাতীয় বিদ্যালয়ত ৪০০ শিক্ষাৰ্থীৰ বৃত্তি পৰীক্ষা সম্পন্ন

**অসম বাৰ্তা, ৰূপহীহাট, ৫ জানুৱাৰী ঃ** অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ উদ্যোগত নগাঁও জিলা জাতীয় বিদ্যালয় সমন্বয়ৰক্ষী সমিতিৰ সহযোগত আজি চামগুৰি সমষ্টিৰ লটানী চাপৰি জাতীয় বিদ্যালয়ত ২০২৫-২৬ বৰ্ষৰ ৰাজ্যিক বৃত্তি পৰীক্ষা অনুষ্ঠিত হয়। আজি পুৱাৰ ভাগৰ পৰাই শিক্ষাৰ্থী সকলে শান্তি শৃংখলা বজাই ৰাখি বৃত্তি পৰীক্ষাত অৱতীৰ্ণ হয়। নগাঁও জিলা জাতীয় বিদ্যালয়ৰ অন্তৰ্গত ৭খন ব্যাক্তিগত খণ্ডৰ বিদ্যালয়ৰ প্ৰায় ৪০০ গৰাকী পৰীক্ষাৰ্থীয়ে বৃত্তি পৰীক্ষাত অংশগ্ৰহণ কৰে। তৃতীয় শ্ৰেণীৰ পৰা দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী সকলে ৰাজ্যিক বৃত্তি পৰীক্ষাত অৱতীৰ্ণ হয়। উক্ত বৃত্তি পৰীক্ষাত কেইবা গৰাকী নিৰীক্ষকৰ উপস্থিতিত অনুষ্ঠিত হয়। লটানী চাপৰি জাতীয় বিদ্যালয়ৰ শৈক্ষিক পৰিৱেশ উন্নত মানৰ বাবেই অন্য বিদ্যালয়ৰ অভিভাৱক সকলে পৰীক্ষা কেন্দ্ৰটোত আহি আপ্লুত হোৱা পৰিলক্ষিত হয়। লটানী চাপৰি জাতীয় বিদ্যালয়ৰ ফালৰ পৰা নগাঁও জিলা অসম জাতীয় বিদ্যালয়ৰ সমন্বয়ৰক্ষী সমিতিৰ সভাপতি সুনিল বৰা আৰু কেইবা গৰাকী শিক্ষকক এখনি ফুলাম গামোচাৰে আদৰণি জনায়। আজিৰ বৃত্তি পৰীক্ষাৰ পৰ্যবেক্ষক হিচাপে উপস্থিত থাকে আবু নছৰৰ লগতে লটানী চাপৰি জাতীয় বিদ্যালয়ৰ অধ্যক্ষ তথা বৃত্তি পৰীক্ষাৰ দায়িত্বত থকা আব্দুল আৱাল। উল্লেখ্য যে অতিকৈ ভিতৰুৱা অঞ্চল লটানী চাপৰি জাতীয় বিদ্যালয়ত বৃত্তি পৰীক্ষা কেন্দ্ৰ দিয়াৰ বাবে অসম জাতীয় সংসদীয় পৰিষদক লটানী চাপৰি জাতীয় বিদ্যালয়ৰ ফালৰ পৰা আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰে।



# সৰুপথাৰ টেঙাহোলা গাঁৱত মে-ডাম-মে-ফি উপলক্ষে নৰাকটা পৰ্ব



**অসম বাৰ্তা, ধনশিৰি, ৫ জানুৱাৰী ঃ** আহোম জনগোষ্ঠীৰ লোকসকলে ধৰ্মীয় উপাসনাৰে পূৰ্বপুৰুষ সকলক স্মৰণ কৰাৰ মহান উৎসৱ "মে-ডাম-মে-ফি" লৈ মাজত মাত্ৰ কেইটামান দিন বাকী। অসমৰ ঠায়ে ঠায়ে এই উৎসৱভাগি উদ্‌যাপনৰ বাবে প্ৰস্তুতি চলিছে। সৰুপথাৰৰ অঞ্চলৰ টেঙাহোলা গাঁৱতো মে-ডাম-মে-ফি উদ্‌যাপনৰ বাবে চলিছে ব্যাপক প্ৰস্তুতি। টাই আহোম যুৱ পৰিষদ অসম ধনশিৰি মহকুমা সমিতি আৰু টেঙাহোলা, গন্ধকবৈ শাখা সমিতিৰ লগতে টাই আহোম মহিলা পৰিষদ টেঙাহোলা শাখা সমিতিৰ উদ্যোগত আগন্তুক ৩১ জানুৱাৰী তাৰিখে অনুষ্ঠিত হ'বলগীয়া মে-ডাম-মে-ফি অনুষ্ঠানভাগ এইবাৰ সৰুপথাৰৰ টেঙাহোলা গাঁৱত অনুষ্ঠিত কৰাৰ বাবে মনস্থ কৰা হয়। টাই আহোম যুৱ পৰিষদে "জ্ঞাতি বিচাৰি গাঁৱলৈ যাওঁ ব'লা" নামেৰে এটি কাৰ্যসূচী হাতত লৈ প্ৰত্যেকখন গাঁৱলৈ আহোম জনগোষ্ঠীৰ পৰম্পৰা সমূহ লৈ যোৱাৰ মানসেৰে এটি প্ৰচেষ্টা হাতত লৈছিল। সেই প্ৰচেষ্টাক সন্মান জনাই টেঙাহোলা গাঁৱৰ ৰাইজে এইবাৰ মে-ডাম-মে-ফি অনুষ্ঠানভাগ তেওঁলোকৰ টেঙাহোলা গাঁৱত অনুষ্ঠিত কৰিবলৈ টাইপাৰ বিষয়ববীয়া সকলক আমন্ত্ৰণ জনাইছিল। তদুপলক্ষে আজি মে-ডাম-মে-ফি উদ্‌যাপনৰ প্ৰথম কাৰ্যসূচী হিচাপে "নৰা কটা পৰ্ব" অনুষ্ঠানৰ শুভাৰম্ভ কৰে। নৰা কটা পৰ্বত প্ৰায় অৰ্ধ শতাধিক মহিলাই হাতে হাতে কাঁচি লৈ নৰা কাটে। উক্ত অনুষ্ঠানত মহিলা সকলৰ লগতে টাইপাৰ বিভিন্ন বিষয়ববীয়া আৰু স্থানীয় ৰাইজ উপস্থিত থাকি সহযোগিতা আগবঢ়াই। টাই আহোম যুৱ পৰিষদ আৰু টাই আহোম মহিলা পৰিষদৰ বিষয়ববীয়া সকলে "মে-ডাম-মে-ফি"ৰ দিনটোত সকলো জাতি-জনগোষ্ঠীৰ লোকৰে উপস্থিতি আৰু সহযোগিতা কামনা কৰিছে।

**দেশ-বিদেশৰ পাঁচ সহস্ৰাধিক প্ৰতিনিধিৰ অংশগ্ৰহণ**

# উত্তৰ গুৱাহাটী প্ৰজাপিতা ব্ৰহ্মকুমাৰী ইশ্বৰীয় বিশ্ববিদ্যালয়ৰ 'স্নেহ মিলন' অনুষ্ঠান সম্পন্ন

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৫ জানুৱাৰী ঃ** নৱবৰ্ষৰ লগত সংগতি ৰাখি প্ৰজাপিতা ব্ৰহ্মকুমাৰী ইশ্বৰীয় বিশ্ববিদ্যালয়ৰ বছৰেকীয়া স্নেহ মিলন অনুষ্ঠানটি ৰবিবাৰে উত্তৰ গুৱাহাটীৰ ডেকাবাৰীস্থিত "ব্ৰহ্মপুত্ৰ সৰোবৰ ঋতিক কেন্দ্ৰত " উলহ মালহেৰে উদ্‌যাপন কৰা হয়। উক্ত অনুষ্ঠানত কেৱল উত্তৰ পূৰ্বাঞ্চলৰে নহয় দেশ তথা বিদেশৰ প্ৰতিনিধিয়েও অংশগ্ৰহণ কৰে। প্ৰায় পাঁচ সহস্ৰাধিক প্ৰজাপিতা ব্ৰহ্মকুমাৰী ইশ্বৰীয় বিশ্ববিদ্যালয়ৰ অনুৰাগীয়ে অংশ লোৱা অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে ৰাজস্থানত অৱস্থিত বিশ্ববিদ্যালয়খনৰ জ্যেষ্ঠ




ৰাজযোগিনী ৰুক্মিণী বেহেনজীয়ে। ইয়াৰ লগতে ব্ৰহ্মকুমাৰী ইশ্বৰীয় বিশ্ববিদ্যালয়ৰ বাংলাদেশ তথা উত্তৰ পূৰ্বাঞ্চলৰ সঞ্চালিকা ৰাজযোগিনী জোনালী বেহেনজীয়ে। অনুষ্ঠানত অংশগ্ৰহণ কৰি দুয়োগৰাকী ৰাজযোগিনীয়ে সকলোকে নৱবৰ্ষৰ শলাগ দিয়াৰ লগতে মানৱ সেৱাত নিজকে উৎসৰ্গা কৰিবলৈ আহ্বান জনায়। ৰবিবাৰে পুৱা সমূহীয়া প্ৰাৰ্থনা তথা ধ্যানেৰে আৰম্ভ হোৱা আধ্যাত্মিক অনুষ্ঠানটিত কেইবাজনো অনুৰাগীয়ে ধৰ্মীয় অনুভূতিৰ ওপৰত ব্যাখ্যা আগবঢ়ায়। নৃত্য-গীত বিভিন্ন খেল-ধেমালিৰে সজোৱা আজিৰ অনুষ্ঠানত অসমীয়াৰ হৃদয়ৰ স্পন্দন জুবিন গাৰ্গ, সুধাকণ্ঠ ড° ভূপেন হাজৰিকাক গভীৰ স্মৰণ কৰা হয়। ইফালে, প্ৰজাপিতা ব্ৰহ্মকুমাৰী ইশ্বৰীয় বিশ্ববিদ্যালয়ত নিৰ্মাণ কৰা আটকধুনীয়া পিৰামিড আকৃতিৰ প্ৰাৰ্থনা গৃহটো প্ৰত্যক্ষ কৰি অভিভূত হৈ পৰে সুদূৰ নিউজিলেণ্ডৰ পৰা অহা প্ৰজাপিতা ব্ৰহ্মকুমাৰী শিষ্য কৃষ্ণ ভাই। অনুষ্ঠানৰ লগত সংগতি ৰাখি বৃক্ষ ৰোপণ কাৰ্যসূচীও ৰূপায়ণ কৰা হয়। উত্তৰ গুৱাহাটীত নিৰ্মাণ ৰত অৱস্থাত থকা ঋত্বিক কেন্দ্ৰটোৰ তত্বাৱধানত উদ্ধৱ শইকীয়াই জানিব দিয়া মতে কেন্দ্ৰটোত নিৰ্মাণ কৰি থকা ৩ হাজাৰ দৰ্শক বহিব পৰা প্ৰেক্ষাগৃহটো চলিত বছৰতে সম্পূৰ্ণ হোৱাৰ সম্ভাৱনা আছে।

# নামতি ক্ৰীড়া সন্থাৰ উদ্যোগত দিবা-নৈশ ফুটবল প্ৰতিযোগিতা

**অসম বাৰ্তা, গেলেকী, ৫ জানুৱাৰী ঃ** নামতিৰ ক্ৰীড়া সন্থাৰ উদ্যোগত শিৱসাগৰ জিলাৰ নামতি শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ৰ খেলপথাৰত আজিৰে পৰা অনুষ্ঠিত হৈছে প্ৰয়াত দুৰ্গা বড়া আৰু প্ৰয়াত নেত্ৰ চেতিয়াৰ সোঁৱৰণত ট্ৰফি ও প্ৰাইজমণি আমন্ত্ৰণমূলক দিবা-নৈশ ফুটবল প্ৰতিযোগিতাৰ। প্ৰতিযোগিতাৰ উদ্বোধনী মেচত অংশগ্ৰহণ কৰে এফ, চি, চি, ফুটবল একাদশ শিৱসাগৰ আৰু চতুৰ্থ অসম পুলিচ কামাণ্ডো একাদশে। বাতৰি যুগুত কৰাৰ সময়লৈকে শিৱসাগৰ ফুটবল একাদশ ১-০ গ'লৰ ব্যৱধানত আগবাঢ়ি আছে। প্ৰতিযোগিতাৰ আৰম্ভণিতে প্ৰয়াত দুৰ্গা বড়া আৰু নেত্ৰ চেতিয়াৰ প্ৰতিচ্ছবিৰ লগতে প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তিপ্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত স্থানীয় ভালেসংখ্যক গণ্য মান্য ব্যক্তিৰ লগতে, সাংবাদিক, উদ্‌যাপন সমিতিৰ বিষয়ববীয়া উপস্থিত থাকে। প্ৰতিযোগিতাৰ উদ্ধোধক হিচাপে উপস্থিত আছিল শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ৰ অধ্যক্ষ ধ্ৰুৱজ্যোতি নাথ। এই প্ৰতিযোগিতাত অসমৰ আগশাৰীৰ মুঠ ৮টা ফুটবল একাদশে অংশগ্ৰহণ কৰিছে। অহা ইংৰাজী ৮ জানুৱাৰীত প্ৰতিযোগিতাৰ চূড়ান্ত মেচখন অনুষ্ঠিত কৰা হ'ব বুলি উদ্যোক্তাসকলে জানিব দিছে।

# দৰিদ্ৰৰ চিকিৎসাৰ সমুদায় খৰচ বহন

**অসম বাৰ্তা, সোণতলী, ৫ জানুৱাৰী ঃ** ছমৰীয়াত এইবাৰ দৰিদ্ৰলোকৰ চিকিৎসাৰ সমুদায় খৰচ বহন কৰিলে অধিবক্তা কোৰবান আলী নামৰ এগৰাকী ব্যক্তিয়ে। এক বুজন পৰিমাণে আৰ্থিক সাহায্য লাভ কৰাৰ ফলতে পৰিয়ালটোৱে সকাহ লাভ কৰে। জানিব পৰামতে, ছমৰীয়া সমষ্টিৰ গৰৈমাৰী ব্লক'ৰ অন্তৰ্গত দেওচৰৰ আমিৰ আলীৰ স্ত্ৰী আৰু ছমৰীয়া ব্লক'ৰ অন্তৰ্গত মৰাকলহী বালি চৰৰ হামিদা খাতুনে বকোৰ ব্যক্তিগত খণ্ডৰ চিকিৎসালয়ত এটা পুত্ৰ সন্তান জন্ম দিয়ে। অতি দৰিদ্ৰ পৰিয়ালৰ লোক হোৱা বাবে চিকিৎসালয়ৰ খৰচ বহন কৰিব নোৱাৰি পৰিয়ালটোৱে বৰ বিমোৰত পৰে। পৰিয়ালৰ লোকে উপায়ন্তৰ হৈ সন্তানটি বিক্ৰী কৰিব লগা হোৱা পৰিস্থিতিৰ সৃষ্টি হয়। সেই সময়ত অধিবক্তা কোৰবান আলীয়ে খবৰটো পাই উক্ত পৰিয়ালৰ ওচৰত ত্ৰাণকৰ্তাৰূপে থিয় দি চিকিৎসালয়ৰ সমুদায় খৰচ বহন কৰে। ৰবিবাৰে অধিবক্তা কোৰবান আলীয়ে নিজ পৰিয়ালসহ এটা সজাতি দলে পুনৰ পৰিয়ালটোৰে সাক্ষাৎ কৰি নৱজাতকটি লৈ জাৰত সহায়ক হ'ব পৰাকৈ কিছু সা-সামগ্ৰী আগবঢ়ায়। এই সময়তে এগৰাকী বৃদ্ধাসহ আন এগৰাকী কেঞ্চাৰ বেমাৰৰ আক্ৰান্তা মহিলালৈয়ো কিছু আৰ্থিক সাহায্য আগবঢ়ায়। অধিবক্তা গৰাকীৰ দানৰ এনেকুৱা মহানুৰতাই অঞ্চলস্থ লোকৰ দৃষ্টি আকৰ্ষণ কৰিছে বুলি জানিব পৰা গৈছে।

**২০২৬ বিধানসভা নিৰ্বাচনৰ টিকত দাবীদাৰ যুৱ নেতা উৎপল কুমাৰ নাথৰ**

# মৰিগাঁৱৰ যুৱ নেতা উৎপল কুমাৰ নাথৰ সদলবলে বিজেপিত যোগদান



**অসম বাৰ্তা, মৰিগাঁও, ৫ জানুৱাৰী ঃ** মৰিগাওঁ জিলাৰ যুৱ ৰাজনীতিত পৰিচিত মুখ উৎপল কুমাৰ নাথে ৰবিবাৰে সদলবলে ভাৰতীয় জনতা পাৰ্টী (বিজেপি)ত আনুষ্ঠানিকভাৱে যোগদান কৰিছে। গুৱাহাটীৰ ভাৰতীয় জনতা পাৰ্টীৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত ৰাজ্যিক সভাপতি দিলীপ শইকিয়া, সাধাৰণ সম্পাদক ক্ৰমে দিপ্লুৰঞ্জন শৰ্মা, পল্লৱলোচন দাসৰ লগতে বহুকেইজন বিশিষ্ট দলীয় কাৰ্যকৰ্তা উপস্থিতিত এক যোগদান কাৰ্যসূচীত শ শ সমৰ্থক আৰু যুৱ কৰ্মীৰ সৈতে তেওঁ বিজেপিত যোগদান কৰাত জিলাখনৰ ৰাজনৈতিক ক্ষেত্ৰত নতুন গতি সৃষ্টি হৈছে। উক্ত অনুষ্ঠানত বিজেপিৰ ৰাজ্যিক আৰু জিলা পৰ্যায়ৰ কেইবাগৰাকীও শীৰ্ষ নেতাই অংশগ্ৰহণ কৰি উৎপল কুমাৰ নাথ আৰু তেওঁৰ সহযোগীসকলক দললৈ আদৰণি জনায়। দলীয় নেতাসকলে কয় যে, উৎপল কুমাৰ নাথৰ দৰে সক্ৰিয় আৰু সংগঠক ক্ষমতাসম্পন্ন যুৱ নেতাৰ যোগদানে মৰিগাওঁ জিলাত বিজেপিৰ সাংগঠনিক ভিত্তি অধিক শক্তিশালী কৰিব। যোগদানৰ পিছত সংবাদ মাধ্যমৰ আগত বক্তব্য ৰাখি উৎপল কুমাৰ নাথে কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত কেন্দ্ৰ চৰকাৰ আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অসম চৰকাৰৰ উন্নয়নমুখী নীতি-কাৰ্যসূচীয়ে তেওঁক গভীৰভাৱে প্ৰভাৱিত কৰিছে। সমষ্টিটোৰ সামগ্ৰিক উন্নয়ন, যুৱসমাজৰ সৱলীকৰণ, নিয়োগ সৃষ্টি আৰু সামাজিক অগ্ৰগতিৰ ক্ষেত্ৰত কাম কৰিবলৈ তেওঁ বিজেপিত যোগদান কৰা বুলি উল্লেখ কৰে। উল্লেখযোগ্য যে, উৎপল কুমাৰ নাথ দীৰ্ঘদিন ধৰি বিভিন্ন সামাজিক আৰু যুৱ কৰ্মমুখি আন্দোলনৰ সৈতে জড়িত হৈ আছে। ৰবিবাৰে তেওঁৰ সৈতে বৃহৎ সংখ্যক যুৱ কৰ্মীয়ে বিজেপিত যোগদান কৰাত আগন্তুক সময়ত জিলাখনৰ ৰাজনৈতিক সমীকৰণত গুৰুত্বপূৰ্ণ পৰিৱৰ্তন ঘটিব বুলি ৰাজনৈতিক মহলত আলোচনা আৰম্ভ হৈছে। ইফালে, আগন্তুক ২০২৬ বিধানসভা নিৰ্বাচনৰ প্ৰেক্ষাপটত উৎপল কুমাৰ নাথক সম্ভাব্য টিকত দাবিদাৰ হিচাপে দেখা গৈছে। যদিও দলীয়ভাৱে এই সন্দৰ্ভত আনুষ্ঠানিক ঘোষণা হোৱা নাই, তথাপি তেওঁৰ সক্ৰিয়তা আৰু সংগঠনিক দক্ষতাই তেওঁক শক্তিশালী দাবিদাৰ ৰূপে আগবঢ়াইছে বুলি দলীয় সূত্ৰই জানিবলৈ দিয়ে।

# জৰাজীৰ্ণ দলং ভাঙি নদীত পৰিল তিনিচকীয়া বাহন, বিজেপি আৰু ইউপিপিএল চৰকাৰৰ মিথ্যা প্ৰতিশ্ৰুতি

**অসম বাৰ্তা, গোসাঁইগাঁও, ৫ জানুৱাৰী ঃ** কোকৰাঝাৰ জিলাৰ শ্ৰীৰামপুৰ পৰিষদীয় সমষ্টি তথা বৰ্তমান অসম বিধান সভাৰ ১ নং গোঁসাই গাঁও সমষ্টিৰ অন্তৰ্গত ২ নং ভোমৰাবিল আৰু হাৰাপুটা সংযোগী হাৰাপুটা নদীৰ আবেদ আলী ঘাটৰ জৰাজীৰ্ণ কাঠৰ দলং ভাঙি ই-ৰিস্কা এখন নদীত পৰি চাৰিজন যাত্ৰী আহত হয় উল্লেখ্য যে হাৰাপুটা নদীৰ ওপৰত থকা আওপুৰণি দলংখন হাৰাপুটা ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ লগত লাগি থকা একমাত্ৰ সংযোগী দলং। এইখন দলংৰ দ্বাৰা গোঁসাই গাঁও কলেজ, ৰবি হাজী কলেজ, হাতীধুৰা মহাবিদ্যালয়ৰ তথা স্কুলীয়া ছাত্ৰ-ছাত্ৰীয়ে দৈনন্দিন অহা-যোৱা কৰাৰ লগতে প্ৰায় ১৫খন ৰাজহ গাঁৱৰ কৃষকে কৃষিজাত সামগ্ৰী সমূহ সাৰাপুটা, গোঁসাই গাঁও, বাৰো বিছা বজাৰত বেচা-কিনা কৰাৰ বাবে যোগাযোগৰ একমাত্ৰ সম্বল। আজি বিপিএফ চৰকাৰৰ শ্ৰীৰামপুৰ সমষ্টিৰ টি-চি-এল-চি-চি সভাপতি তথা অধিবক্তা মোখলেছুৰ ৰহমান, ভোমৰাবিলৰ ভিচিডিচি সভাপতি আনোৱাৰ হুছেইন খান সহ বহু সংখ্যক কৰ্মকৰ্তা সকলে উক্ত স্থান পৰিদৰ্শন কৰি যাতায়ত ব্যৱস্থা সুচল কৰিবলৈ দলংখন মেৰামতি কৰি দিয়াৰ আশ্বাস প্ৰদান কৰে। স্থানীয়জন সাধাৰণে অতি শীঘ্ৰেই দলংখন মেৰামতি কৰাৰ লগতে এখন আৰ চি চিব্ৰীজ নিৰ্মাণ কৰি দিয়াৰ বাবে চৰকাৰৰ ওচৰত অনুৰোধ জনাও।

# বিহালীত CA পৰীক্ষাত সফলতা কঢ়িয়াই অনা আকাশ অগ্ৰৱালক মাৰোৱাৰী সন্মিলনৰ সম্বৰ্ধনা

**অসম বাৰ্তা, বিহালী, ৫ জানুৱাৰী ঃ** বিহালী সমষ্টিৰ অন্তৰ্গত কাৰিবিল নেপালী নিৱাসী কৈলাস আৰু সৰলা আগৰৱালাৰ কনিষ্ঠ পুত্ৰ আকাশ আগৰৱালই সদ্যঘোষিত সৰ্বভাৰতীয় পৰ্য্যায়ৰ চিএ পৰীক্ষাত সফলতা অৰ্জন কৰিবলৈ সক্ষম হোৱাত তেখেতৰ বাসগৃহত আজি মাৰোৱাৰী সন্মিলন গহপুৰ-বিহালী শাখা আৰু মাৰোৱাৰী সন্মিলন গহপুৰ-বিহালী মহিলা শাখাৰ বিষয়ববীয়া আৰু সদস্য সকল উপস্থিত হৈ ফুলাম গামোচা, অভিনন্দন পত্ৰ আৰু মিঠাই টোপোলাৰে অভিনন্দন জনোৱা হয়। অনুষ্ঠানত মাৰোৱাৰী সন্মিলন গহপুৰ-বিহালী শাখাৰ সম্পাদক দীপক আগৰৱালাই শুভেচ্ছা মূলক বক্তব্য প্ৰদান কৰে। লগতে পিতৃ কৈলাস আগৰৱালাই সকলোকে ধন্যবাদ জ্ঞাপন কৰে।

# ৰাষ্ট্ৰীয় উশ্বু খেলত চন্দন ৰাভাৰ ব্ৰঞ্জৰ পদক লাভ

**অসম বাৰ্তা, টংলা, ৫ জানুৱাৰী ঃ** বিগত বৰ্ষৰ ২৪ পৰা ৩০ ডিচেম্বৰলৈ ছত্তিশগড়ৰ ৰাজনান গাঁৱত অনুষ্ঠিত ৰাষ্ট্ৰীয় উশ্বু খেলত ৩২ কিলো ওজনৰ শাখাত ব্ৰঞ্জৰ পদকেৰে গৌৰৱ কঢ়িয়াই অনা ওদালগুৰি জিলাৰ টংলা থানাৰ অন্তৰ্গত গেৰুৱা গাঁও নিবাসী বলোৰাম ৰাভাৰ পুত্ৰ চন্দন ৰাভাই আজি গৃহজিলাত প্ৰৱেশ কৰা লগে লগে টংলা ৰেল ষ্টেচনৰ পৰা পৰা গেৰুৱা ফুটুকীবাৰী প্ৰাথমিক বিদ্যালয় পৰিচালনা সমিতি, গেৰুৱা গাঁও উন্নয়ন সমিতি, গেৰুৱা মিউজিক ক্লাব, ব্যক্তি বিশেষে আন্তৰিক অভিনন্দন জনাই ফুলাম গামোচা, পাজাৰেৰে ওপজা গাঁৱলৈ আদৰি আনে। গেৰুৱা ফুটুকীবাৰী প্ৰাথমিক বিদ্যালয়ত প্ৰধান শিক্ষক জিতেন্দ্ৰ ৰাভা, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি তপন ৰাভাৰ নেতৃত্বত গামোচা, সম্বৰ্ধনা পত্ৰৰে সম্বৰ্ধনা জ্ঞাপন কৰে। উশ্বু খেলৰ প্ৰশিক্ষক বাসু কছাৰী, ওদালগুৰি জিলা উশ্বু সন্থাৰ সভাপতি তথা ৰাষ্ট্ৰীয় কোচ জেকব বসুমতাৰী, প্ৰবিথ দৈমাৰী, অজিৎ দৈমাৰী, গেৰুৱা গাঁও উন্নয়ন সমিতিৰ সভাপতি দেবেন চন্দ্ৰ ৰাভা, সম্পাদক যদু ৰাভা, পূব টংলা আঞ্চলিক সাংস্কৃতিক যুৱ মঞ্চ, পুৰন্দিয়া সাহিত্য সভা, টংলা প্ৰেছ ক্লাব, স্থানীয় ব্যক্তি, ৰাইজে উশ্বু অভিনন্দন জ্ঞাপন কৰা পিছতে গেৰুৱা বেণ্ড পাৰ্টীৰ দলে, গেৰুৱা, পশ্চিম ফুটুকীবাৰী গাঁৱৰ শিশু, যুৱক-যুৱতী, পুৰুষ-মহিলাই ঢোলে ডগৰে আদৰি ঘৰলৈ আগবঢ়াই লৈ আহে। গেৰুৱা মিউজিক ক্লাব আৰু গেৰুৱা গাঁও উন্নয়ন সমিতিয়ে ঘৰটো অভিনন্দন অনুষ্ঠানৰ আয়োজন কৰে।

**দল-সংগঠনৰ উশ্ম অভিনন্দন**




# বড়মপুৰত আৰম্ভ ক্লাৱ লীগ ক্ৰিকেট; ষ্ট্ৰাইকাৰ ক্ৰিকেট ক্লাৱ ৫৪ ৰাণত জয়ী

**অসম বাৰ্তা, পুৰণিগুদাম, ৫ জানুৱাৰী ঃ** নগাঁও জিলাৰ বড়মপুৰ ক্ৰীড়া সন্থাৰ অধীনত থকা ক্ৰিকেট খেলপথাৰত আজিৰে পৰা আৰম্ভ হৈছে ক্লাব লীগ ক্ৰিকেট খেল। মুঠ এঘাৰতাকৈ আগশাৰীৰ ক্লাৱে অংশগ্ৰহণ কৰা ক্লাব লীগৰ আজিৰ প্ৰথমখন খেলত ষ্ট্ৰাইকাৰ ক্ৰিকেট ক্লাৱে



প্ৰিয়ংকা- ১১ ক্লাৱক ৫৪ ৰাণৰ ব্যৱধানত পৰাজিত কৰে। নিৰ্ধাৰিত ৩০ অভাৰত ষ্ট্ৰাইকাৰ ক্ৰিকেট ক্লাৱে আঠাইকেইটা উইকেট হেৰুৱাই ১৭৩ ৰাণৰ লক্ষ্য বান্ধি দিয়াৰ বিপৰীতে প্ৰিয়ংকা-১১ ক্লাৱে ২৫-২ অভাৰত আঠাইকেইটা উইকেট হেৰুৱাই ১১৯ ৰাণ কৰিবলৈ সক্ষম হয়। খেলখনত শ্ৰেষ্ঠ খেলুৱৈ সন্মান লাভ কৰে ষ্ট্ৰাইকাৰ ক্ৰিকেট ক্লাৱৰ অমৰজিৎ চাহুয়ে আৰু শ্ৰেষ্ঠ বেটছমেন হিচাপে একে দলৰে সঞ্জয় মহন্ত আৰু শ্ৰেষ্ঠ বলাৰ হিচাপে অমৰজিৎ চাহুয়েই সন্মান লাভ কৰিবলৈ সক্ষম হয়। আজিৰ উদ্বোধনী খেলখনত উপস্থিত থাকে প্ৰাক্তন ৰঞ্জী খেলুৱৈ শোণিত বৰুৱা, বড়মপুৰ ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক, ক্ৰীড়া সংগঠক প্লাৱন বৰুৱা আৰু বড়মপুৰৰ ক্ৰিকেট প্ৰশিক্ষক দীপাংকৰ দাস। অহা কালিলৈ দ্বিতীয়খন খেলত তীব্ৰ প্ৰতিদ্বন্দ্বিতা আগবঢ়াব চলচলি ৰাইন'জ ক্লাব আৰু ছানৰাইজাৰ্ছ ক্লাৱ পুৰণিগুদাম ক্ৰিকেট দলে।

**নাথ-যোগীসকলক উপগ্ৰহীয় স্বায়ত্ত শাসিত পৰিষদ গঠন আৰু পূৰ্ণাংগ সংৰক্ষিত শ্ৰেণীৰ মৰ্যাদা দাবী**

# বিহগুৰিত শোণিতপুৰ জিলা যোগী সন্মিলনীৰ বৃহৎ জোঁৰ সমদল

**অসম বাৰ্তা, ঢেকীয়াজুলি, ৫ জানুৱাৰী ঃ** অসমৰ খিলঞ্জীয়া নাথ-যোগীসকলৰ উপগ্ৰহীয় স্বায়ত্ত শাসিত পৰিষদ গঠন কৰা আৰু অসমৰ খিলঞ্জীয়া নাথ যোগীসকলক পূৰ্ণাংগ সংৰক্ষিত শ্ৰেণীৰ মৰ্যাদা প্ৰদানৰ দাবীত আজি সন্ধিয়া অনুমাণিক ৭ বজাত শোণিতপুৰ জিলাৰ অন্তৰ্গত বৰছলা বিধানসভা সমষ্টি এলেকাৰ বিহগুৰিত শোণিতপুৰ জিলা যোগী সন্মিলনীৰ উদ্যোগত এক বৃহৎ জোঁৰ সমদল কাৰ্যসূচী অনুষ্ঠিত হয়। এই জোঁৰ সমদলত শোণিতপুৰ জিলাৰ বিভিন্ন প্ৰান্তৰ পৰা হাজাৰ হাজাৰ নাথ-যোগী সমাজৰ লোকে অংশগ্ৰহণ কৰে। বিহগুৰিৰ মুখ্য পথেদি উলিওৱা জোঁৰ সমদলত অংশগ্ৰহণকাৰীসকলে নিজৰ ন্যায্য অধিকাৰৰ দাবীত বিভিন্ন শ্ল'গান দি ৰাজপথ উত্তাল কৰি তোলে। পূৰ্ণাংগ সংৰক্ষণ আমাৰ অধিকাৰ", "নাথ-যোগী সমাজক ন্যায় দিয়া হওক" আদি শ্ল'গানেৰে সমদলস্থল মুখৰিত হৈ উঠে। সমদলটোৰ ফলত কিছু সময়ৰ বাবে বিহগুৰিৰ ৰাজপথত যান-বাহন চলাচল প্ৰভাৱিত হয় যদিও পৰিস্থিতি সম্পূৰ্ণভাৱে শান্তিপূৰ্ণ আছিল। শোণিতপুৰ জিলা যোগী সন্মিলনীৰ নেতৃবৃন্দই কয় যে নাথ-যোগী সমাজ বহু বছৰ ধৰি সামাজিক, শিক্ষাগত আৰু অৰ্থনৈতিকভাৱে পিছপৰা অৱস্থাত আছে। তথাপি আজিলৈকে এই সমাজে পূৰ্ণাংগ সংৰক্ষিত শ্ৰেণীৰ মৰ্যাদা লাভ নকৰাটো দুখজনক বুলি মন্তব্য কৰে। তেওঁলোকে ৰাজ্য চৰকাৰৰ লগতে কেন্দ্ৰ চৰকাৰকো শীঘ্ৰে এই দাবীৰ প্ৰতি গুৰুত্ব আৰোপ কৰি নাথ-যোগী সমাজক উপগ্ৰহীয় স্বায়ত্ত শাসিত পৰিষদ গঠন কৰা আৰু পূৰ্ণাংগ সংৰক্ষিত শ্ৰেণীৰ মৰ্যাদা প্ৰদান কৰাৰ দাবী জনায়। সমদলত অংশগ্ৰহণ কৰা বহু লোকেই কয় যে শান্তিপূৰ্ণ গণতান্ত্ৰিক আন্দোলনৰ জৰিয়তে নিজৰ অধিকাৰ আদায় নোপোৱালৈকে এই আন্দোলন অব্যাহত থাকিব। তেওঁলোকে চৰকাৰৰ পৰা ইতিবাচক সঁহাৰি আশা কৰিছে আৰু দাবী পূৰণ নোহোৱালৈকে সংগঠিতভাৱে আন্দোলন চলাই যোৱাৰ সংকল্প গ্ৰহণ কৰে। উল্লেখ্য যে এই জোঁৰ সমদলৰ জৰিয়তে নাথ-যোগী সমাজে পুনৰবাৰ চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে বুলি সচেতন মহলে আজি মন্তব্য প্ৰকাশ কৰিছে।

# প্ৰাক্তন প্ৰধান শিক্ষক, সমাজকৰ্মী বলেন দাসৰ দেহাৱসান

**অসম বাৰ্তা, মিৰ্জা, ৫ জানুৱাৰী ঃ** দক্ষিণ কামৰূপৰ পলাশবাৰী ৰাজহ চক্ৰৰ অন্তৰ্গত নহিৰা গাৱৰ প্ৰাক্তন শিক্ষক বিশিষ্ট সমাজকৰ্মী বলেন দাসৰ সোমবাৰে পুৱা প্ৰায় চাৰি বজাত পৰলোকপ্ৰাপ্তি হয়। ৰাজনৈতিক মেৰ পাকত পৰি প্ৰাদেশিকীকৰণ নোহোৱা নহিৰা মধ্য ইংৰাজী বিদ্যালয়ত বহু বছৰ ধৰি শিক্ষকতা কৰি সমাজত শিক্ষাৰ পোহৰ বিলাবলৈ সক্ষম হৈছিল বলেন দাসে। বিগত সময়ত নহিৰা ৰাজহ গয়ৰহৰ সম্পাদক, নহিৰা বিলৰঘাট পাৰাবাসীৰ বহু বছৰ সভাপতি, নহিৰা গাঁও পঞ্চায়তৰ সদস্য, বিলৰঘাট বহাগী বিহু উদযাপন সমিতিৰ সভাপতি তথা আন আন বিভিন্ন সামাজিক কাম কাজত নিজকে নিয়োজিত কৰি বিশেষ ভাৱে সমাজত সেৱা আগবঢ়াইছিল বলেন দাসে। সোমবাৰে ৰাজহুৱা শ্মশানত শেষকৃত্য সম্পন্ন কৰা হয় দাসৰ। ৬৭ বছৰ বয়সত শেষ নিশ্বাস ত্যাগ কৰা বলেন দাসে এই সংসাৰত পত্নী, পুত্ৰ, বোৱাৰী আৰু ছোৱালী এৰি থৈ যায়। তেওঁৰ মৃত্যুত সমগ্ৰ নহিৰা অঞ্চলত শোকাকুল পৰিৱেশৰ সৃষ্টি হয়।

# ডবকাত "হেমবৰা আৰ্ট গেলাৰীত" চিত্ৰ প্ৰদৰ্শনী




**অসম বাৰ্তা, ডবকা, ৫ জানুৱাৰী ঃ** হোজাই জিলাৰ ডবকাৰ এজন উদীয়মান যুৱক তথা আন্তঃৰাষ্ট্ৰীয় চিত্ৰ শিল্পী ড° জোন বৰাৰ অশেষ একাগ্ৰতা আৰু প্ৰচেষ্টাত ২০২১ চনত ডবকা পুৰাণ বজাৰত তেওঁ প্ৰয়াত ককাক'ৰ স্মৃতিত ৰাইজৰ প্ৰদৰ্শনীৰ বাবে "হেমবৰা আৰ্ট গেলাৰী" নামৰ এটি আৰ্ট গেলাৰী মুকলি কৰা হৈছিল। মুকলিৰ পিছৰে পৰা প্ৰতি বছৰে ছাত্ৰ-ছাত্ৰীৰ মাজত চিত্ৰ প্ৰদৰ্শনী পতা হয় আৰু বিজয়ী সকলৰ মাজত নানান উপহাৰ মানপত্ৰৰে সন্মানিত কৰা হয়। প্ৰতি বছৰৰ দৰে এইবাৰো ৪ জানুৱাৰী তাৰিখে "হেমবৰা আৰ্ট গেলাৰীৰ" বাকৰিত ৰাতিপুৱাৰ পৰা বিভিন্ন কাৰ্য্যসূচী লগত এখন মুকলি সভাৰ আয়োজন কৰা হয়। আজিৰ এই সভাত সভাপতিত্বে কৰে অৱসৰ প্ৰাপ্ত শিক্ষক চন্দ্ৰ নাৰায়ণ ভৌমিকে। ২০২৬ বৰ্ষৰ "ক্ৰিয়েটিপ আৰ্ট পয়ণ্টৰ উদ্যোগত অনুষ্ঠিত হেৰা চিত্ৰ প্ৰদৰ্শনী" মুকলি কৰে আজিৰ মুখ্য অতিথি হোজাই জিলাৰ বিদ্যালয় সমূহৰ পৰিদৰ্শক ৰঞ্জন কুমাৰ ডেকাই, আজিৰ এই অনুষ্ঠানত উপস্থিত থাকে ডবকা নগৰ সমিতিৰ প্ৰাক্তন আয়ুক্তা তথা বৰ্তমানৰ হোজাই জিলাৰ মহিলা মৰ্চাৰ সভানেত্ৰী শ্ৰীযুতা প্ৰভামনি কাকতি বৰা (জোণ বৰা), হোজাই জিলাৰ মাধ্যমিক শিক্ষক আৰু কৰ্মচাৰী সন্থাৰ সাধাৰণ সম্পাদক নজমুল আলম উপস্থিত থাকে। আজিৰ এই প্ৰদৰ্শনীত প্ৰায় দুশৰো অধিক ছবি প্ৰদৰ্শিত কৰা হয়। আজিৰ এই প্ৰৰ্দশনী সভাত ৰিডিপ ৰঞ্জন গগৈক ২০২৬ বৰ্ষৰ "প্ৰফুল্ল মেমৰিয়েল ইয়াৰ অফ দ্যা একচিলেণ্ট আৰ্ট এৱাৰ্ড"ৰে সন্মানিত কৰা হয়। আজিৰ অনুষ্ঠানত দহ গৰাকী ছাত্ৰ-ছাত্ৰীক "বেষ্ট আৰ্ট এৱাৰ্ড" প্ৰদান কৰা হয় আৰু এঘাৰ গৰাকী ছাত্ৰ-ছাত্ৰীক সান্ত্বনামূলক পুৰস্কাৰ প্ৰদান কৰা হয়।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☏ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন